মূল্য ঃ বিশ টকা

# বিবেক ভাস্কৰ

ৰামকৃষ্ণ মিছন গুৱাহাটীৰ দ্বাৰা প্ৰকাশিত প্ৰথম ত্ৰৈমাসিক অসমীয়া পত্ৰিকা
Vol. 7 • Number 1 • January 2022 • ISSN : 2348-8328



মাঘ ১৯৪৩ শকাব্দ ❖ সপ্তম বৰ্ষ ❖ প্ৰথম সংখ্যা




Janasanyog/608/21

# বিবেক ভাস্কৰ

ৰামকৃষ্ণ মিছনৰ দ্বাৰা প্ৰকাশিত প্ৰথম ত্ৰৈমাসিক অসমীয়া পত্ৰিকা

মাঘ ১৯৪৩ শকাব্দ ▸ সপ্তম বৰ্ষ ▸ প্ৰথম সংখ্যা

যুটীয়া সম্পাদক

**ডাঃ ভবেশ কুমাৰ দাস**

**স্বামী অজাতানন্দ**

ব্যৱস্থাপক সম্পাদক

**স্বামী আত্মশুদ্ধানন্দ**

**ৰামকৃষ্ণ মিছন আশ্ৰম**

ৰামকৃষ্ণ মিছন পথ, উলুবাৰী, গুৱাহাটী-৭৮১ ০০৭, অসম

দূৰভাষ ঃ ০৩৬১-২১৩৪২৮১

E-mail: vivekbhaskarghy@gmail.com

Website: www.rkmguwahati.org

ISSN: 2348-8328

# বিবেক ভাস্কৰ

# VIVEK BHASKAR

**এখন গুণমানৰ পুনৰ নিৰীক্ষণ কৰা ত্ৰৈমাসিক অসমীয়া পত্ৰিকা**

**A Peer-reviewed & Indexed Quarterly Journal**

**ISSN : 2348-8328**

যুটীয়া সম্পাদক

**ডাঃ ভবেশ কুমাৰ দাস, দূৰভাষ ঃ ৯৮৬৪০-১৬৬৩২**

**স্বামী অজাতানন্দ, দূৰভাষ ঃ ৮৯১০৩-৪৬২৬৮**

ব্যৱস্থাপক সম্পাদক

**স্বামী আত্মশুদ্ধানন্দ**

কাৰ্যালয় পৰিচালক

**স্বামী অজাতানন্দ, দূৰভাষ ঃ ৮৯১০৩-৪৬২৬৮**

**উপদেষ্টা সমিতিৰ সদস্যসকল**

শ্ৰী মহেশ চন্দ্ৰ বৰুৱা, অধ্যাপিকা কাবেৰী সাহা

ড° চন্দনা শৰ্মা, ড° অৰূপ কুমাৰ হাজৰিকা, ড° সুদেষ্ণা ভট্টাচাৰ্য

ড° সৰোজ কাকতি, ড° সীতাংশু কাননজ্ঞ, নিখিল ভৌমিক

**পত্ৰিকা প্ৰকাশ কৰাৰ সময়-সূচী**

**প্ৰথম সংখ্যা ঃ** ব'হাগ (ইংৰাজী আনুমানিক এপ্ৰিল) **দ্বিতীয় সংখ্যা ঃ** শাওণ (ইংৰাজী আনুমানিক জুলাই)

**তৃতীয় সংখ্যা ঃ** কাতি (ইংৰাজী আনুমানিক অক্টোবৰ) **চতুৰ্থ সংখ্যা ঃ** মাঘ (ইংৰাজী আনুমানিক জানুৱাৰী)

**অলংকৰণ**

নিশান্ত নিবিৰ, ৰাজগড় ৰোড, গুৱাহাটী-৭৮১০০৭

**মুদ্ৰণ**

ভৱানী গ্ৰাফিকছ্, ৰাজগড় ৰোড, গুৱাহাটী-৭৮১০০৭

## এটি বাছকবনীয়া উপহাৰ



*“...ভাৰতীয়গণ যিমানেই তেওঁলোকৰ অতীতক লৈ আলোচনা কৰিব, তেওঁলোকৰ ভৱিষ্যত সিমানেই গৌৰৱময় হ'ব; আৰু যিজনে এই অতীতক প্ৰত্যেকৰে সমুখলৈ দাঙি ধৰিবলৈ চেষ্টা কৰি আছে, তেওঁৰেই মাতৃভূমিৰ পৰম হিতকাৰী।” — স্বামী বিবেকানন্দ*

**আহক, আপোনাৰ বন্ধু-বান্ধৱ, প্ৰিয়জন, বিদ্যালয়, মহাবিদ্যালয়, ৰাজহুৱা পুথিভঁৰাল বা আন প্ৰতিষ্ঠানবোৰক ‘বিবেক ভাস্কৰ’ উপহাৰ দিয়ক।**

আপোনাৰ এই মূল্যৱান উপহাৰটিয়ে সমূহ অসমবাসী বিশেষকৈ নৱপ্ৰজন্মক ঐতিহ্যময় ভাৰতবৰ্ষৰ সনাতন আদৰ্শ, বিশ্বপৰিৱৰ্তনকাৰী চিন্তাৰাশি আৰু আমাৰ মহাপুৰুষসকলৰ বাণী বিয়পাই দি মূল্যবোধ আৰু নৈতিক চৰিত্ৰ গঠনত সহায় কৰাৰ লগতে সুস্থ-সচেতন সমাজ গঢ়াত অৰিহণা যোগাব।

উপহাৰ দিওঁতাসকল আৰু তেওঁলোকে তালিকাভুক্ত কৰা প্ৰতিষ্ঠানবোৰৰ নাম **‘বিবেক ভাস্কৰ’**ত প্ৰকাশিত কৰা হ'ব।

**গ্ৰাহকভুক্তি বা পুনৰ নৱীকৰণৰ বাবে নাম, ঠিকনা, ফোন নম্বৰ আৰু ই-মেইল আই. ডি. তলৰ ঠিকনালৈ লিখি পঠাওক**

যুটীয়া সম্পাদক, **‘বিবেক ভাস্কৰ’** পত্ৰিকা

**ৰামকৃষ্ণ মিছন আশ্ৰম, ৰামকৃষ্ণ মিছন পথ, উলুবাৰী, গুৱাহাটী-৭৮১ ০০৭**

**Online** ত গ্ৰাহকভুক্তিৰ বাবে লগ অন কৰক - www.rkmguwahati.org

এবছৰৰ গ্ৰাহক মূল্য ৭০ টকা (কাৰ্য্যালয়ৰ পৰা সংগ্ৰহ কৰিলে)
ডাকযোগে ঘৰত পাবলৈ হ'লে ঃ
এবছৰৰ গ্ৰাহক মূল্য ১৩০ টকা
পাঁচ বছৰৰ গ্ৰাহক মূল্য ৫০০ টকা
আজীৱন গ্ৰাহক মূল্য ২,০০০ টকা (পোন্ধৰ বছৰৰ পিছত নৱীকৰণ সাপেক্ষ)
পৃষ্ঠপোষকসকলৰ বাবে গ্ৰাহকমূল্য ৫,০০০ টকা (আজীৱন)
বিদেশৰ এবছৰৰ গ্ৰাহক মূল্য ১,৫০০ টকা

***বিবেক ভাস্কৰলৈ দিয়া সকলো দান-বৰঙণি আয়কৰ বিভাগৰ ইউ/এছ ৮০ জি ১৯৬১ আয়কৰ ধাৰা মতে আয়কৰ মুক্ত***

**বিশুদ্ধ সিদ্ধান্ত পঞ্জিকা অনুসৰি** **অনুষ্ঠান-সূচী** মাঘ—চ'ত, ১৪২৮ (জানুৱাৰী—মাৰ্চ, ২০২২)

### তিথি-কৃত্য

- শ্ৰীশ্ৰী স্বামীজী, পুহ কৃষ্ণ সপ্তমী, ১১ মাঘ, ২৫ জানুৱাৰী
- স্বামী ব্ৰহ্মানন্দ, মাঘ শুক্লা দ্বিতীয়া, ১৯ মাঘ, ০২ ফেব্ৰুৱাৰী
- স্বামী ত্ৰিগুণাতীতানন্দ, মাঘ শুক্লা চতুৰ্থী, ২১ মাঘ, ০৪ ফেব্ৰুৱাৰী
- স্বামী অদ্ভুতানন্দ, মাঘী পূৰ্ণিমা, ০৩ ফাগুন, ১৬ ফেব্ৰুৱাৰী
- শ্ৰীশ্ৰীৰামকৃষ্ণদেৱ, ফাগুন শুক্লা দ্বিতীয়া, ১৯ ফাগুন, ০৪ মাৰ্চ
- শ্ৰীশ্ৰীঠাকুৰৰ আৱিৰ্ভাৱ মহোৎসৱ, ৰবিবাৰ, ২৮ ফাগুন, ১৩ মাৰ্চ
- শ্ৰীশ্ৰীগৌৰাঙ্গ মহাপ্ৰভু, দৌল পূৰ্ণিমা, ০৩ চ'ত, ১৮ মাৰ্চ
- স্বামী যোগানন্দ, ফাগুন কৃষ্ণা চতুৰ্থী, ০৬ চ'ত, ২১ মাৰ্চ
- শ্ৰীশ্ৰীৰামনৱমী, চ'ত শুক্লা নৱমী, ২৬ চ'ত, ১০ এপ্ৰিল

### পূজা-কৃত্য ঃ

শ্ৰীশ্ৰীসৰস্বতী পূজা, মাঘ শুক্লা পঞ্চমী, ২২ মাঘ, ০৫ ফেব্ৰুৱাৰী

শ্ৰীশ্ৰীশিৱৰাত্ৰি, মাঘ কৃষ্ণা চতুৰ্দশী, ১৬ ফাগুন, ১ মাৰ্চ

**একাদশী তিথি (ৰাম নাম সংকীৰ্তন) ঃ**

মাঘ ১৪, ২৯ (জানুৱাৰী ২৮, ফেব্ৰুৱাৰী ১২)
ফাগুন ১৪, ২৯ (ফেব্ৰুৱাৰী ২৭, মাৰ্চ ১৪)
চ'ত ১৩, ২৮ (মাৰ্চ ২৮, এপ্ৰিল ১২ )

# লেখক-লেখিকাসকলৰ জ্ঞাতব্য বিষয়

১। শ্ৰীৰামকৃষ্ণ, শ্ৰীমা সাৰদা দেৱী আৰু স্বামী বিবেকানন্দৰ আদৰ্শৰ বিষয়ে যিকোনো ধৰণৰ সাহিত্য-কৰ্ম প্ৰকাশৰ বাবে গ্ৰহণযোগ্য হ'ব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মহাপুৰুষ আৰু মহান ব্যক্তিসকলৰ জীৱন আৰু বাণী, সংস্কৃতি আৰু এই অঞ্চলৰ উৎসৱ আদিৰ লগতে ভাৰতীয় আধ্যাত্মিকতা, যুৱ জাগৰণ, ব্যক্তিত্ব বিকাশ, শিক্ষা, স্বাস্থ্য, বৃত্তি, বিকাশ আদি গঠনমূলক বিষয়ত লিখা প্ৰবন্ধাদি এই আলোচনীত প্ৰকাশ কৰা হ'ব। ৰামকৃষ্ণ মিছনৰ ভাবাদৰ্শৰ সৈতে জড়িত তথা অসমীয়া সাহিত্য-সংস্কৃতিৰ ঐক্য-সম্প্ৰীতিৰ দিশটোৰ সৈতে পৰিচিত বুদ্ধিজীৱী, শিক্ষক, সমাজসেৱী আৰু আমাৰ অগণন শুভাকাংক্ষী সকলোৰে এই ক্ষেত্ৰত সহযোগিতা কামনা কৰিলোঁ। প্ৰবন্ধাদি ফুলস্কেপ কাগজৰ এপিঠিত দুটা শাৰীৰ মাজত যথেষ্ট ব্যৱধান ৰাখি স্পষ্ট হস্তাক্ষৰেৰে লিখি অথবা মুদ্ৰণ লিখন যন্ত্ৰেৰে মুদ্ৰিত হ'ব লাগিব। লেখাসমূহ তলত ঠিকনাত ব্যক্তিগতভাৱে অথবা ডাকযোগে পঠিয়াবলৈ অনুৰোধ জনোৱা হ'ল। চিডি কৰি Pagemaker 6.5 অথবা Pagemaker 7.0 Format-ত পঠিয়ালে আমাৰ সুবিধা হয়।

২। লেখাসমূহ ২,০০০ শব্দৰ ভিতৰত সীমিত হ'লে ভাল।

৩। ৰচনাসমূহ ইতিবাচক হোৱা বাঞ্ছনীয়; আক্ৰমণাত্মক অথবা ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত হ'ব নালাগিব আৰু প্ৰয়োজন সাপেক্ষে সা-সালনি কৰাটো উপদেষ্টা কমিটিৰ ওপৰত ন্যাস্ত থাকিব।

৪। লেখক-লেখিকাৰ নাম, ঠিকনা, ফোন নম্বৰ, তাৰিখ আৰু সংক্ষিপ্ত পৰিচয় পৰিষ্কাৰকৈ লিখি দিয়াটো বাঞ্ছনীয়।

৫। কিশোৰ-কিশোৰী শিতান 'কিশলয়'ত ছপা কৰাৰ বাবে চেমনীয়াসকলৰ ৰচনা/হাতে অঁকা ছবি ইত্যাদি আমি ৰচনাৰ মান সাপেক্ষে ছপোৱাৰ ব্যৱস্থা কৰিম।

৬। যিকোনো গৱেষণামূলক ৰচনা বা ভ্ৰমণ বিষয়ক ৰচনাৰ সৈতে প্ৰাসংগিক ছবি পঠিয়ালে ৰচনা আকৰ্ষণীয় হ'ব। ই-মেইলযোগে এই ঠিকনাত ফটো পঠিয়াব পাৰিব।
ই-মেইল ঃ **vivekbhaskarghy@gmail.com**

৭। প্ৰকাশিত অথবা অপ্ৰকাশিত ৰচনা ওভতাই দিয়াটো সম্ভৱ নহ'ব। উপদেষ্টা সমিতিয়ে উপযুক্ত বিবেচনা কৰিলেহে লেখা প্ৰকাশ কৰা হ'ব।

৮। সম্পাদকদ্বয়ক ধৰি 'বিবেক ভাস্কৰ'ৰ সকলো কৰ্মকৰ্তা **অবৈতনিক**।

৯। লেখাসমূহ পঠোৱাৰ ঠিকনা ঃ **যুটীয়া সম্পাদক, 'বিবেক ভাস্কৰ' পত্ৰিকা, ৰামকৃষ্ণ মিছন আশ্ৰম ৰামকৃষ্ণ মিছন পথ, উলুবাৰী, গুৱাহাটী- ৭৮১০০৭**


## 'বিবেক ভাস্কৰ' পত্ৰিকাত বিজ্ঞাপনৰ ন্যূনতম হাৰ

**দ্বিতীয় প্ৰচ্ছদ পৃষ্ঠা (ৰঙীন) ঃ ২৫,০০০/- টকা; তৃতীয় প্ৰচ্ছদ পৃষ্ঠা (ৰঙীন) ঃ ২০,০০০/- টকা**

**পত্ৰিকাৰ মূল পৃষ্ঠা (ক'লা-বগা) ঃ ৫,০০০/- টকা (সম্পূৰ্ণ পৃষ্ঠা); ৩,৫০০ টকা (আধা পৃষ্ঠা)**



# প্ৰজ্ঞাৰ আলোক

**ভোগে ৰোগভয়ং কুলে চ্যুতিভয়ং ৰিত্তে নৃপালাদ্ভয়ম্**

**মানে দৈন্যভয়ং বলে ৰিপুভয়ং ৰূপে জৰায়া ভয়ম্।**

**শাস্ত্রে ৰাদিভয়ং গুণে খলভয়ং কায়ে কৃতান্তাদ্ভয়ম্**

**সৰ্ৱং বস্তু ভয়ান্বিতং ভুবি নৃণাং ৰৈৰাগ্যমেৰাভয়ম্।।**

(ৰৈৰাগ্যশতকম্ ৩১)

ভোগ কৰিলে ৰোগৰ ভয়, জাতিৰ অভিমানত পতনৰ ভয়, ধন থাকিলে দাৰিদ্ৰ্যৰ ভয়, যশত নিন্দাৰ ভয়, অভ্যুদয়ত ঈৰ্ষাৰ ভয়, ৰূপত বাৰ্ধক্যৰ ভয়, জ্ঞানত অজ্ঞানৰ ভয়, গুণ থাকিলে দুষ্ট লোকৰ ভয়, আনকি দেহত মৃত্যুভয় থাকে। এই জগতত সকলোখিনিয়েই ভয়যুক্ত। (কিন্তু) যিজনৰ (জগতৰ সকলো বস্তুৰ প্ৰতি) বৈৰাগ্য আছে তেৰেঁই কেৱল ভয়শূন্য।

**যদভাৰি ন তদ্ভাৰি ভাৰি চেন্ন তদন্যথা।**

**ইতি চিন্তাৰিষঘ্নোঽয়ং বোধো ভ্ৰমনিৰ্ৱৰ্তকঃ।।**

(পঞ্চদশী ৭/১৬৮)

‘যিটো ঘটিবলগীয়া নাই সেইটো কেতিয়াও নঘটে, যিটো হ’বলগীয়া আছে তাৰ কেতিয়াও অন্যথা নহয়’ — এনেহেন চিন্তাৰূপী বিষ নাশক জ্ঞানেহে, আমাৰ (অযথা উদ্বেগৰূপ) ভ্ৰম নিৰাৰণ কৰে।

দিব্যবাণী

# শ্ৰদ্ধা, আত্মবিশ্বাস আৰু ভয়হীনতা



...'শ্ৰদ্ধা' শব্দটো মই তোমালোকৰ ওচৰত ইংৰাজীত অনুবাদ কৰি নকওঁ, অনুবাদ কৰিলে ভুল হ'ব। এই অপূৰ্ব শব্দৰ প্ৰকৃত তাৎপৰ্য্য বুজা কঠিন; এই শব্দৰ প্ৰভাৱ আৰু কাৰ্য্যকাৰিতা অতি বিস্ময়কৰ। ...দুৰ্ভাগ্যক্ৰমে ভাৰতৰ পৰা এই শ্ৰদ্ধা প্ৰায় অন্তৰ্হিত হৈছে। সেইকাৰণেই আমাৰ এই বৰ্তমান দুৰ্দশা। মানুহ মানুহৰ মাজত প্ৰভেদ হ'ল, এই শ্ৰদ্ধাৰ তাৰতম্যত আৰু একোতেই নাই। এই শ্ৰদ্ধাৰ তাৰতম্যতেই কোনো এজনে হ'ম ডাঙৰ আৰু কোনো এজন সৰু। মোৰ গুৰুদেৱে কৈছিল, যিজনে নিজকে দুৰ্বল ভাবে, তেওঁ দুৰ্বলেই হ'ব— এইটো অতি সত্য কথা। এই শ্ৰদ্ধা তোমালোকৰ ভিতৰত প্ৰৱেশ কৰক। পাশ্চাত্যজাতিয়ে জড়জগতত যি আধিপত্য লাভ কৰিছে, সেইয়া এই শ্ৰদ্ধাৰেই ফলতে, তেওঁলোকে শাৰীৰিক বলত বিশ্বাসী। তোমালোক যদি আত্মাত বিশ্বাসী হোৱা, তেতিয়াহ'লে তাৰ ফল আৰু অদ্ভুত হ'ব। তোমালোকৰ শাস্ত্ৰ, তোমালোকৰ ঋষিসকলে এক বাক্যত যি প্ৰচাৰ কৰিছে, সেই অনন্ত শক্তিৰ আধাৰ আত্মাত বিশ্বাস ৰাখা— যি আত্মাক কোনোৱে নাশ কৰিব নোৱাৰে, য'ত আছে অনন্ত শক্তি। মাথো আত্মাকে উদ্বুদ্ধ কৰিব লাগিব। এইখিনিতেই অন্যান্য দৰ্শন আৰু ভাৰতীয় দৰ্শনৰ মাজত বিশেষ প্ৰভেদ। দ্বৈতবাদীয়েই হওঁক, বিশিষ্টাদ্বৈতবাদীয়েই হওঁক, নতুবা অদ্বৈতবাদীয়েই হওঁক— সকলোৱে দৃঢ়ভাৱে বিশ্বাস কৰে যে, আত্মাৰ ভিতৰতে সকলো শক্তি আছে, কেৱল তাক ব্যক্ত কৰিব লাগিব। এতেকে, মই বিচাৰো— এই শ্ৰদ্ধা। আমাৰ সকলোৱে আৱশ্যক— এই আত্মবিশ্বাস; আৰু এই বিশ্বাস-অৰ্জনৰূপ মহৎকাৰ্য তোমালোকৰ সন্মুখত পৰি আছে। আমাৰ জাতীয় ৰক্তপ্ৰৱাহত এক ভয়ানক ৰোগৰ বীজ প্ৰৱেশ কৰি আছে— সকলো বিষয় হাঁহি উৰুৱাই দিয়া, গাম্ভীৰ্য্যৰ অভাৱ। বীৰ হোৱা, শ্ৰদ্ধাসম্পন্ন হোৱা, আৰু যি আছে সকলোবোৰ আহিবই আহিব। ...

...ভয় নকৰিবা, কাৰণ মানুহজাতিৰ ইতিহাসত দেখা যায়, সাধাৰণ লোকৰ মাজতেই সকলো মহাশক্তিৰ প্ৰকাশ হৈছে, জগতত যিমানেই ডাঙৰ ডাঙৰ প্ৰতিভাশালী পুৰুষ জন্মিছে, সকলো সাধাৰণ লোকৰ মাজৰ পৰাই, আৰু ইতিহাসত এবাৰ যি ঘটিছে, পুনৰায় সেইয়া ঘটিব। একোতে ভয় নাখাবা। তোমালোকে বিস্ময়কৰ কাম কৰিবা। যি মুহূৰ্ততে তোমালোকৰ হৃদয়ত ভয়ৰ সঞ্চাৰ হ'ব, সেই মুহূৰ্ততেই তোমালোক শক্তিহীন। ভয়েই জগতৰ সমুদায় দুঃখৰ মূল কাৰণ; ভয়েই, সৰ্বাপেক্ষা ডাঙৰ কু-সংস্কাৰ; নিৰ্ভীক হ'লে, মুহূৰ্ততে স্বৰ্গ আমাৰ হাতৰ মুঠিত। এতেকে 'উত্তিষ্ঠিত জাগ্ৰত, প্ৰাপ্য বৰাণ্ নিবোধত।'

*(স্বামী বিবেকানন্দৰ বাণী আৰু ৰচনা, ৫ম ভাগ, পৃষ্ঠা - ১৬৬-১৬৮)*

# সূচীপত্ৰ




প্ৰজ্ঞাৰ আলোক/৭

দিব্যবাণী/৮

| | | |
|---|---|---|
| **সম্পাদকীয়** | ঃ | 'মৃত্যুং মিত্ৰৱৎ পশ্যেৎ' / ১০ |
| **সাহিত্য-প্ৰতিভা** | ঃ | স্বামী বিবেকানন্দৰ ইংৰাজী ৰচনাসম্ভাৰ / ১৩ |
| **ভাৰত গঠন** | ঃ | স্বামীজীয়ে গঢ়া ভাৰতপ্ৰেমিক ভগিনী নিবেদিতা / ডাঃ বাণী ভট্টাচাৰ্য্য /২২ |
| **ইতিহাসৰ চোতালত** | ঃ | ভাৰতৰ পুৰাণ-কথাত পূৰ্বভাৰত প্ৰসংগ / ড° নীলমোহন ৰায় / ২৮ |
| **বিজ্ঞান-তপস্যা** | ঃ | এন্টাৰ্কটিকা অভিযানত মোৰ ৪৮৫ দিন / ৰাঘৱ চন্দ্ৰ ডেকা / ৩৪ |
| **জীৱনৰ সাঁথৰ** | ঃ | ক'ৰোনাকালীন চিন্তা ঃ স্থবিৰতা, গতিশীলতা ইত্যাদি / ড° ইন্দুপ্ৰভা দেৱী / ৪১ |
| **মহিমাৰ অংকুৰণ** | ঃ | মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু ল'ৰালিকাল / নীলিমা শৰ্মা মহন্ত / ৪৪ |

**প্ৰচ্ছদ পৰিচিতি** /৪৭

| | | |
|---|---|---|
| **ধাৰাবাহিক ৰচনা** | ঃ | স্বামীজীৰ আহ্বান / ভাবানুবাদ ঃ মঞ্জুলা সৰকাৰ / ৪৮ |
| **সংগীতৰ সমল** | ঃ | ভূপেন হাজৰিকাৰ গীতত উত্তৰ-পূৰ্বাঞ্চলৰ বন্দনা / ড° শংকৰ পাটোৱাৰী / ৫০ |
| **ঐতিহ্য-দৰ্শন** | ঃ | বৰপেটা সত্ৰত এভুমুকি / ভবজিৎ বায়ন / ৫৪ |
| **মহামাৰী পৰিস্থিতি** | ঃ | ক'ভিড-১৯ আৰু কিছু জানিবলগীয়া কথা / ডাঃ নৰ কুমাৰ কলিতা / ৫৮ |
| **জীৱনৰ সাধু** | ঃ | প্ৰকৃত বন্ধু / ডাঃ ভবেশ কুমাৰ দাস / ৬১ |
| **কিশলয়** | ঃ | মহাভাৰতৰ গল্প / স্বামী ৰাঘবেশানন্দ / ৬৩ |
| **আশ্ৰম সংবাদ** | ঃ | গুৱাহাটী আশ্ৰমৰ সংবাদ/৬৭ |
| | | বেলুড় মঠৰ সংবাদ/৭০ |

সম্পাদকীয়

# 'মৃত্যুং মিত্ৰৱৎ পশ্যেৎ'

জন্ম মানেই মৃত্যুৰ প্ৰতিশ্ৰুতি। মানৱ জীৱনৰ সত্য এইটোৱেই যে প্ৰতিজন ব্যক্তিৰ এদিনাখন মৃত্যু অনিবাৰ্য্য। ই এক অৱশ্যম্ভাৱী পৰিণতি আৰু সমান্তৰালভাৱে অতি দুঃখ আৰু যাতনাময়ও আত্মীয়জনৰ মৃত্যুয়ে আমাক গভীৰ শোক দিয়ে আৰু নিজৰ আসন্ন মৃত্যুৰ আশংকাই আনি দিয়ে এক অনন্ত ভয়ৰ গধুৰ বোজা, আমাক ঠেলি দিয়ে অজান দিগন্তলৈ— এক অনিশ্চয়তাৰ মহাসমুদ্ৰলৈ।

স্বাভাৱিকতে, প্ৰশ্ন হ'ব পাৰে যে এই কাৰণেই কি আমি মৃত্যুক ভয় পাওঁ। জন্মৰ পৰাই মৃত্যুভয় সহজাতৰূপত প্ৰত্যেক প্ৰাণীৰ ভিতৰত বিদ্যমান থাকে। সদ্য কণীৰ পৰা ওলোৱা চৰাইৰ এটা পোৱালীও কাষতে শক্তিশালী ঈগল এটা উৰি থাকিলে বা মেকুৰি এটা দেখিলে মৃত্যুভয়ত মাৰ ওচৰলৈ বা নিৰাপদ ঠাইলৈ দৌৰি যায়গৈ। মহৰ্ষি পতঞ্জলীয়ে মানুহৰ এই জন্মগত প্ৰবৃত্তিক 'অভিনিৱেশ' বুলি আখ্যা দিছে। স্বামী বিবেকানন্দই যাৰ অৰ্থ কৰিছে— 'Clinging to life' (জীৱনটোক সজোৰে সাৱতি ধৰা)। কোনো ব্যক্তিয়ে যে নিজৰ অস্তিত্ব হেৰুৱাব নিবিচাৰে এয়া সত্য কিন্তু ইয়াৰ উপৰিও প্ৰিয়জনৰ পৰা বিচ্ছেদ, ভোগ-বিলাসৰ প্ৰতি থকা তীব্ৰ আসক্তি, হকে-বিহকে বহুতো অলাগতিয়াল কথা ভাবি চিন্তাগ্ৰস্ত হোৱা আদি বিভিন্ন কাৰণসমূহে মৃত্যুক অনাৱশ্যক ভীতিপ্ৰদ কৰি তুলে। 'ভয়' কথাটো— সদায় কি হ'ব আৰু কি নহ'ব অৰ্থাৎ এক দুৰ্বিসহ অনিশ্চয়তা— এনে চিন্তাৰ লগতেহে যুক্ত, বৰ্তমান পৰিস্থিতিৰ সতে নহয়। গতিকে ভয়টো আমাৰ জীৱন বা মৃত্যু সম্পৰ্কিত নহয়— এয়া হ'ল আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত থকা মনৰ এটা বিশেষ অৱস্থা মাথোঁ। অলপ চালিজাৰি চালে দেখা যায় যে এই ভয়ৰ মূল কাৰণ হ'ল জীৱন বা মৃত্যু সম্পৰ্কত সঠিক ধাৰণাৰ অভাৱ। যিজনে জীৱন বা মৃত্যুৰ সত্যটো জ্ঞাত তেওঁ মৃত্যুক স্বাগত জনাবলৈ কুণ্ঠাবোধ নকৰে। অজ্ঞসকলৰ নিচিনা মৃত্যুৰ স'তে শীতল যুদ্ধত তেওঁ নিজৰ শক্তিক্ষয়ও নকৰে— বীৰৰ নিচিনা মৃত্যুক বৰণ কৰি হৈ যায় মৃত্যুঞ্জয়ী।

সভ্যতাৰ প্ৰথম লগ্নৰ পৰাই মানুহৰ ওচৰত মৃত্যু এক অভেদ্য ৰহস্য। মিচৰীয়, ব্যবিলনীয়, হৰপ্পা প্ৰভৃতি সকলো সভ্যতাতেই মানুহে মৃত্যুক জয় কৰাৰ প্ৰয়াস দেখিবলৈ পোৱা যায়। প্ৰাচীনকালত, গ্ৰীচ আৰু ৰোমত মানুহে কেনেদৰে মৃত্যুত সন্তোষ লাভ কৰিব পাৰি তাৰ শিক্ষা দিয়া হৈছিল— ঠিক যেনেদৰে আজিকালি জীৱিতকালত ব্যক্তিত্ব গঠন (Personality Development)ৰ প্ৰশিক্ষণ দিয়া হয়।

বিশ্বৰ বিভিন্ন দৰ্শনে মৃত্যুক মহীয়ান কৰি আহিছে। ভাৰতীয় চিন্তাধাৰাত মৃত্যুৰ অৰ্থ হৈছে জীৱনৰ বন্ধনৰ পৰা মুক্তি; মৃত্যু মানে নিঃশেষ নহয়, ই এক (জীৱন) প্ৰক্ৰিয়াৰ পৰিসমাপ্তি মাথোন— অনন্ত প্ৰৱহমানতাৰ এটা অৱস্থাৰ পৰা অন্য অৱস্থালৈ

যাত্ৰা। গতিকে জীৱন-যাপনৰ যেনে এটা 'শিল্প' (art of living) থাকে, মৃত্যুৰো এটা শিল্প (art of death) আছে। সেয়েহে কবি হীৰেন ভট্টাচাৰ্য্যদেৱে কৈছে— 'মৃত্যুটো এটা শিল্প / জীৱনৰ কঠিন শিলত কটা / নিৰ্লোভ ভাস্কৰ্য্য'।

তত্ত্বগতভাৱেও, সৃষ্টি আৰু স্থিতিৰ লগত বিনাশও এই জগৎ ৰচনাৰ এক অবিচ্ছেদ্য অংগ। ব্ৰহ্মাণ্ডৰ প্ৰতিটো বস্তু আনকি ব্ৰহ্মাণ্ড নিজেও এদিনাখন ধ্বংসপ্ৰাপ্ত হয়, একথা বিজ্ঞানেও প্ৰমাণ কৰিছে। ধ্বংস নহ'লে নতুন সৃষ্টিও হ'ব নোৱাৰিব, গতিকে মৃত্যু হ'ল জগৎ সৃষ্টিৰ এক গূঢ় পৰিকল্পনা। সেইহেতু হিন্দু দৰ্শনৰ যুগমীয়া ধাৰণা যি ব্ৰহ্মা হ'ল সৃজনকাৰী, বিষ্ণু পালনকাৰী আৰু মহাদেৱ শিৱ হ'ল সংহাৰকৰ্তা— এই কল্পনা অতি তাৎপৰ্য্যপূৰ্ণ আৰু ব্যাখ্যামূলক। মৃত্যুৰ দেৱতা যমৰাজও ভয়ংকৰ নহয়, আমাৰ শাস্ত্ৰ আৰু পুৰাণত যমৰাজক যোগী আৰু তপস্বী হিচাপে বৰ্ণনা কৰা হৈছে।

এতিয়া প্ৰশ্ন হ'ল, মৃত্যুৰ স্বৰূপ জনাটো সম্ভৱ হয় নে! মৃত্যুক প্ৰত্যক্ষভাৱে জানিব নোৱাৰিলেও পৰোক্ষভাৱে তাক জনাটো সম্ভৱ। আচলে জীৱনটোক সম্পূৰ্ণৰূপত বুজিব পাৰিলে মৃত্যু অপৰিচিত হৈ নেথাকে, কিয়নো জীৱন আৰু মৃত্যু হ'ল একেই শক্তি বা সত্তাৰ দুটা ভিন্ন অভিব্যক্তি মাথোঁ। আমি যদি জীৱনক জয় কৰিব পাৰোঁ মৃত্যুও আমাৰ ওচৰত পৰাজিত হ'বলৈ বাধ্য। এই প্ৰসংগত স্বামী বিবেকানন্দই স্পষ্টকৈ কৈছে— 'We can never get rid of death, until we get rid of life.' (Complete Works of Swami Vivekananda, vol.-6, p-94). গতিকে, প্ৰথমতে জানিব লাগিব জীৱনটো নো কি?

জীৱন হ'ল এক অনন্ত চেতনাৰ বহিঃপ্ৰকাশ, এক সীমাহীন কৰ্মক্ষেত্ৰ— য'ত ভাল-বেয়া যিকোনো কৰ্ম কৰি মানুহে তাৰ ভৱিষ্যতৰ সমল গোটাই থাকে; একথাত সমগ্ৰ জীৱনটোৱেই হ'ব পাৰে মৃত্যুৰ এক নিঃশব্দ, নীৰৱ প্ৰস্তুতি। কিন্তু তাৰ বাবে প্ৰয়োজন জীৱনৰ প্ৰতিটো স্তৰক সমান গুৰুত্ব প্ৰদান কৰি এটি পৰিপূৰ্ণ জীৱন গঠন কৰা— শাৰীৰিক আৰু বৌদ্ধিক বিকাশৰ লগে নৈতিক আৰু আধ্যাত্মিক দিশতেও আগবাঢ়ি যোৱা। এনেকুৱা সুষম বিকাশে আমাৰ জীৱনলৈ যি পূৰ্ণতা কঢ়িয়াই আনে সেইয়ায়ে আঁতৰাই দিয়ে জীৱনৰ সকলো ভয়। মৃত্যুতকৈ মৃত্যুভয় অধিক শক্তিশালী হ'লেও নৈতিক আৰু আধ্যাত্মিকশক্তি সম্পন্ন মানুহ কোনো পৰিস্থিতিৰেই বশীভূত নহয়।

আধ্যাত্মিক কথাটোৰ অৰ্থ হ'ল নিজক লৈ গৱেষণা বা অধ্যয়ন। 'অধ্যাত্ম' শব্দটোৰ ব্যুৎপত্তি হ'ল— অধি+আত্ম, 'আত্ম' মানে হ'ল মই নিজে, গতিকে আধ্যাত্মিকতা হ'ল নিজৰ প্ৰকৃত স্বৰূপ অন্বেষণ। বিচাৰ আৰু যুক্তিৰ মাধ্যমেৰে আমি আমাৰ অৱিনাশী স্বৰূপ সম্বন্ধে বিশ্বাসৱান হোৱাটো অতি আৱশ্যক— তেতিয়াহে আমি যথাৰ্থ ভয়শূন্য হোৱাটো সম্ভৱ। মানুহৰ স্থিতি তেতিয়া বাহ্যিক কোনো কাৰকৰ ওপৰতে নিৰ্ভৰ নকৰে। গছৰ ডালত যেতিয়া চৰাই বহি থাকে আৰু বতাহত গছৰ ডালবোৰ সজোৰে জোকাৰণি খায়, চৰাইবোৰ কিন্তু ভয় নেখায়, কাৰণ সিহঁতে জানে যে সিহঁতৰ জীৱন গছৰ ডালৰ ওপৰত নিৰ্ভৰ নকৰে, নিৰ্ভৰ কৰে নিজস্ব শক্তিশালী দুখন পাখীৰ ওপৰত যি দুখন পাখীয়ে কাৰ্য কৰিব পাৰে সীমাহীন আকাশৰ যিকোনো প্ৰান্ততেই।

এই অধ্যাত্মিক সত্যলৈ আস্থাৱান হ'বলৈ আমাৰ প্ৰধান উপকৰণ হ'ল নিজৰ মন। বহুক্ষেত্ৰত আমি আমাৰ শৰীৰটোৰ প্ৰতি বেছি যত্ন কৰি তাক সুস্থ ৰাখো ঠিকেই কিন্তু মনৰ স্বাস্থ্য আৰু পৰিচৰ্য্যাৰ প্ৰতি সমূলি আওকাণ কৰোঁ। মানুহে সুখ অথবা দুখ ভোগ কৰে মনতেই। আমাৰ পূৰ্বকৰ্ম বা প্ৰাৰব্ধ অনুযায়ী প্ৰকৃতিয়ে সৰ্বদা আমাৰ ওপৰত আঘাত হানি থাকে— এইয়া হ'ল এক জাগতিক নিয়ম। কিন্তু সেই আঘাতসকলৰ প্ৰতি আমি কিমানখিনি প্ৰতিক্ৰিয়া ব্যক্ত কৰোঁ, সেই অনুপাতে আমাৰ সুখ বা দুখ অনুভৱ হয়। গতিকে মনটোক যদি সুস্থ, সবল, শান্ত, উদ্বেগশূন্য আৰু বিচাৰশীল কৰি ৰাখিব পৰা যায় মানুহে প্ৰতিটো মুহূৰ্ততে আনন্দত থাকিব পাৰিব। এনে ব্যক্তিৰ বাবে বাহিৰৰ প্ৰতিটো আঘাত হৈ পৰে তেওঁৰ জীৱন পথৰ মূল্যৱান সমল। জীৱনৰ সঠিক উদ্দেশ্য তেওঁ বিচাৰি পায়। নিজৰ ক্ষুদ্ৰ গণ্ডিৰ পৰা বাহিৰলৈ ওলাই আহি জীৱনক কেৱল উপলব্ধিয়েই নহয়, যথাৰ্থ উপভোগও কৰিব শিকে। মৃত্যু তেওঁৰ ওচৰত উপস্থিত হ'লেও, নিৰ্বিকাৰভাৱে তেওঁ যেন অনুধ্যান কৰে স্বামীজীৰ সেই প্ৰিয় সংগীতটোৰ— 'মন চল নিজ নিকেতনে / সংসাৰ বিদেশে বিদেশীৰ বেশে / ভ্ৰম কেন অকাৰণে' অৰ্থাৎ, হে মন ব'লা, তোমাৰ নিজৰ ঘৰলৈ। এই সংসাৰৰূপ বিদেশত বিদেশী হৈ কিয় ইফাল-সিফাল বিনা কাৰণত ঘূৰি ফুৰিছা। নিজৰ অজানিতে তেওঁৰ জীৱনত প্ৰতিফলিত হয় শাস্ত্ৰবাক্য— 'মৃত্যুং মিত্ৰৱৎ পশ্যেৎ' অৰ্থাৎ মৃত্যুক বন্ধুৰ নিচিনা দেখিব লাগে।

লেবাননৰ বিখ্যাত কবি খলিল জিব্ৰাণৰ এফাঁকি কবিতাৰে সামৰণি মাৰিব বিচাৰিছো— কবিয়ে কৈছে আমাৰ জীৱনটো হৈছে এক প্ৰৱহমান নদীৰ নিচিনা। নদীৰ সৃষ্টিস্থল হ'ল সুউচ্চ পৰ্বতৰ শৃংগ। নদীয়ে তাৰপিছত সুদীৰ্ঘ আঁকোৰা-পঁকোৰা যাত্ৰাত অৱতীৰ্ণ হয়, এটাই উদ্দেশ্য যে সাগৰৰ বুকুত মিলি যাবলৈ। কিন্তু নদী যেতিয়া সাগৰৰ মোহনা পায়, এক অবুজ ভয়ত কঁপি উঠে; ভয় কৰে সাগৰত পৰিলে নিজৰ অস্তিত্ব হেৰাই যোৱাৰ। কিন্তু উপায়বিহীন নদী এতিয়া উভটি যাবলৈ অপাৰগ। অৱশেষত বাধ্য হয় সাগৰৰ বুকুত উজাৰি পৰিবলৈ। কিন্তু নদী সাগৰত উপচি পৰি নদী হৈ নেথাকিল, নদী হৈ গ'ল সাগৰ। নদীয়ে কিন্তু নিজৰ অস্তিত্ব নেহেৰুৱালে, নদীয়ে মাথোঁ তাৰ মূল উৎপত্তিস্থলৰ স'তে পুনৰ মিলিত হ'ল। ঠিক যেন য'ৰ পৰা উৎস তাতেই পৰিসমাপ্তি।

অৱশেষত, ২০২২ চনত নতুনবৰ্ষৰ শুভেচ্ছা প্ৰতিজন পাঠকলৈ সাদৰে যাচিলোঁ। উল্লেখনীয় যে, যোৱা দুবছৰে ক'ভিদ মহামাৰীয়ে কৰা বিশেষ অসুবিধা আৰু আসোঁৱাহৰ বাবে 'বিবেক ভাস্কৰ' প্ৰকাশ কৰিব নোৱাৰিলো, সেয়েহে আমি দুঃখিত। যদিও এইটো ইংৰাজী বছৰৰ প্ৰথম মাহতে আকৌ প্ৰকাশ কৰিবলৈ পাই আমি নথৈ আনন্দিত। আশা কৰিছো, আপোনালোকে আমাক আগৰ নিচিনাকৈ উৎসাহ উদ্‌গণি যোগাই থাকিব।

**ডাঃ ভবেশ কুমাৰ দাস**
**স্বামী অজাতানন্দ**
যুটীয়া সম্পাদক

# স্বামী বিবেকানন্দৰ ইংৰাজী ৰচনাসম্ভাৰ

**ড° দয়ানন্দ পাঠক**
অৱসৰপ্ৰাপ্ত অধ্যক্ষ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী আৰু
অধ্যাপক, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও, ফোন ঃ ৯৮৫৪০ ৫০৯৪৭

স্বামী বিবেকানন্দৰ প্ৰতিটো লেখাই বিশুদ্ধ সোণ। তেওঁৰ ৰচনা সম্ভাৰ মুখ্যতঃ দুটা ভাষাতেই প্ৰাপ্ত— বাংলা আৰু ইংৰাজী। স্বামীজীৰ জীৱনৰ বৰ্ণাঢ্যতালৈ চাই এটা কথা নিশ্চিতভাৱে ক'ব পাৰি যে, তেওঁৰ বিশ্বজনীনতা প্ৰকাশ পাইছে তেওঁৰ ইংৰাজী ভাষণ আৰু ৰচনাৰাজিৰ মাজেৰেহে। বহুত সময়ত তেওঁৰ বাংলা ৰচনাসমূহৰ এক বৃহৎ অংশ তেওঁৰ ইংৰাজী ৰচনাৰেই বাংলানুবাদ মাথোন। স্বামীজীৰ ৰচনাসম্ভাৰক পৰ্য্যালোচনা কৰিবলৈ আমি তেওঁক আন্তৰ্জাতিক অৱস্থানত ৰাখিব লাগিব আৰু আন্তৰ্জাতিক শ্ৰোতা আৰু পাঠকৰ দৃষ্টিভংগীৰেহে চাব লাগিব। স্বামীজীক ভাৰতীয় দৰ্শনৰ ধৰ্মীয় তথা সামাজিক মুখপত্ৰ হিচাপে চালেহে তেওঁৰ প্ৰকৃত মূল্যায়ন সম্ভৱ হ'ব। ইংৰাজী ভাষাতেই তেওঁ ভাৰতীয় দৰ্শনৰ মূল কথাবোৰ আন্তৰ্জাতিক স্তৰত যুক্তিনিষ্ঠভাৱে দাঙি ধৰিবলগীয়া হৈছিল। এনে পৰিপ্ৰেক্ষিতত ইংৰাজী ভাষাটোৰ ওপৰত এক বিশেষ দখল নাথাকিলে সেয়া সম্ভৱ নহ'লহেঁতেন। এটা ভাষা জনাটোৱেই একমাত্ৰ কথা নহয় বাগ্মিতা আৰু যুক্তিনিষ্ঠাও থাকিব লাগিব। মানুহৰ মনত নিৰন্তৰ জাগ্ৰত হৈ থকা প্ৰশ্নবোৰৰ উত্তৰসমূহো যুক্তিসহকাৰে দিব পাৰিব লাগিব, স্বামীজীৰ তেনে প্ৰতিটো গুণেই আছিল। নিজৰ যুক্তি আৰু বক্তব্যৰে তেওঁ বিশ্ববাসীৰ হৃদয় মন জয় কৰিব পাৰিছিল।

ভাৰতীয় সভ্যতা-সংস্কৃতি পৰিৱৰ্তনশীল যদিও আমাৰ ভাৰতবাসীৰ চিন্তা-চেতনাত বেদ, বেদান্ত, মহাকাব্য, পুৰাণ, গীতা আদি গ্ৰন্থৰ প্ৰভাৱ এতিয়াও অটুট অম্লান। ধৰ্মীয় আদৰ্শৰ ক্ষেত্ৰতো ভাৰতবৰ্ষৰ এক নিজস্ব গৰিমা আছে। এনে আদৰ্শক অনেকেই আসোঁৱাহপূৰ্ণভাৱে মানুহৰ সন্মুখত ৰাখিছে। ফলশ্ৰুতি বৰ সন্তোষজনক হোৱা নাই। অন্ধবিশ্বাসৰ জন্ম হৈছে। ঐতিহ্যৰ ইতিবাচক দিশবোৰ অনুক্ৰমে অস্পষ্ট হৈ পৰিছে। এয়া যে কেৱল ভাৰতীয় সভ্যতা-সংস্কৃতি আৰু ধৰ্মীয় আদৰ্শৰ ক্ষেত্ৰতেই ঘটিছে তেনে নহয়। বিশ্বৰ প্ৰতিটো ধৰ্মীয় আদৰ্শৰ ক্ষেত্ৰতেই এনে পৰিস্থিতি বিদ্যমান। ধৰ্মীয় আদৰ্শৰ নামত ধ্বংসযজ্ঞহে হৈছে।

এনে পৰিস্থিতিৰ পৰা মানৱ জাতি কেনেকৈ মুক্তি পাব সেই প্ৰশ্নটোহে স্বামীজীয়ে ইংৰাজী ভাষাত অভাৰতীয় লোকসকলৰ সন্মুখত সজোৰে ব্যাখ্যা কৰিবলগীয়া হৈছিল। ইংৰাজী ভাষাত ভাষণ দিয়াৰ এক বলিষ্ঠ পৰম্পৰা তেওঁৰ জীৱনত আৰম্ভ হ'ল

৩১ মে ১৮৯৩ তাৰিখৰ পৰাই। উক্ত তাৰিখত তেওঁ আমেৰিকালৈ যোৱাৰ দিন পেনিচুলাৰ (Peniusular) নামৰ এখনি জাহাজেৰে। উদ্দেশ্য আমেৰিকাৰ চিকাগো চহৰত অনুষ্ঠিতব্য পাৰ্লিয়ামেন্ট অব ৰিলিজিয়নত (Parliament of Religions) যোগদান। ইয়াৰ বাবে তেওঁ সাময়িকভাৱে প্ৰস্তুত হৈ লোৱাৰ আগতে বৌদ্ধিকভাবেও নিজকে প্ৰস্তুত কৰি তুলিবলগীয়া হৈছিল। স্বামীজীয়ে তেওঁৰ প্ৰথম বিদেশ যাত্ৰাৰ পূৰ্বে বিদেশত তেওঁ কি কৰিবলৈ ওলাইছে সেই বিষয়ে এক স্পষ্ট ধাৰণা তেওঁৰ মনত গঢ়ি তুলিছিল। বিশ্ববাসীক তেওঁ ভাৰতৰ দৰ্শনৰ মুখ্য আদৰ্শৰ কথা বুজাবলৈ চেষ্টা কৰিব। তেওঁ ইংৰাজী বক্তৃতাৰ মাজেৰে ভাৰতীয় দৰ্শনৰ কোনখিনি কথা, বিশ্ববাসীক বুজাব এয়াও আছিল এক জটিল কথা। স্বামীজীয়ে মনস্থ কৰিলে, তেওঁ বেদান্ত দৰ্শনৰ কথাৰে বিশ্বৰ বিদ্বৎমহলৰ হৃদয় মন জয় কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব কাৰণ ভাৰতীয় জীৱনদৰ্শনৰ কলেবৰ সীমাহীন মহাসাগৰৰ দৰে।

ইতিমধ্যে ভাৰতবৰ্ষৰ বিভিন্ন স্থান তেওঁ পৰিভ্ৰমণ কৰিছে। ভাৰতীয় মানুহৰ মাজত ধৰ্মীয় আদৰ্শ প্ৰচাৰ কৰিব পাৰিনে নোৱাৰি সেই ভাবনাইও তেওঁক গভীৰভাবে পীড়িছে। ভাৰতীয় মানুহৰ সমস্যা প্ৰধানতঃ যে দুটা, তেওঁ যুক্তি দৰ্শাইছে। প্ৰথম, ভাৰতীয় মানুহৰ শিক্ষাৰ সমস্যা আৰু দ্বিতীয়তে ভাৰতীয় মানুহৰ সামুহিক দাৰিদ্ৰ্য। এই দুটা সমস্যা সমাধান নকৰাকৈ সাধাৰণ ভাৰতীয় মানুহৰ ধৰ্মীয় আদৰ্শ আৰু বেদান্ত দৰ্শনৰ কথা কোৱাটো যে নিৰৰ্থক, সেই বাস্তৱ সত্যও তেওঁ উপলব্ধি কৰিছিল। সাধাৰণ ভাৰতীয় মানুহৰ ধৰ্মীয় দৰ্শন আৰু ভাৰতীয় জীৱন দৰ্শনৰ পাঠ দিয়াৰ পূৰ্বে তেওঁলোকক শিক্ষিত কৰি তুলিব লাগিব, আৰু তেওঁলোকক দাৰিদ্ৰ্যৰ পৰা মুক্ত কৰিব লাগিব।

যি কি নহওঁক, স্বামীজীয়ে এইবাৰ বিবেকানন্দ নাম লৈ আমেৰিকা পালেগৈ। আমেৰিকাৰ চিকাগো চহৰত তেওঁ ধৰ্মীয় সংসদত যোগদান কৰিলে। আমেৰিকা পোৱাৰ পাচতো তেওঁৰ বিপদৰ অন্ত নাছিল। অৱশেষত হাৰ্ভাদ বিশ্ববিদ্যালয়ৰ অধ্যাপক জন হেনৰি ৰাইটৰ (John Henry Wright) উদ্যোগত স্বামীজীয়ে উক্ত সন্মিলনত অংশ গ্ৰহণ কৰাৰ সুবিধা লাভ কৰিলে।

সেইদিনাখন ১১ চেপ্তেম্বৰ ১৮৯৩। সন্মিলন ১০ বজাৰ পৰা আৰম্ভ হ'ল যদিও; স্বামীজীয়ে ভাষণ আগবঢ়াব পাৰিলে আবেলিৰ ভাগতহে। তেওঁ ইংৰাজী ভাষাতেই তেওঁৰ ভাষণ আৰম্ভ কৰিলে। সন্মিলনত সৰহভাগেই লিখিত ভাষণ পাঠ কৰিছে। স্বামীজীয়ে আকস্মিকভাৱেই তেওঁৰ বক্তব্য দাঙি ধৰিলে ইংৰাজী ভাষাত। তেওঁৰ ভাষণৰ সূচনা এনেধৰণৰ ঃ Sisters and Brothers of America, ভাষণৰ এনে দৰদী সম্বোধন শুনিয়েই সভাঘৰৰ সকলোৱে অভিভূত হৈ গ'ল। পিছদিনাখন আমেৰিকাৰ অনেক বাতৰি কাকতত স্বামীজীৰ ইংৰাজী ভাষণ সম্পৰ্কে প্ৰশস্তিসূচক বাতৰি প্ৰকাশিত হ'ল।

স্বামীজীয়ে ভাষণত কি ক'লে সেয়া আছিল অতি গুৰুত্বপূৰ্ণ। তেওঁ ইংৰাজী ভাষাৰে যেনেদৰে নিজৰ বক্তব্যক আগবঢ়াই আমেৰিকাবাসী তথা পৃথিৱীৰ সমূহ জনগণৰ সন্মুখত ৰাখিলে, সেইয়া দৃষ্টান্তমূলক। ভাৱ আৰু ভাষাৰ সমান্তৰাল অগ্ৰগতি অবিহনে সেয়া সম্ভৱ নহ'লহেঁতেন। তেওঁৰ ইংৰাজী ভাষণৰ দুই এটি অংশ এই লেখাত উদ্ধৃত কৰা হ'ল।

এফালে তেওঁ হিন্দু ধৰ্মৰ প্ৰাচীনত্ব আৰু দাৰ্শনিক উচ্চতাৰ কথা সগৌৰৱেৰে কৈছে আৰু লগতে বিশ্বৰ অইন অইন ধৰ্মীয় আদৰ্শৰ প্ৰতি ভাৰতীয় ধৰ্মাদৰ্শ সহনশীল আৰু গ্ৰহণশীল সেই কথাও তেওঁ তেওঁৰ ভাষণত সুন্দৰকৈ বিবৃত কৰিছে। তেওঁ কৈছে — "I am proud to belong to a religion which has taught the world both tolerance and universal acceptance. We believe not only in universal toleration, but we accept all religions as true."

তেওঁ এই কথাও কৈছে যে, ভাৰতবৰ্ষ এনে এখন দেশ, যিখন দেশত সকলো ধৰ্মৰ সকলো নিষ্পেষিত লোকেই আশ্ৰয় লাভ কৰিছে। ৰোমানসকলে যেতিয়া ইজৰাইলীসকলৰ ওপৰত নিষ্পেষণ আৰম্ভ কৰিছিল, আৰু তেওঁলোকৰ এটি পৱিত্ৰ মন্দিৰ ভাঙি বিধ্বস্ত কৰিছিল, তেতিয়া তেনে নিষ্পেষিত-নিপীড়িত ইজৰাইলীসকলে দক্ষিণ ভাৰতলৈ আহিছিল আৰু তাতেই আশ্ৰয় গ্ৰহণ কৰিছিল।



স্বামীজীয়ে যে কেৱল বক্তৃতামূলক ভাষাৰে কথাবোৰ কৈছিল তেনে নহয়। তেওঁৰ মনত আছিল গভীৰ ইতিহাস চেতনা আৰু মানৱতাবোধ। ইংৰাজী ভাষাত প্ৰদত্ত এনে গভীৰ ভাষণে সমগ্ৰ প্ৰেক্ষাগৃহৰ চৌদিশে, যেন এক যাদুকৰী প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁ বিশ্ব সন্মিলনখনত এইদৰে সুন্দৰ ইংৰাজী ভাষাৰে যুক্তি প্ৰদৰ্শন কৰিছিল যে, প্ৰতিটো জান-জুৰিৰ পানীৰ এক নিজস্ব উৎপত্তিস্থল থাকিলেও, সকলো জান-জুৰি-নদী-মহানদীৰ পানী সাগৰৰ পানীত বিলীন হয়। এনেদৰে প্ৰতিটো ধৰ্মীয় বিশ্বাসৰ প্ৰেক্ষিতত প্ৰতিষ্ঠা লাভ কৰা প্ৰতিটো ধৰ্মীয় পথ বা মতাদৰ্শপ্ৰবাহ ঈশ্বৰৰ শৰণতে সমাপ্তি লাভ কৰে। শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱে কোৱা 'যত মত তত পথ' কথাটোৰ অৰ্থৰ দৰে কোনো ধৰ্মীয় মতেই উপেক্ষণীয় বা বৰ্জনীয় নহয়। তেওঁ কথাখিনি কিমান সুন্দৰ ইংৰাজী ভাষাৰে উপস্থাপন কৰিছে চোৱা যাওক। উদাত্ত কণ্ঠেৰে কৈছে— "As the different streams having their sources in different places all mingle their water in the sea, So, O Lord the different paths which men take through different tendiencies, various though they appear, crooked or straight all lead to thee."

এনেকুৱা সুন্দৰ ইংৰাজী ভাষাৰ গঠন আৰু উপস্থাপনশৈলী কেৱল প্ৰশংসাৰ যোগ্যই নহয় বৰঞ্চ এনে ভাষণে এটা জাতিৰ চেতনাবোধকো যথাযথ উপস্থাপন কৰিব পৰা বিধৰ। এনে ভাষণৰ অন্তৰালত যেন স্বামীজীৰ কণ্ঠ আৰু ভাষাৰে কোনো এক অদৃশ্য ঐশ্বৰিক শক্তিয়েহে সক্ৰিয়ভাৱে নিজৰ অৱস্থিতি প্ৰতিষ্ঠা কৰিছিল।

১১ চেপ্তেম্বৰৰ প্ৰথম ইংৰাজী ভাষণৰ পিছতো তেওঁ সন্মিলনত (১৫ চেপ্তেম্বৰ' ৯৩, ১৯ চেপ্তেম্বৰ' ৯৩, ২০ চেপ্তেম্বৰ' ৯৩, ২৬ চেপ্তেম্বৰ' ৯৩, ২৭ চেপ্তেম্বৰ' ৯৩) একাধিক বক্তৃতা প্ৰদান কৰিছে। এনে প্ৰতিটো ভাষণতেই তেওঁৰ ইংৰাজী ভাষাৰ ওপৰত থকা দখল বা বুৎপত্তি অতি স্পষ্ট। এটা ভাষাৰ ওপৰত কতৃত্ব নাথাকিলে সেই ভাষাৰে অভীষ্ট সাধন অসম্ভৱ। স্বামী বিবেকানন্দ এই ক্ষেত্ৰত অনন্য প্ৰতিভাৰ অধিকাৰী।

তেওঁৰ ইংৰাজী ভাষাক আলোচনা কৰিবলৈ হ'লে তিনিটা মূল স্তৰত আলোচনা কৰিব লাগিব। প্ৰথম তেওঁৰ মৌখিক ভাষণাৱলী। দ্বিতীয়তে, তেওঁ ইংৰাজী নিবন্ধাৱলী, তৃতীয়তে, তেওঁৰ ইংৰাজী কবিতা। তিনিওটি ক্ষেত্ৰতেই স্বামীজীৰ অবাধ বিচৰণ। যিটো সময়ত ভাৰতবৰ্ষত ভাৰতীয় লোকৰ দ্বাৰা ইংৰাজী ৰচনাৰাজিৰ সূচনা ঘটিল, তেতিয়াৰ পৰাই ভাৰতীয় সাহিত্যও এক আধুনিকতাৰ ফালে অগ্ৰসৰ হ'ল।

আধুনিকতা কেৱল ইংৰাজী ভাষাত লিখা মেলাৰ বাবেই হোৱা নাই। আধুনিকতাৰ বা-বতাহ চৌদিশৰ পৰাই আহিছে। দেশৰ চৌদিশে, বিশেষকৈ বংগ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত, নৱজাগৰণৰ (Renaissance) পৰিৱেশ সক্ৰিয় হৈ উঠিল। এই নৱজাগৰণৰ বাটকটীয়া ভূমিকা নিৰ্বাহ কৰা বংগীয় সন্তানসকলৰ ভিতৰত ৰাজা ৰামমোহন ৰায় (১৭৭২-১৮৩৩)ৰ নাম প্ৰথম শাৰীত। প্ৰতিগৰাকী সচেতন লোকেই ইংৰাজ জাতিটোৰ মানসিকতা আৰু কৰ্মদক্ষতাৰ উমান পাবলৈ ইংৰাজী ভাষা শিকিবই লাগিব বুলি সজোৰে ঘোষণা কৰিছিল। কেৱল সেয়াই নহয়, ইংৰাজ বুদ্ধিজীৱিসকলৰ সক্ৰিয় আৰু বৌদ্ধিক উপস্থিতিও তেওঁ বাঞ্ছা কৰিছিল দেশবাসীৰ মানসিকতাৰ উত্তৰণৰ স্বাৰ্থতেই। ৰাজা ৰামমোহন ৰায়ে এনেদৰে মন্তব্য কৰিছিল — "to make natives of this country good English scholars and that to this end, our efforts ought to be directed." ( Indian writing in English, lyengar, R. R. Srinivas, Sterling).

ৰামমোহন ৰায় ইংৰাজী ভাষা শিক্ষাৰ ক্ষেত্ৰত একমাত্ৰ প্ৰবক্তা আছিল তেনে নহয়। ইংৰাজী ভাষাৰে ভাৰতীয় চিন্তা-চৰ্চা আৰু দাৰ্শনিক আদৰ্শক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত তদানীন্তন কালত যিসকল লোকৰ অনবদ্য অৱদান আছিল সেইসকলৰ ভিতৰত হেনৰি দেৰাজিঅ (Henry Louis Vivian Derozio - ১৮০৯), কালীপ্ৰসাদ ঘোষ (১৮০৯-১৮৭৩ আৰু মাইকেল মধুসূদন দত্ত ১৮২৭-১৮৭৩ ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। পৰৱৰ্তী প্ৰৱন্ধৰ প্ৰৱক্তা হিচাপে ঋষি অৰবিন্দ আৰু স্বামী বিবেকানন্দৰ নাম বিশেষভাৱে উল্লেখযোগ্য। দুয়োজনৰে ইংৰাজী ভাষাই সমগ্ৰ বিশ্ববাসীৰ হৃদয়-মন বৌদ্ধিকভাৱে জয় কৰাৰ সাধু প্ৰয়াস কৰিছিল। তেনে প্ৰচেষ্টাৰ দ্বাৰা, বিশ্ববাসীৰ ওচৰত আমি ভাৰতীয়সকলে, আমাৰ চিন্তাজগতৰ পৰিধি সম্প্ৰসাৰিত কৰাৰ এক সুবৰ্ণ সুযোগ লাভ কৰিছো।

স্বামীজীয়ে ভাৰতবৰ্ষৰ বাহিৰত দেশ ভ্ৰমণ কৰিছে। তেনে প্ৰতিখন দেশতে তেওঁ ইংৰাজী ভাষাতেই ভাৰতীয় ধৰ্মাদৰ্শ, ইতিহাস, সমাজতত্ব, অৰ্থতত্ব আদি বিষয়ৰ ওপৰত অনেক বক্তৃতা প্ৰদান কৰিছে। তেনে প্ৰতিটো বক্তৃতাই যে আমাৰ সন্মুখত সহায় হৈ আছে নে নাই, সেই কথাও বিবেচনাযোগ্য। কিন্তু, এই কথাও সমানেই নিশ্চিত যে, স্বামীজীয়ে

কিছুমান বক্তৃতা লিখিত ৰূপতো দিছে। তেনে বক্তৃতাবোৰৰ পাঠ সুন্দৰকৈ সংৰক্ষিত। যিবোৰ বক্তৃতা-ভাষণ লিখিতভাৱে দিয়া হোৱা নাছিল, তেওঁৰ অনুৰাগীসকলে তেনে অলিখিত ভাষণবোৰ লিখিত ৰূপত সংৰক্ষিত কৰিছে। উদাহৰণস্বৰূপে, স্বামীজীয়ে চিকাগোত দিয়া বক্তৃতা তেওঁ লিখিতৰূপত দিয়া নাছিল। সেই ঐতিহাসিক ভাষণ আছিল অলিখিত, আকস্মিক। সেই বক্তৃতাৰ লিখিত ৰূপ আজি সকলোৰে বাবে প্ৰাপ্য।

স্বামীজীয়ে আমেৰিকাৰ বিভিন্ন স্থানত দিয়া বক্তৃতাসমূহৰ লগতে অনুৰাগীসকলৰ স'তে হোৱা আলোচনাসমূহৰ বৃহৎ অংশ ইদা আনচেল (Ida Ansell) নামৰ অনুৰাগী এগৰাকীয়ে 'ছৰ্ট হেণ্ড'ত লিপিবদ্ধ কৰি ৰাখিছিল। পাচলৈ সেই 'ছৰ্ট হেণ্ড'ত ৰখা কথাবোৰ 'লং হেণ্ড'ত সংৰক্ষিত কৰাৰো ব্যৱস্থা হ'ল। তেনেবোৰ লেখাৰ 'কপিৰাইট' কেলিফৰ্ণিয়াৰ বেদান্ত ছোচাইটিৰ দ্বাৰা সংৰক্ষিত।

তেওঁৰ মূল ইংৰাজী ভাষণসমূহ বিভিন্ন পৰ্যায়ত সংৰক্ষিত। তেনে ৰচনাসমূহৰ কিয়দংশ আমি উদ্ধৃতিৰ ৰূপত প্ৰদৰ্শন কৰিব খুজিছো। তেওঁৰ ইংৰাজী ৰচনাৰ এক সম্পূৰ্ণ নিজস্ব ষ্টাইল আছে। তেনে ষ্টাইলৰ ভিতৰ আছে নাটকীয়তা, বাৰ্তালাপী ভাষাৰ উপস্থাপন, লোকজীৱনৰ লগত ৰজিতা খোৱা উদাহৰণ, প্ৰয়োজনসাপেক্ষে চুটি চুটি বাক্য, আৰু সুন্দৰ সুন্দৰ উদ্ধৃতি।

১৯০০ চনৰ ৪ জানুৱাৰী তাৰিখে স্বামীজীয়ে আমেৰিকাৰ 'লচ্ এনজেল্চ'ত কৰ্ম সংস্কৃতি সম্পৰ্কে এটি ভাষণ দিছিল। ভাষণটি দীঘলীয়া। ভাষণটি তেওঁ প্ৰথম পুৰুষতেই আৰম্ভ কৰিছে — "One of the greatest lessons I have learnt in my life is to pay as much attention to the means of work as to its end" (Work and its Secret; Complete works of Swami Vivekananda, Advaita Ashrama, Calcutta, vol-2, p-1).

স্বামীজীয়ে একোটি লেখাত এইবুলি লিখিছে যে, আমি স্বৰূপাৰ্থত একোগৰাকী ভিক্ষাৰীহে। আমি যে ভিক্ষাৰী সেই কথা আমি উপলব্ধি নকৰো। কথাখিনি অতি মুক্তভাৱেই লিখিছে — "We are all beggars. Whatever we do, we want a return. We are all traders. We are traders in life, we are traders in virtue, we are traders in religion. And alas! We are also traders in love." (Ibid, vol.-2,p-4). (ঐ)

এনে ব্যৱসায়িক মানসিকতাৰ পৰা স্বামীজীয়ে মানুহক — আমাক অব্যাহতি ল'বলৈ উপদেশ দিছিল তেওঁৰ একোটি লেখাৰ মাজেৰে। তেওঁ লিখিছে — "Ask nothing : want nothing in return. Give what you have to give; It will come back to you." (Ibid, vol.-2,p-5).

ইতিমধ্যেই স্বামীজীয়ে ভাৰতীয় দৰ্শনৰ মূল কথাবোৰৰ বিষয়ে অতি পদ্ধতিগতভাৱে লিখিছে। তেনেবোৰ লেখাৰ মাজেৰে অনেক জটিলৰ পৰা জটিলতম কথাবোৰো সহজ, সৰল আৰু বোধগম্য ৰূপত উপস্থাপিত হৈছে। বৈদান্তিক দৰ্শনৰো মূল কথাবোৰ তেওঁ সৰল-সহজভাৱে সাধাৰণ পাঠক-শ্ৰোতাৰ বাবেও বোধগম্য কৰি তুলিছে। উদাহৰণস্বৰূপে, ভাৰতীয় ধৰ্মাদৰ্শৰ এটি অতি চৰ্চিত-বিশ্লেষিত 'ভক্তি', 'ভক্তিযোগ' শব্দকেইটিৰ তাৎপৰ্য্য সম্পৰ্কে আজিও পণ্ডিতসকলৰ মাজত মতান্তৰ লক্ষ্যণীয়। স্বামীজীয়েও এনে মতান্তৰৰ কথা অনুভৱ নকৰাকৈ থকা নাছিল। সেই প্ৰেক্ষিততেই তেওঁ এটি

সৰল-সহজ ব্যাখ্যা দিবলৈ যত্ন কৰি কৈছে —

“Bhakti-Yoga is a real, genuine scarch after the Lord, a search beginning, continuing, and ending in love. One single moment of the madness of extreme love to God brings us eternal freedom... when a man gets it, he loves all, hates none; he becomes satisfied for ever : This love cannot be reduced to any earthly benefit, because so long as worldly desires last, that kind of love does not come;" (Ibid, vol-3, p-31)

কথাখিনি বিশ্লেষণ কৰিবলৈ গৈ তেওঁ পুনৰ লিখিছে যে “Bhakti is greater than karma, greater than Yoga, because these are intended for an object in view, while Bhakti is own fruition, its own means, and its own end." (Ibid, vol-3, p-31-32)

ভক্তি সম্পৰ্কে তেওঁ একাধিক স্থানত লিখিছে, একাধিক স্থানত কৈছে। লাহোৰত তেওঁ ভক্তি সম্পৰ্কে টীকা টীপনী কৰিবলৈ এৰা নাই। ঈশ্বৰৰ কৰুণাৰ বাবে ভিক্ষা কৰাজনো প্ৰকৃত ভক্ত হ'ব নোৱাৰে বুলি তেওঁ মন্তব্য কৰিছে। ভক্তি সকলো ইতিবাচক বা নেতিবাচক ধ্যান-ধাৰণাৰ উৰ্ধত। ঈশ্বৰক বুজিবলৈ গ'লেই বিপদ। যি ঈশ্বৰে আমাক সকলোখিনি দিয়াৰ বাবে প্ৰস্তুত, তেওঁৰ ওচৰত ভিক্ষা কৰিবলৈ গ'লেই বিপদ। আমি খোজাখিনিহে হয়তো পাব পাৰো; কিন্তু ঈশ্বৰে স্বইচ্ছাৰে দিব খোজাখিনি নাপাও। স্বামীজীয়ে কৈছে যে, এগৰাকী প্ৰকৃত ভকতে ঈশ্বৰক এইদৰে ক'ব লাগে যে ‘ঈশ্বৰ আমি তোমাৰ পৰা একা নিবিচাৰো। কিন্তু আমি তোমাক আমাৰ সকলোখিনি দিবলৈ প্ৰস্তুত। স্বামীজীয়ে কৈছে, "I do not want anything from you, Lord, but if you need anything from me I am ready to give." (Ibid, vol-3, p-392)

লাহোৰত স্বামীজীয়ে এটা সুন্দৰ বক্তৃতা ইংৰাজী ভাষাতেই প্ৰদান কৰিছিল। ভাষণটো দীঘলীয়া। ভাষণৰ অংশ তিনিটা— (১) The common Bases of Hinduism, (২) Bhakti আৰু (৩) Vedanta। এই তিনিওটা কথাকেই তেওঁ হিন্দুদৰ্শনৰ প্ৰকৃত প্ৰেক্ষাপট বুলি যুক্তি দৰ্শাইছে। বেদান্ত সম্পৰ্কে কোৱা কথাখিনিৰ সূচনা বাক্যকেইটি চোৱা হওঁক। তেওঁ কৈছে— "Two worlds there are in which we live, one the external, the other internal... the Indian mind had to fall back, and the research took a different direction altogether; from the external the search come to the internal, from matter to mind. (Ibid, vol-3, p-393-394)

কথাখিনি ক'বলৈ গৈ তেওঁ ভাষাক আৰু গভীৰতৰ কৰিবলৈ প্ৰয়াস কৰিছে। ওপৰৰ কথাখিনিক আৰু সৰল, অথচ গভীৰ কৰি দেখুৱাবলৈ তেওঁ কোৱা কথাখিনি চোৱা হওঁক। তেওঁ ক'বলৈ যত্ন কৰিছে যে, মানুহৰ অনেক প্ৰশ্নৰ উত্তৰ বাহ্যিক জগততেই উপলব্ধ। কিন্তু মানুহৰ হৃদয়-মনত এনে হাজাৰটা প্ৰশ্ন আছে যাৰ উত্তৰ পাবলৈ মানুহ অন্তৰমুখী হ'ব লাগিব। তেওঁ কৈছে "Here (উপনিষদত) we find at once that spiritual things are told not in the language of matter, but in the language of the spirit." (Ibid, vol-3, p-394)

স্বামীজীৰ বহুত লেখা পূৰ্বপ্ৰস্তুতিৰে উপস্থাপিত। এয়া তেওঁৰ জীৱনৰ শেষৰ অংশৰ

ফালেহে দৰ্শিত। তেওঁৰ এনে কিছু লেখা আছে যিবোৰ ভাষণৰ ৰূপত প্ৰস্তুত কৰা হৈছে। তেনেবোৰ লেখা গভীৰ ইতিহাস অধ্যয়ন অবিহনে সম্ভৱ নহ'লহেঁতেন। তেনেবোৰ লেখাত স্বামীজীৰ গভীৰ অধ্যয়ন আৰু অনুশীলনৰ ব্যাপ্তি যিকোনো পাঠকৰ দৃষ্টি এৰাই নাযায়। কোনো এটা বিষয়ৰ বিষয়ে লিখিবলৈ বা ভাষণ দিবলৈ যাওতে তেওঁ কোনোটো কথাকেই উপৰুৱা দৃষ্টিৰে চাব বা উপস্থাপন কৰিব খোজা নাই। একোটি বিষয়ৰ প্ৰতিটো বুনিয়াদী কথাই তেওঁ বিস্তৃতভাবে অনুশীলন কৰিছে। বহু সময়ত নিজৰ যুক্তিক প্ৰতিপন্ন কৰিবলৈ তেওঁ তুলনামূলক পদ্ধতিও গ্ৰহণ কৰিছে। তুলনামূলক কথাবোৰে তেওঁ আগবঢ়াব খোজা ধ্যান-ধাৰণাক অধিক স্বচ্ছ আৰু যুক্তিনিষ্ঠ কৰিছে। উদাহৰণস্বৰূপে, আমি স্বামীজীয়ে আমেৰিকাৰ কেলিফৰ্ণিয়াৰ পাছাদেনা চহৰৰ শ্বেক্সপিয়াৰ ক্লাবত দিয়া (ফেব্ৰুৱাৰী ২, ১৯০০) বিশেষ ভাষণ এটাৰ কথা উল্লেখ কৰিব পাৰি। ভাষণৰ বিষয় 'বৌদ্ধ ভাৰত' (Buddhistic India)।

বৌদ্ধ ধৰ্মৰ জন্ম ভাৰতবৰ্ষত। কিন্তু ভাৰতত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ পূৰ্বতে আছিল যদিও পাছলৈ বিভিন্ন ঐতিহাসিক আৰু সামাজিক কাৰণত সেয়া স্তিমিত হ'ল। কাৰণসমূহ বিশ্লেষণ কৰিবলৈ যাওঁতে স্বামীজীয়ে বেদৰ কথাও প্ৰসংগলৈ আনিছে। বাইবেলৰ প্ৰসংগও আনিছে। তেওঁ লিখিছে যে, ভাৰতবৰ্ষ বৌদ্ধধৰ্মৰ জন্মস্থান হ'লেও, সেই জন্মস্থানত বৌদ্ধধৰ্মৰ বিলুপ্তি। কথাখিনি স্বামীজীয়ে এইদৰে লিখিছে— "But in India this gigantic child was absorbed, in the long run, by the mother that gave birth, and today the very name Buddha is almost unknown all over India." (Ibid, Vol-3, p-512)

এনে হোৱাৰ কাৰণসমূহো তেওঁ ফঁহিয়াই আলোচনা কৰিছে। নিজৰ বক্তব্যক কেনে ভাষাৰে উপস্থাপন কৰিলে অৰ্থবহ হ'ব আৰু শ্ৰোতামণ্ডলি বৌদ্ধিকভাৱে উপকৃত হ'ব সেই কথা স্বামীজীয়ে নুবুজাকৈ থকা নাই। সেইবাবে নিজৰ ভাষাক গণমুখী কৰাৰ উপৰিও বৌদ্ধিক ভাবেও যাতে নিজৰ স্থিতিৰ পৰা ম্লান হ'ব নালাগে সেই দিশটোৰ প্ৰতিও স্বামীজীয়ে সজাগ আছিল। তদুপৰি ইংৰাজী ভাষাৰ ওপৰতো তেওঁৰ আছিল বিশেষ কৰ্তৃত্ব আৰু প্ৰেম। ভাষাৰ ওপৰত স্বামীজীৰ বিশেষ দখল নাথাকিলে তেওঁৰ বক্তৃতা বা ৰচনাসমূহৰ প্ৰভাৱো শ্ৰোতাৰ বা পাঠকৰ ওপৰত ইমান গভীৰভাৱে নপৰিলেহেঁতেন।

ৰাজহুৱা ভাষণবোৰৰ উপৰিও স্বামীজীয়ে অনেক নিৱন্ধও লিখিছে ইংৰাজী ভাষাতেই। তেনে নিৱন্ধবোৰ অতি উচ্চস্তৰত, উচ্চভাবাদৰ্শেৰে নিমজ্জিত। আমি দুটিমান উদাহৰণ দিব পাৰো। মানুহৰ চিন্তা জগতত বিৰাজ কৰা বৈপৰিত্যসমূহৰ বিষয়ে তেওঁ Struggle for Expansion নামৰ এটি নিৱন্ধত লিখিছে ঃ "The old dilemma whether the tree precedes the seed or the seed the tree, runs through all our forms of knowledge..." (Ibid, vol-8, p-145) অনেক সময়ত তেওঁৰ ভাষা চিত্ৰকল্প। তেওঁৰ উপস্থাপন ৰীতিয়ে পাঠকৰ মনত এক বৌদ্ধিক জোকাৰণি সৃষ্টি কৰাটো বিশেষভাৱে লক্ষণীয়।

The Birth of Religion নামৰ এটি নিৱন্ধত তেওঁ লিখিছে যে মানুহৰ অৱস্থিতি সম্পৰ্কে মনত জাগ্ৰত হোৱা মৌলিক বা 'elemental' প্ৰশ্নবোৰৰ মাজতেই ধৰ্মৰ বীজ নিহিত। মানুহৰ জন্ম হয়, মানুহৰ মৃত্যু হয়। মৃত্যুৰ পিছত মানুহজনে ক'লৈ যায়? এনে ধৰণৰ প্ৰশ্নৰ উত্তৰৰ অন্বেষণেই ধৰ্মৰ প্ৰাথমিক স্তৰ।

তেওঁ লিখিছে — "Therefore in the most ancient language of the world death is always expressed by some sort of going. This is the beginning of religion. Thus the primitive man was searching everywhere for a solution of his difficulty – where do they all go?" (Ibid, vol-8, p-148)

স্বামীজীয়ে তেওঁৰ অনেক বাংলা ৰচনা স্বয়ং ইংৰাজীলৈ অনুবাদ কৰিছে। বিশ্বৰ অইন অইন পাঠকসকলৰ বাবে তেনে কৰিবলৈ যাওঁতে তেওঁ বহুত সময়ত উজুটিও খাইছে। অনুবাদ কৰ্ম নিশ্চিতভাৱে এক জটিল কাম। কিন্তু তেওঁৰ অনুবাদ কৰ্মও অনন্য। উদাহৰণস্বৰূপে, Thomas a Kempis ৰ লিখা 'The Imitation of Christ' কিতাপনখন তেওঁ নিজেই ইংৰাজীৰ পৰা বাংলালৈ অনুবাদ কৰিছে। নিজৰ অনুবাদ কৰ্মৰ বিষয়ে তেওঁ মন্তব্য কৰিছে ঃ "I have tried to make the translation as literal as possible, but I cannot say how far I have succeeded." (Ibid, vol-8, p-161).

ইংৰাজী ভাষাৰ এগৰাকী বিশিষ্ট কবি হিচাপেও স্বামীজীৰ উপস্থিতি মন কৰিবলগীয়া। কাব্যিক চেতনা তেওঁৰ হৃদয়-মনত বিৰাজ কৰিছে অন্তঃমণিৰ প্ৰবাহৰ ৰূপত। আমোদজনক কথা, তেওঁ অনেক পত্ৰালাপ কবিতাৰ মাজেৰেও কৰিছে। এনে পৰ্যায়ৰ কাব্যিক পত্ৰালাপ সাধাৰণতে আমাৰ চকুত নপৰে। স্বামীজীৰ এনে পত্ৰালাপ বা আন আন কবিতাবোৰৰ মাজত দাৰ্শনিক প্ৰভাৱ সকলোৰে ওপৰত অতি গভীৰভাৱে অনুভূত।

তেওঁৰ 'Kali the Mother' নামৰ কবিতাটো এক বিশেষ কবিতা। কবিতাটোত ধ্বংস আৰু বিধ্বস্তৰ এক জীৱন্ত স্ত্ৰীৰ বৰ্ণনা আছে। মা কালীৰ আগমনত প্ৰকৃতি জগতত কেনে পৰিৱৰ্তন আহিব পাৰে তাৰ এক বৰ্ণনাই কবিতাটোৰ বিষয়বস্তু। তত্ৰাচ, মা কালীক আহিবলৈ কাতৰ আহ্বান জনাই কবিতাটোৰ আৰম্ভণিতেই তেওঁ লিখিছে —

The stars are blotted out,
The clouds are covering clouds,
It is darkness vibrant, sonant.
In the roaring, whirling wind
Are the souls of a million lunatics
Just loose from the prison-house,
Wrenching trees by the roots,

প্ৰাকৃতিক জগতত সংঘটিত হোৱা এই পৰিৱৰ্তনৰ পিছতেই তেওঁ মাতৃ কালীক আহ্বান কৰিছে —

Dancing mad with joy
Come, Mother, come!
For Terror is thy name,
Death is in thy breath,
And every shaking step
Destroys a world for e'er.

জগতত বিৰাজ কৰা কথা অপশক্তিক পৰাভূত কৰিবলৈ মা কালীৰ আগমনৰ প্ৰয়োজনৰ কথা তেওঁ অনুভৱ কৰিছে।

'The Song of The Sannyasin' কবিতাটো এটি দীঘল কবিতা। মুঠ তেৰটা স্তৱকেৰে ৰচিত কবিতাটোত এগৰাকী সন্যাসীৰ জীৱনচৰ্যাক লগতে জ্ঞান আৰু সত্যানুসন্ধানীৰ মনোবৃত্তিৰ এখন সুন্দৰ ছবি দাঙি ধৰা হৈছে। প্ৰতিটো স্তৱকৰ তলত সন্ন্যাসীৰ জীৱনৰ উদ্দেশ্যৰ কথা ক'বলৈ গৈ লিখিছে— "Om Tat Sat, Om!"

কবিতাটোত এগৰাকী সন্যাসীয়ে কেনেকৈ

জনসমাজৰ পৰা নিলগত থাকি সত্যানুসন্ধান কৰে আৰু প্ৰকৃতিৰ সৌন্দৰ্য্য-শোভাৰ স'তে একত্ব হৈ জীৱন নিৰ্বাহ কৰে তাৰ এখন চিত্ৰকল্প ছবি দাঙি ধৰা হৈছে। তেওঁ লিখিছে —

Strike off thy fetters ! Bonds that bind thee down

Of shining gold, or darker, baser ore;

Love, hate–good, bad–and all the dual throng,

এগৰাকী সন্ন্যাসীৰ জীৱনৰ একমাত্ৰ ব্ৰত হ'ব বন্ধনমুক্তি। শিকলিডাল সোণৰ হ'লেও তেনে শিকলিও বন্ধনৰ কাৰণ হ'ব পাৰে। তেওঁ লিখিছে—

For fetters, though of gold, are not less strong to bind;

Then off with them, Sannyasin bold! Say–"Om Tat Sat Om!"

'My Play Is Done' নামৰ কবিতটোত স্বামীজীৰ জীৱনচৰ্চা বৰ্ণিত। কিমান কষ্টস্বীকাৰ কৰি হ'লেও তেওঁ নিজৰ মহৎ উদ্দেশ্যক মানৱজাতিৰ কল্যাণৰ বাবে আগবঢ়াই নিব লগীয়া হৈছিল তাৰ সজীৱ বৰ্ণনাই কবিতাটোৰ নিৰ্যাস। তেওঁ লিখিছে—

Ever rising, ever falling with the waves of time,
still rolling on I go
From fleeting scene to scene ephemeral,
With life's currents' ebb and flow.

স্বামীজীৰ স্বদেশ প্ৰেমৰ কথা কৈ শেষ কৰিব নোৱাৰি। তেওঁ তেওঁৰ হৃদয়-মনত জাগ্ৰত হৈ থকা স্বদেশ প্ৰেমৰ কথা বিভিন্ন লেখাত প্ৰকট কৰিছে। এটি ইংৰাজী কবিতাৰ মাজেৰেও তেওঁ তেওঁৰ ভাৰতপ্ৰীতিৰ কথা সুন্দৰকৈ বেকত কৰিছে। কবিতাটোৰ নাম 'To the Awakened India'। তেওঁৰ দৃষ্টিত ভাৰতবৰ্ষ এতিয়া নিদ্ৰামগ্ন, মৃত নহয়। তেওঁ ভাৰতবৰ্ষক নিদ্ৰামুক্ত হ'বলৈ আহ্বান জনাইছে—
Once more awake!

For sleep it was, not death, to bring thee life
Anew and rest to lotus-eyes for visions
Daring yet. The world in need awaits, O Truth!
No death for thee!

কবিতাটোৰ মাজেৰে তেওঁ এই কথাও ক'ব খুজিছে যে, বিশ্ববাসীৰ বাবেও ভাৰতীয় আদৰ্শৰ অনিবাৰ্যতা আছে। ভাৰতবৰ্ষই কেৱল ভাৰতবাসীকেই নহয়, বিশ্ববাসীকে অনুপ্ৰেৰণা প্ৰদান কৰিব লাগিব।

এইদৰে স্বামীজীৰ অনেক লেখা। সৰহভাগ লেখাই ইংৰাজীত। তেওঁ বাংলা ভাষা গ্ৰহণ কৰিলেও তেওঁ তেওঁৰ জীৱনৰ এক বৃহৎ অংশ এগৰাকী পৰিভ্ৰমণকাৰী সন্ন্যাসী হিচাপে বিশ্বৰ অনেক ঠাই পৰিভ্ৰমণ কৰিছে। বিশ্বৰ বিভিন্ন ভাষা-ভাষী তথা জনগোষ্ঠীৰ লগত তেওঁ ইংৰাজী ভাষাৰেই ভাৱ বিনিময় কৰিছিল। তেওঁৰ ইংৰাজী ভাষাৰ এক নিজস্ব ষ্টাইল বা শৈলী আছে। শব্দচয়নৰ ক্ষেত্ৰতো তেওঁ সঠিক শব্দ সঠিক স্থানত সংযোজন কৰি সঠিক অৰ্থৰ সম্প্ৰসাৰণ ঘটাব পাৰিছে। স্বামীজীৰ সন্মুখত বিশ্ববাসী আজি নতজানু।○

# স্বামীজীয়ে গঢ়া ভাৰতপ্ৰেমিক ভগিনী নিবেদিতা

**ডাঃ বাণী ভট্টাচাৰ্য্য**
অৱসৰপ্ৰাপ্ত চিকিৎসা বিষয়া, কেন্দ্ৰীয় চিকিৎসালয়, এন.এফ.ৰে'লৱে, মালিগাঁও; স্ত্ৰী-ৰোগ বিশেষজ্ঞ
ফোন ঃ ৭৬৩৮০ ৩৪৪৬৮

ধৰ্মসূত্ৰে আইৰিশ ধৰ্মযাজক পিতা চেমুৱেল ৰিচমণ্ড আৰু মাক ইজাবেল ৰিচমণ্ডৰ দুহিতা মিছ্ মাৰ্গাৰেট এলিজাবেথ নোবেল (জন্ম ১৮৬৭ খৃঃ ২৮ অক্টোবৰ) — যিয়ে স্বামী বিবেকানন্দৰ আহ্বানত ভাৰতবৰ্ষৰ সৰ্বাংগীন উন্নতিকল্পে জীৱন দান কৰিছিলে। সেই স্বামীজীৰ মানসকন্যা ভগিনী নিবেদিতাক বৰ্তমান প্ৰজন্মই পাহৰি যোৱাটো উচিত নহয়।

ধৰ্মযাজক পিতা আৰু স্বাধীনতা সংগ্ৰামী মাতামহ হ্যামিলটনৰ আশ্ৰয়ত মাত্ৰ ১০ বছৰ বয়সতে পিতৃহীন হৈ লালিত-পালিত হোৱাৰ ফলত মাৰ্গাৰেটৰ চৰিত্ৰৰ মাজত ধৰ্মৰ প্ৰতি অনুৰাগ, ভক্তি, একনিষ্ঠা আৰু দেশাত্মবোধ জাগ্ৰত হৈছিল।

স্কুলীয়া জীৱন চাৰ্চৰ অধীনত কঠোৰ নিয়মনিষ্ঠা আৰু শৃঙ্খলাৰ মাজেৰে পাৰ হৈছিল। ছাত্ৰীকালত বা পৰৱৰ্তী জীৱনটো পাঠ্যপুথিৰ বাহিৰেও বিভিন্ন বিষয়ৰ কিতাপৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগ আছিল।

পিতৃহীন সংসাৰ প্ৰতিপালনৰ বাবে মাত্ৰ ১৭ বছৰ বয়সতে শিক্ষয়িত্ৰী জীৱনত প্ৰৱেশ কৰিছিল আৰু যথেষ্ট সুনামও অৰ্জন কৰিছিল।

কিন্তু চাৰ্চৰ তথাকথিত ধৰ্মপথত তেখেতে মানসিক শান্তি পোৱা নাছিল। তেখেতৰ বুদ্ধিৰ প্ৰাচুৰ্য্যতা, চিন্তাশীলতা আৰু আনৰ প্ৰতি থকা সহৃদয়তাই তেখেতক সাধাৰণ পৰ্যায়ভুক্ত হ'বলৈ দিয়া নাছিল।

সেই মানসিক দ্বন্দ্বৰ প্ৰাক্কালত ১৮৯৮ খ্ৰীষ্টাব্দৰ নৱেম্বৰ মাহত লণ্ডনৰ এক অভিজাত পৰিয়াল লেডি ইচাবেলৰ ঘৰত (৬৩' চেন্ট জৰ্জেল ৰোড্) তেওঁ প্ৰথম স্বামী বিবেকানন্দক দৰ্শন কৰে। স্বামীজীৰ ধৰ্ম বাখ্যা আৰু দেৱদূতৰ দৰে ব্যক্তিত্বত তেখেত মুগ্ধ হৈছিল। সেই বিষয়ত তেওঁ লিখিছিল— "তেতিয়া সন্ধিয়াৰ স্তিমিত পোহৰ নিশাৰ অন্ধকাৰলৈ মিহলি গৈ আছে। তেওঁ কল্পনাৰে উপস্থিত হৈছে অতীত ভাৰতবৰ্ষৰ আৰ্য্য ঋষিসকলৰ সময়ছোৱাত, কোনোবা এখন তপোবনলৈ। ... তেওঁৰ আহ্বান ধৰ্মৰ নামেৰে, মানুহৰ অন্তৰ্নিহিত দেৱত্বৰ নামেৰে, পৃথিৱীৰ সকলো নৰ-নাৰীৰ কল্যাণ কামনাৰ বাবে। আৰ্য্য ঋষিসকলৰ নিচিনা, দেৱদূতৰ ব্যক্তিত্ব আৰু যি ধৰ্মকথাবোৰ কৈছে সেয়া যেন

কোনা এক সুদূৰ ঐশ্বৰিক ৰাজ্যৰ পৰা ভাহি আহিছে।... মনত এক অদ্ভুত আৱেশৰ সৃষ্টি হোৱা বাবে তেওঁ কৈ আছে— শিৱ, শিৱ...।" ইয়াৰ পিছৰ প্ৰতিটো বক্তৃতানুষ্ঠানতে মিছ্ মাৰ্গৰেটে উপস্থিত আছিল।

স্বকীয় ধৰ্ম জীৱনত যি অন্তৰ্দৃষ্টিৰ সন্ধানত তেখেতে ইমানদিনে দিশহাৰা আছিল—সেই জীৱনৰ সন্ধান তেখেতে পালে। এই ভাৰতীয় সন্নাসীকে তেখেতে গুৰুৰূপে মানি ল'লে। সেই সময়ৰে পৰাই জন্ম হ'ল ভৱিষ্যতৰ ভাৰতপ্ৰেমী ভগিনী নিবেদিতাৰ।

বিবেকানন্দই মিছ্ নোবেলৰ সত্যনিষ্ঠা, চাৰিত্ৰিক দৃঢ়তা আৰু মানৱ দৰদী মনৰ পৰিচয় পালে। ভাৰতৰ নাৰী শিক্ষাৰ প্ৰচেষ্টা বাস্তৱায়িত কৰিবৰ বাবে নিবেদিতালৈ চিঠি লিখিছিল, "ভাৰতৰ বিশেষকৈ নাৰীসমাজক শিক্ষাদানৰ প্ৰচেষ্টা বাস্তৱায়িত কৰিবলৈ পুৰুষতকৈ নাৰীৰ প্ৰয়োজন... একমাত্ৰ প্ৰকৃত সিংহীৰ প্ৰয়োজন... তোমাৰ শিক্ষা, ঐকান্তিকতা, পৱিত্ৰতা, অসীম ভালপোৱা, দৃঢ়তা, সৰ্বোপৰী তোমাৰ ধমনীত প্ৰৱাহিত কেল্টিক (Celtic) তেজৰ বাবে তুমিয়েই ঠিক সেই নাৰী— যাক ভাৰতৰ প্ৰয়োজন।"

কিন্তু এইটোও লিখিছিলে যে, "বিঘিনীও আছে বহুতো। কি যে কু-সংস্কাৰ, কি দাসত্ব, এই দেশত কি যে দুখ, তুমি কল্পনাও কৰিব নোৱাৰিবা... তাৰোপৰি ভীষণ গৰম।... চহৰৰ বাহিৰত সুখ-স্বাচ্ছন্দ্য পোৱাৰ কোনো সম্ভাৱনাই নাই।... কৰ্মত মনোনিৱেশ কৰাৰ আগেয়ে বিশেষভাৱে চিন্তা কৰি চাবা। ... এইবিলাক থকা সত্বেও যদি কামত প্ৰবৃত্ত হ'বলৈ সাহস কৰা, স্বাগত তুমি, শতবাৰ স্বাগত।... মই আমৰণ তোমাক সহায় কৰিম... সেয়া তুমি ভাৰতবৰ্ষৰ বাবে কাম কৰা বা নকৰা।"

স্বামীজীৰ আহবানত ১৮৯৮ চনৰ ২৮ জানুৱাৰীত মিছ্ নোবেল কলিকতাত আহি পাইছিল। স্বয়ং স্বামীজীয়ে জাহাজ ঘাটত তেখেতক অভ্যৰ্থনা জনায়।

ভাৰতত পদাৰ্পণ কৰাৰ পিছত ভাৰতীয় ভাৱধাৰাৰ স'তে পৰিচয় হ'বৰ বাবে আৰু স্ত্ৰীশিক্ষা কাৰ্য্যৰ ভৱিষ্যত কৰ্মপদ্ধতি গ্ৰহণ কৰাৰ পূৰ্বে স্বামীজীয়ে তেখেতক কৈছিলে "তোমাৰ চিন্তা, তোমাৰ ভাৱ, তোমাৰ জীৱন, তোমাৰ অভ্যাস এইবিলাক হিন্দু ভাৱাপন্ন কৰিব লাগিব। ... তোমাৰ জীৱন অন্তৰে-বাহিৰে এগৰাকী ঠিক নিষ্ঠাৱতী হিন্দু ব্ৰহ্মচাৰিণীৰ দৰে হ'ব লাগিব।"

এই উদ্দেশ্য চৰিতাৰ্থ কৰাৰ হেতু ভাৰতীয় ভাৱধাৰাৰ শ্ৰেষ্ঠ আদৰ্শ শ্ৰীশ্ৰীমাসাৰদা দেৱীৰ ওচৰলৈ তেখেতক লৈ যায় (১৭ মাৰ্চ ১৮৯৮ খৃঃ)। এই বিশেষ দিনটোৰ বিষয়ে মিছ নোবেলে তেখেতৰ ডায়েৰীত— 'জীৱনৰ শ্ৰেষ্ঠ দিন (Day of days)' বুলি উল্লেখ কৰিছে। পৰৱৰ্তী জীৱনত মিছ্ নোবেল শ্ৰীমাৰ "প্ৰাণৰ সৰস্বতী", "আদৰৰ খুকী" হৈ উঠে।

নিবেদিতাই দীৰ্ঘ ১৩ বছৰৰ কিছু কম সময় (শেষ সাক্ষাৎ ১১ মে' ১৯১১ খৃঃ) সাৰদা দেৱীৰ সান্নিধ্যত থাকি উপলব্ধি কৰিছিল শ্ৰীমাৰ ঐশ্বৰিক শক্তিৰ মহিমা। সেয়েহে 'মিছ্চে ৰেড্‌ক্লিপ'ক শ্ৰীমা সম্পৰ্কে লিখিছিল, "... আপাতদৃষ্টিত খুবেই সাধাৰণ হিন্দু ৰমণী তথাপিও মোৰ ধাৰণাত বৰ্তমান পৃথিৱীৰ মহত্তমা নাৰী।" শ্ৰীমাৰ স'তে প্ৰথম সাক্ষাতৰ পিছতেই মিছ্ মাৰ্গাৰেট ভাৰতীয় সমাজৰ অৰ্ন্তভুক্ত হৈ গৈছিল।

ইয়াৰ পিছত মিছ্ নোবেলক ১৮৯৮ চনৰ ২৫ মাৰ্চত নীলাম্বৰ বাবুৰ কুটীৰত স্বামীজীয়ে ব্ৰহ্মচাৰিণী মন্ত্ৰৰ দীক্ষা দিছিলে। ভাৰতবৰ্ষৰ ত্যাগ মন্ত্ৰত দীক্ষিত হৈ ভাৰতৰ উন্নতিকল্পৰ কৰ্মত ঈশ্বৰত নিবেদিত হ'ল মাৰ্গাৰেট। সেয়েহে নাম হ'ল নিবেদিতা। সেই দিনটোৰ সম্বন্ধে নিবেদিতাই লিখিছিল, "সেই প্ৰভাতটি জীৱনৰ সৰ্বাপেক্ষা আনন্দৰ প্ৰভাত।" পিছত নিবেদিতাৰ উদ্দেশ্যে স্বামীজীয়ে লিখিছিলে—

"ভৱিষ্যত ভাৰতৰ সন্তানৰ তৰে
সেৱিকা, বান্ধৱী, মাতা তুমি একাধাৰে।"

স্বামী বিবেকানন্দৰ মানস কন্যা— নিবেদিতাই শ্ৰীৰামকৃষ্ণদেৱৰ "বহুজন হিতায়, বহুজন সুখায়" সেৱাব্ৰতৰ আদৰ্শ আৰু ত্যাগৰ মন্ত্ৰক বাস্তৱায়িত কৰিবৰ বাবে নিজৰ জীৱন উছৰ্গা কৰিছিল।

স্বামীজীয়ে নিবেদিতাক কৈছিল, "আমাৰ মিছন(লক্ষ্য) ৰামকৃষ্ণ নহয়, বেদান্তও নহয় — এই জাতিৰ মাজত মনুষ্যত্ব আনি দিয়াৰ বাহিৰে আৰু একো নাই।" তেখেতে আৰু কৈছিল, "মানুহ বিচাৰো, মানুহ বিচাৰো, তাৰ পিছত সকলোখিনি হৈ যাব। বীৰ্য্যৱান, অকপট, তেজস্বী, বিশ্বাসী যুৱকৰ প্ৰয়োজন"। স্বামীজীৰ এই কথা শুনি মিছ্ নোবেলে কৈ উঠিছিল, "মই আপোনাক সহায় কৰিম।"

স্বামীজীৰ মানসকন্যাৰ এই কৰ্মযজ্ঞত সৰ্বাঙ্গীনভাৱে গ্ৰহণ কৰিবলৈ আৰু সেৱাব্ৰতী ভাৰতীয় নাৰী হ'বলৈ নিজকে বহুত অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত হ'বলগীয়া হৈছিল। প্ৰথম কেইমাহ মান সময়ছোৱাত তেওঁ মনে মনে অস্থিৰ হৈ উঠিছিল যে যি উদ্দেশৰ সাধনহেতু নিবেদিতা ভাৰতবৰ্ষলৈ আহিছিল স্বামীজীয়ে সেই সম্পৰ্কে মুঠেও কোনো কথাই নকয় দেখোন।

দৰাচলতে স্বামীজীয়ে বিচাৰিছিল যে নিবেদিতাই একান্তভাৱে নিজকে ভাৰতীয় ভাৱধাৰাক পূৰ্ণাংগভাৱে গ্ৰহণ কৰিহে কৰ্মযজ্ঞত নামক, মনে-প্ৰাণে ভাৰতীয় হওঁক।

ইতিমধ্যে জনসাধাৰণৰ মাজত মাৰ্গাৰেটক পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে স্বামীজীয়ে ১১ মাৰ্চ ১৮৯৮ খৃঃ এটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰিল। মাৰ্গাৰেটৰ পৰিচয় দি কৈছিল, "ইংল্যাণ্ডে আমাক এটি উপহাৰ দিছে — মিছ্ মাৰ্গাৰেট নোবেল। এওঁৰ ওপৰত আমাৰ বহুতো আশা।" স্বামীজীয়ে সেই সভাত মিছ্ নোবেলৰ যোগেদি "ইংল্যাণ্ডত ভাৰতীয় আধ্যাত্মিকতাৰ প্ৰভাৱ"— শীৰ্ষক এটি বক্তৃতা দিয়াইছিল আৰু নিবেদিতাই প্ৰশংসাও বুটলিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত স্বামীজী, নিবেদিতা, স্বামীজীৰ বিশেষ বন্ধু মিছ্ ম্যাকলাউড, সাৰা ওলিবুল, মিছেচ্ প্যাটৰচন আৰু আন দুজন সন্ন্যাসী লৈ হিমালয়লৈ বুলি তীৰ্থযাত্ৰা কৰে— উদ্দেশ্য আছিল ভাৰতবৰ্ষক জনাটো।

এই তীৰ্থযাত্ৰাৰ প্ৰাক্‌কালত আলমোড়াত নিবেদিতাৰ নতুনকৈ শিক্ষা আৰম্ভ হয়। নিবেদিতাই যদিও ভাৰতবৰ্ষক ভাল পাবলৈ ধৰিছিলে, কিন্তু মনে-প্ৰাণে বিলাতি সংস্কাৰৰ পৰা নিজকে মুক্ত কৰিব পৰা নাছিল। বিদেশী দৃষ্টিভংগীৰেই ভাৰতবৰ্ষক বিচাৰ কৰিছিল। ইপিনে নিবেদিতাই ভাৰতবৰ্ষক স্বদেশৰূপে গ্ৰহণ কৰিবই লাগিব আৰু দ্বিতীয়ত আদৰ্শনিষ্ঠ আৰু স্বনিৰ্ভৰশীল হ'ব লাগিব। যদিও নিবেদিতাই স্বামীজীক খুবেই শ্ৰদ্ধা-ভক্তি কৰিছিলে, তথাপি স্বামীজীৰ সকলোবোৰ কথা নিৰ্বিচাৰে মানি লোৱাটো তেতিয়াও তেওঁৰ পক্ষে সম্ভৱ নাছিল।

স্বামীজীয়েও সেইবাবে তেওঁৰ কৰ্মপদ্ধতি সম্পৰ্কে তেতিয়ালৈকে বিশেষ একো উপদেশ দিয়া নাছিল। স্বামীজীয়ে বিচাৰিছিল, নিবেদিতাই স্ব-উপলব্ধিজাত কৰ্মপদ্ধতি গ্ৰহণ কৰক।

মিছ্ ম্যাকলাউডে নিবেদিতাৰ সেই সময়ৰ মনৰ বেদনাৰ কথা স্বামীজীৰ আগত অৱগত কৰে। স্বামীজীয়ে তেতিয়া ম্যাকলাউডক কৈছিল, "... মই অকলে অৰণ্যলৈ গৈ আছো, নিৰ্জনে থকাৰ ইচ্ছা। যেতিয়া ঘূৰি আহিম, শান্তি লৈ আহিম।"

স্বামীজীয়ে নিৰ্জনবাসৰ পৰা ঘূৰি আহি, পাইন গছেৰে পৰিবেষ্টিত নিবেদিতাহঁতৰ বাসগৃহ (ওখলে হাউচ)ৰ পৰা আকাশৰ দ্বিতীয়া তিথিৰ জোনটি দেখি কৈ উঠিল, "মুছলমানসকলে দ্বিতীয়াৰ জোনটোক বিশেষ সমাদৰৰ চকুৰে চায়। আহা, আমিও এই নবীন চন্দ্ৰমাৰ লগত নতুন জীৱন আৰম্ভ কৰো।" সেই মুহূৰ্তত বিদ্ৰোহিনী নিবেদিতাই স্বামীজীৰ চৰণযুগলত নতজানু হ'ল আৰু স্বামীজীয়ে নিবেদিতাৰ শিৰত হাত থৈ হৃদয়ৰ অন্তঃস্থলৰ পৰা আশীৰ্বাদ কৰিলে। সেই মুহূৰ্তৰ পৰাই নিবেদিতাই সৰ্বতোপ্ৰকাৰে গুৰুৰ মনোমত হৈ উঠা লগতে তেওঁৰ আদেশ পালন কৰা শিষ্যাৰ কৰ্তব্য বুলি গ্ৰহণ কৰিলে। বিলাতী ধ্যান-ধাৰণা চুৰ্ণ কৰি সম্পূৰ্ণ স্বামীজীৰ দৃষ্টিভংগীৰেই ভাৰতবৰ্ষক চালে, জানিলে, ভালপালে আৰু লগতে ভৱিষ্যতৰ 'ৰামকৃষ্ণ-বিবেকানন্দৰ' নিবেদিতা হৈ উঠিলে। প্ৰসংগক্ৰমে এটি ঘটনাৰ কথা উল্লেখ কৰা হ'ল। স্বামী বিবেকানন্দই আকৌ হঠাৎ কৈছিল, 'Margot, why do we recite poetry? When nature itself is poetry?" যিজোপা গছৰ তলত স্বামীজীয়ে নিবেদিতাক আশীৰ্বাদ কৰিছিল আলমোড়ালৈ গ'লে সেই বেদী বন্ধোৱা গছজোপা আজিও দেখিবলৈ পোৱা যায়।



নিবেদিতাৰ সপোন আছিলে প্ৰাচ্য-পাশ্চত্যৰ সমন্বয় সাধন কৰা। সেয়ে তেওঁ কৈছিল, "It is a dream of my life to make England and India love each other."

১৮৯৮ চনৰ ১৩ নৱেম্বৰত কলিকতাৰ বাগবজাৰৰ ঘোষপাৰা লেনৰ ১৬ নম্বৰ আবাস গৃহত বিবেকানন্দ আৰু শ্ৰীশ্ৰীমাৰ উপস্থিতিত নিবেদিতাই বালিকা বিদ্যালয় উদ্বোধন কৰিছিলে। সেই সময়ত শ্ৰীমায়ে আশীৰ্বাদ কৰি কৈছিল, "ইয়াৰ পৰাই শিক্ষাপ্ৰাপ্ত বালিকাসকলে আদৰ্শ নাৰী হৈ উঠক।"

স্বামীজীৰ নিৰ্দেশত তেখেতে মঠৰ সন্ন্যাসী আৰু ব্ৰহ্মচাৰী সকলোকেও শিক্ষাদান কৰিছিলে। মঠত নিবেদিতাৰ শিক্ষাদানৰ কাৰ্যতালিকা আছিল— প্ৰতি বুধবাৰে উদ্ভিদবিদ্যা আৰু চিত্ৰবিদ্যা, প্ৰতি শুক্ৰবাৰে শৰীৰ আৰু সূচীকৰ্ম শিল্পৰ শিক্ষা দিয়া।

১৮৯৯ চনত কোলকাতাত প্লেগ বেমাৰ পুনৰ দেখা দিলে। স্বামীজীৰ আদেশ অনুযায়ী নিবেদিতাই এই ৰোগ প্ৰতিৰোধ কৰাৰ দায়িত্ব গ্ৰহণ কৰে। নিজৰ জীৱন বিপন্ন কৰি তেওঁ বাগবজাৰৰ পল্লী অঞ্চল পৰিষ্কাৰ-পৰিছন্নতাৰ বাবে সকলোকে সহায় কৰিছিল।

"প্লেগ আৰু ছাত্ৰসকলোৰ কৰ্তব্য" শীৰ্ষক ভাষণ দি নিবেদিতাই ১৫ জন ছাত্ৰক এই ৰোগৰ সেৱাত যোগদান কৰোৱাইছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে নিবেদিতাৰ নিজৰ জীৱন তুচ্ছ কৰি এই কৰ্মযজ্ঞ দেখি তেওঁক "লোকমাতা নিবেদিতা" বুলি আখ্যা দিছিল। আকৌ পূৰ্ববংগত প্লেগবেমাৰে দেখা দিয়াত তেখেতে অসুস্থ সত্বেও সেৱা কাৰ্য্যত যোগদান কৰিছিল।

ভাৰতবৰ্ষৰ প্ৰকৃত হিতৈষিণী হোৱা বাবে বিশ্ব-দৰবাৰৰ সৰ্বস্তৰত ভাৰতবৰ্ষৰ মৰ্য্যাদা বৃদ্ধি হোৱাটো তেওঁ বিচাৰিছিল। এইবাবে বৈজ্ঞানিক জগদীশচন্দ্ৰ বসুক প্ৰাণপণে সা হায্য কৰিছিল। তেখেতৰ বিখ্যাত গ্ৰন্থ 'Plant response' নিবেদিতাৰ সহায়তে লিখা হৈছিল। জগদীশচন্দ্ৰ বসুৰ পৰিয়ালৰ সঙ্কটময় অৱস্থাত আৰু তেওঁৰ কৰ্মৰাজিৰ প্ৰচাৰ কাৰ্য্যত নিবেদিতাৰ ভূমিকাৰ এক বিশেষ স্বকীয়তা আৰু গুৰুত্ব আছিল। ভগিনী নিবেদিতাই বসু দম্পত্তিৰ লগত হিমালয় ভ্ৰমণ কৰিছিল। নিবেদিতাৰ হিমালয় প্ৰীতি দেখি জগদীশচন্দ্ৰ বসুৱে তেখেতৰ নাম ৰাখিছিল 'হৈমৱতী'।

নিবেদিতাই ভাৰতৰ শিল্পকলাৰ উন্নতিকল্পেও স্বকীয় ভূমিকা গ্ৰহণ কৰিছিল। তেতিয়াৰ সুদক্ষ শিল্পী নন্দলাল বসু, অৱনীন্দ্ৰনাথ ঠাকুৰ, অসিত হালদাৰ, কুমাৰেশ স্বামী এই সকল শিল্পীৰ লগত তেওঁৰ আলোচনা হৈছিল আৰু আলোচনাৰ অন্তত বিদেশী শিল্পকলাক অনুকৰণ নকৰি, ভাৰতীয় শিল্পকলাকে চৰ্চা আৰু প্ৰচাৰ কৰিবলৈ উৎসাহিত কৰিছিল। অজন্তা-ইলোৰাৰ দৰে ভাৰতীয় কলাৰ ঐশ্বৰ্য্যক বিয়পাই দিবলৈ উদ্‌গণি যোগাইছিল। অৱনীনন্দ্ৰ ঠাকুৰে শুভ্ৰবসন পৰিহিত নিবেদিতাক দেখি নামকৰণ কৰিছিল 'মহাশ্বেতা' বুলি।

স্বামীজীৰ ভাৰতপ্ৰেমে তেওঁক উৎসাহিত কৰে। পৰাধীন ভাৰতক মুক্ত কৰাৰ সংকল্পেৰে, সেই সময়ৰ উল্লেখনীয় বহু ৰাজনীতিবিদ আৰু বিপ্লৱীৰ লগত নিবেদিতাৰ যোগাযোগ আছিল। নিবেদিতাই নানাধৰণে তেখেতসকলক সাহায্য কৰিছিলে। শ্ৰীঅৰবিন্দ ঘোষে ভগিনী নিবেদিতাৰ জ্বালাময়ী বক্তৃতা শুনি আৰু বঙ্গ ভঙ্গ আন্দোলনত তেখেতৰ সক্ৰিয় ভূমিকা দেখি তেওঁৰ নাম ৰাখিছিল 'শিখাময়ী'। নিবেদিতাৰ উদ্দেশ্য আছিল স্বামীজীৰ ভাৰতক বিদেশী শাসনমুক্ত কৰা।

স্বামী বিবেকানন্দই বিচাৰিছিল পাশ্চাত্যৰ প্ৰযুক্তিবিদ্যা, ভাৰতবৰ্ষৰ আধ্যাত্মিকতা, পুণ্যকৰ্ম আৰু সেৱাৰ মনোভাব, মুছলমানৰ সংঘবদ্ধতা আদিৰে আগুৱাই যাওঁক এই যুগৰ মানুহ। ভগিনী নিবেদিতাইও বিচাৰিছিল, হিন্দু-মুছলমানৰ মূলগত ঐক্য আৰু বিৰাট ঐক্যবদ্ধ ভৱিষ্যত।

১৯০২ চনৰ ৪ জুলাইত স্বামী বিবেকানন্দৰ পাৰ্থিৱ শৰীৰ আমাৰ চকুৰ পৰা আতৰি গ'ল। কিন্তু তেওঁৰ আদৰ্শ ভাৰতবৰ্ষ তথা বিশ্বৰ সৰ্বত্ৰ বিয়পি আছে। পৰৱৰ্তী জীৱনত ভগিনী নিবেদিতাৰ সমস্ত কৰ্মৰ অনুপ্ৰেৰণা আৰু একমাত্ৰ উদ্দেশ্য আছিল তেওঁৰ গুৰুৰ ভাৰতবৰ্ষ 'জগৎ সভাত শ্ৰেষ্ঠ আসন' লাভ কৰক। স্বামীজীয়ে কৈছিল, — "হে বীৰ, সাহস অৱলম্বন কৰা, সদৰ্পে কোৱা — মই ভাৰতবাসী, ভাৰতবাসী মোৰ ভাই। কোৱা মূৰ্খ ভাৰতবাসী, চণ্ডাল ভাৰতবাসী মোৰ ভাই, মোৰ প্ৰাণ।"

নিবেদিতাই তেওঁৰ গুৰুৰ ভাৰতবৰ্ষক প্ৰাণভৰি ভাল পাইছিল। তেওঁ কৈছিল, "ভাৰতৰ কল্যাণৰ বাবে তোমালোক সকলোৱে জপ কৰা — ভাৰতবৰ্ষ, ভাৰতবৰ্ষ, ভাৰতবৰ্ষ মা, মা, মা।" বিদ্যালয়ৰ

ছাত্ৰীসকলকো সেই জপ-মন্ত্ৰই শিকাইছিল। নিজেও তেখেতে জপমালালৈ জপ কৰিছিল— "ভাৰতবৰ্ষ, ভাৰতবৰ্ষ, ভাৰতবৰ্ষ।" ধ্যানমগ্ন হোৱা সেই অপূৰ্ব দৃশ্য কেতিয়াও পাহৰিব নোৱাৰি। বিদ্যালয়ত তেখেতে 'বন্দে-মাতৰম' গোৱাটোও প্ৰচলন কৰিছিল।

স্বামী বিবেকানন্দৰ এই মানসকন্যাই স্বামীজীৰ দেহাৱসানৰ পিছতো সুদীৰ্ঘ ৯ বছৰ তেখেতৰ গুৰুৰ নিৰ্দেশমতে নিৰলসভাৱে কৰ্ম কৰি গৈছিল। স্বামীজীৰ দৃষ্টিত, 'মানুহৰ সেৱা আৰু ঈশ্বৰ আৰাধনাৰ মাজত কোনো পাৰ্থক্য নাই।' নিবেদিতাইও ভাৰতৰ কল্যাণৰ হেতু আত্মনিবেদিত হৈ নিঃস্বাৰ্থভাৱে নীৰৱে কাম কৰি গৈছিল। জীৱনৰ অন্তিম দিনকেইটা কটাইছিল তেওঁৰ প্ৰিয় হিমালয়ৰ শান্ত-নিৰ্জন পৰিৱেশত — বসু পৰিয়ালৰ 'ৰায় ভিলাত'। শেষ দিন পৰ্যন্ত অভ্যাস অনুযায়ী মালা জপ কৰিছিল।

সেইদিনা আছিল ১১ অক্টোবৰ ১৯১১ চন। মাত্ৰ ৪৫ বছৰ বয়সতে হঠাৎ মুখখন উজ্বলি উঠিল, মৃদুস্বৰে কৈছিল— "The boat is sinking, but I shall see the Sunrise."

হিমালয়ৰ দাৰ্জিলিংত শান্তিতে নিদ্ৰা গৈ আছে ভগিনী নিবেদিতা। যিগৰাকীয়ে নিঃস্বাৰ্থভাৱে তেওঁৰ গুৰুৰ ভাৰতবৰ্ষক সেৱা কৰি গৈছে। আমি সকলোৱে যেন তেখেতক পাহৰি নেযাওঁ। সমাধিক্ষেত্ৰত লিখা আছে, "ইয়াত ভগিনী নিবেদিতাই শান্তিতে নিদ্ৰিত।"

প্ৰবন্ধটো শেষ কৰিছো স্বামী দেৱেন্দ্ৰানন্দ মহাৰাজৰ ৰচিত এটি কবিতাৰ অংশ বিশেষেৰে—

"এই দুৰ্দিনত কোনে আমাৰ প্ৰাণত জ্বলাব অগ্নি—
সৰ্বাংগে দিব পৱিত্ৰতা আৰু ভালপোৱা,
মন্ত্ৰ দিব ভাৰতবৰ্ষ! ভাৰতবৰ্ষ!
একে আৱাস একে আকৃতি আৰু
একে সম্প্ৰীতিৰ পৰাই
উদ্ভৱ হয় জাতীয় সংহতি
আমাৰ এই ধ্যানৰ ভাৰতবৰ্ষৰেই
অইন এক নাম 'নিবেদিতা'।" ❍

গ্ৰাহক মূল্য নগদ ধন (Cash), চেক (Cheque) বা ড্ৰাফ্‌ট্ (Draft) যোগে পঠিয়াব পাৰিব। চেক বা ড্ৰাফ্‌ট্ Ramakrishna Mission Ashrama (Vivek Bhaskar) এই নামেৰে লিখা হ'ব লাগিব।
পোনে পোনে বেংক ট্ৰান্সফাৰৰ কাৰণে -

**A/c Name : RAMAKRISHNA MISSION ASHRAMA (VIVEK BHASKAR)**
**SBI A/c No. 37859839659, Vinobha Nagar Branch,**
**IFSC Code : SBIN0009150**

সকলো ধৰণৰ মূল্যৰ বাবদ প্ৰাপ্তি ৰচীদ আদায় দিয়া হ'ব।

**Online** ত গ্ৰাহকভুক্তিৰ বাবে লগ অন কৰক - www.rkmguwahati.org

সবিশেষ জানিবৰ বাবে যোগাযোগ কৰক

**স্বামী অজাতানন্দ, কাৰ্যালয় সম্পাদক, বিবেক ভাস্কৰ পত্ৰিকা, দূৰভাষ ঃ ৮৯১০৩-৪৬২৬৮**

*বিবেক ভাস্কৰলৈ দিয়া সকলো দান-বৰঙণি আয়কৰ বিভাগৰ ইউ/এছ ৮০ জি ১৯৬১ আয়কৰ ধাৰা মতে আয়কৰ মুক্ত*

# ভাৰতৰ পুৰাণ-কথাত পূৰ্বভাৰত প্ৰসংগ

ড° নীলমোহন ৰায়
অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, পাণ্ডু মহাবিদ্যালয়, ফোন ঃ ৭০০২৪ ৯৯৮৪৬

ভাৰতীয় সভ্যতা-সংস্কৃতিৰ পৰিমাপক বহুতো প্ৰাচীন-গ্ৰন্থৰ পৰা জনা যায় যে, বক্ষস্থলত ব্ৰহ্মপুত্ৰ-প্ৰৱাহিত বৰ্তমানৰ অসম ৰাজ্যক সামৰিলোৱা উত্তৰ-পূৰ্বাঞ্চলীয় এক সুবিস্তীৰ্ণ ভূখণ্ড প্ৰাগজ্যোতিষ আৰু কামৰূপ নামেৰে জনাজাত হৈ আহিছিল। ৰামায়ণ-মহাভাৰত আৰু পুৰাণৰ সময়ত প্ৰাগজ্যোতিষ, কামৰূপ আৰু পৰৱৰ্তীকালত এই ঐতিহ্যমণ্ডিত ভূখণ্ডৰ নাম অসম হয়। ভাৰতৰ মহাকাব্য দুখন খ্ৰী.পূ. পঞ্চম-চতুৰ্থ শতিকাত ৰচিত হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰে। মহাকাব্যৰ সময়ত এই অঞ্চলৰ নাম প্ৰাগজ্যোতিষ আৰু ইয়াৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰ হিচাপে জনাজাত আছিল। ভাগৱতপুৰাণ আৰু বিষ্ণুপুৰাণতো প্ৰাগজ্যোতিষ নামৰ উল্লেখ আছে।[১] আনহাতে কালিকাপুৰাণৰ পৰা জনা যায় বিষ্ণুৱে নিজ পুত্ৰ নৰকক কামৰূপ ৰাজ্যৰ অন্তৰ্গত প্ৰাগজ্যোতিষপুৰলৈ আনিছিল।[২] ইয়াৰ পৰা স্পষ্ট হয় যে, কালিকাপুৰাণ ৰচনা হোৱাৰ অন্ততঃ কিছুকাল আগৰে পৰা এই পূৰ্বাঞ্চলীয় দেশখন আৰু ইয়াৰ ৰাজধানী যথাক্ৰমে কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰ নামেৰে জনাজাত হৈছিল।

প্ৰত্নতাত্ত্বিকসকলৰ মতে প্ৰাগজ্যোতিষৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰ হস্তিনাপুৰ আৰু ইন্দ্ৰপ্ৰস্থৰ সমানেই পুৰণি। মহাকাব্যদুখনৰ পিছত কালিদাসৰ ৰঘুবংশম্, বাণভট্টৰ হৰ্ষচৰিত, ৰাজশেখৰৰ কাব্যমীমাংসা আদি বিভিন্ন সংস্কৃত গ্ৰন্থত প্ৰাগজ্যোতিষ আৰু কামৰূপ দুয়োটা নামৰে উল্লেখ আছে। প্ৰত্নতাত্ত্বিকসকলৰ মতে খ্ৰী. চতুৰ্থ-পঞ্চম শতিকাত প্ৰাচীন অসমৰ প্ৰাগজ্যোতিষ নামটো সলনি হৈ কামৰূপ হয়। কামৰূপ নামৰ প্ৰথম ঐতিহাসিক তথা প্ৰত্নতাত্ত্বিক নিদৰ্শন পোৱা যায় হৰিষেণৰ এলাহাবাদ প্ৰশস্তিত।

কামৰূপৰ ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ। ৰতিপতি মদন হৰ-কোপানলত ভস্মীভূত হৈ পুনৰ মহাদেৱৰ অনুগ্ৰহতেই ইয়াত নিজৰূপ লাভ কৰিবলৈ সক্ষম হয় বাবে এই দেশৰ নাম কামৰূপ হয় বুলি কালিকাপুৰাণত উল্লেখ আছে।

শম্ভুনেত্ৰাগ্নিনিৰ্দগ্ধঃ কামঃ শম্ভোৰণুগ্ৰহাৎ।
তত্ৰ ৰূপং যতঃ প্ৰাপ কামৰূপং ততোহভৱৎ।।[৩]

'কালিকাপুৰাণ'ৰ মতে কামৰূপৰ বিস্তৃতি ত্ৰিশ যোজন, পৰিসৰ এক শ যোজন। ই ত্ৰিকোণ কৃষ্ণবৰ্ণ, বহু গিৰিমালাবেষ্টিত আৰু চৌদিশে শত শত নদী প্ৰৱাহিত।

কৰতোয়া নদী পূৰ্বং যাবদ্দিক্কৰবাসিনীম্।
ত্ৰিংশদ্‌যোজনাবিস্তীৰ্ণং যোজনৈক শতায়তম্।।
ত্ৰিকোণং কৃষ্ণবৰ্ণঞ্চ প্ৰভূতাচলপূৰিতম্।
নদীশতসমাযুক্তং কামৰূপং প্ৰকীৰ্তিতম্।।[৪]

'যোগিনীতন্ত্ৰ'ত এই প্ৰাচীন কামৰূপ দেশখনৰ সীমাৰ কথা উল্লিখিত হৈছে এনেধৰণে ঃ 'উত্তৰফালে কাঞ্চনজংঘা পৰ্বত, পশ্চিমে কৰতোয়া নদী, পূৱে তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী আৰু দক্ষিণে ব্ৰহ্মপুত্ৰৰ লাক্ষানদীৰ সংগমস্থল।'

কৰতোয়াং সমাশ্ৰিত্য যাবদ্দিকৰবাসিনীং।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়া তু পশ্চিমে।।
তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী পূৰ্বস্যাং গিৰিকন্যকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সংগমাবধি।।
কামৰূপ ইতি খ্যাতঃ সৰ্বশাস্ত্ৰেষু নিশ্চিত।।[৫]

মহাকবি কালিদাসৰ ৰঘুবংশম্‌তো এই ভূখণ্ডৰ নাম কামৰূপ বুলি উল্লিখিত হৈছে। মহাপৰাক্ৰমী ৰজা ৰঘুৰ দিগ্বিজয়ৰ অন্তিম দেশ আছিল কামৰূপ। অৱশেষত ৰঘুৱে যেতিয়া লৌহিত্য তথা ব্ৰহ্মপুত্ৰ নদ পাৰ হৈ তেওঁৰ যুদ্ধজয়ী হাতীবোৰক বিশাল বিশাল গছবোৰত বান্ধিলে তেতিয়া অকল গছবোৰেই যে প্ৰকম্পিত হ'ল— এনে নহয়; সেই প্ৰাগজ্যোতিষ-ৰাজ্যৰ অধিপতিও থৰ থৰ কৰি কঁপি উঠিল। বিজয়োল্লাসী ৰঘুৰ দ্ৰুতগামী যুদ্ধ-ৰথবোৰৰ পৰা উঠা ধূলিয়ে আকাশ ছানি ধৰিলে, সূৰ্যক আচ্ছাদিত কৰিলে। সমাগত বিপদৰ অগ্ৰদূত স্বৰূপ এই ধূলি প্ৰত্যক্ষ কৰিয়েই প্ৰাগজ্যোতিষপতিৰ হৃদয় ত্ৰাসত কঁপিবলৈ ধৰিলে। তেতিয়া সেই কামৰূপ অধিপতিয়ে বিনাযুদ্ধেই ৰঘুৰ ওচৰত পৰাজয় স্বীকাৰ কৰিলে। তেওঁ যিবোৰ মদমত্ত গজৰাজৰ সহায়ত অন্যান্য প্ৰতিদ্বন্দ্বীসকলক পৰাভূত কৰিছিল, সেই মদস্ৰাবী মাতংগবোৰক উপঢৌকন স্বৰূপে দান কৰি ৰঘুৰ ওচৰত প্ৰসন্নতা ভিক্ষা কৰিলে।[৬]

প্ৰাগজ্যোতিষপুৰ যে কামৰূপদেশৰ ৰাজধানী আছিল সেই কথা 'ৰঘুবংশম্'ৰ উপৰি কালিকাপুৰাণৰ একাধিক স্থানত বৰ্ণিত হৈছে। এঠাইত কোৱা হৈছে 'তাৰ পিছত বিদেহ-ৰাজও নৰকৰ সুখ-সমৃদ্ধিৰ কথা শুনি স্ত্ৰী-পুত্ৰ-বন্ধুসকলৰ সৈতে নৰকক চাবলৈ আহিল আৰু কামৰূপৰ মাজত প্ৰাগজ্যোতিষ নামক পুৰলৈ গমন কৰি শাৰদীয় চন্দ্ৰৰ নিচিনা শোভাসম্পন্ন নৰকৰজাক দেখিলে। বিদেহৰাজে প্ৰাগজ্যোতিষপুৰক ইন্দ্ৰভৱন বুলি অনুভৱ কৰিবলৈ ধৰিলে আৰু নানাবিধ ভূষণৰ দ্বাৰা ভূষিত নৰকক দেৱৰাজ বুলি ভাবিবলৈ ধৰিলে। ইয়াৰ পিছত বিদেহ-ৰাজ জনক নৰকৰ আপ্যায়নত আপ্যায়িত হৈ আনন্দচিত্তে সেই প্ৰাগজ্যোতিষপুৰত কিছুদিন অৱস্থান কৰি বন্ধুসকলৰ সৈতে নিজৰ গন্তব্যস্থানলৈ প্ৰস্থান কৰিলে।[৭]

কামৰূপ নামৰ এটি সম্ভাব্য কাৰণ নিৰ্দেশ কৰি প্ৰখ্যাত বুৰঞ্জীবিদ ড° নৰেন্দ্ৰনাথ ভট্টাচাৰ্য্যই লিখিছেঃ 'কালিকাপুৰাণ, বৃহৰ্দ্ধমপুৰাণ, দেৱীভাগৱত, কুব্জিকাতন্ত্ৰ, যোগিনীতন্ত্ৰ, চূড়ামণিতন্ত্ৰ প্ৰভৃতি গ্ৰন্থত নানাভাৱে যে কামৰূপৰ কামাখ্যাদেৱীৰ উল্লেখ আৰু মহিমাকীৰ্তন কৰা হৈছে তাৰ অন্তৰালত সুদীৰ্ঘকালৰ ইতিহাস জড়িত হৈ আছে। তেওঁৰ মতে কামৰূপ নামটোৰ মূলতো বৌদ্ধতান্ত্ৰিক প্ৰভাৱ বৰ্তমান। মহাযানী ও তান্ত্ৰিক বৌদ্ধ ধাৰণা অনুযায়ী বিশ্বচৰাচৰ কাম, ৰূপ আৰু অৰূপ এই তিনিটা লোক ধাতুৰ সমাহাৰ। অৰূপ চিৰদিনেই অপ্ৰকাশ্য, দৃশ্যমান জগত সেয়ে নিঃসন্দেহে কাম আৰু ৰূপ, আৰু তাৰেই প্ৰতীক বা সাধনক্ষেত্ৰৰ নাম কামৰূপ।'[৮]

এই সন্দৰ্ভত অৰ্থাৎ কামৰূপ যে তন্ত্ৰসাধনাৰ পীঠস্থান আছিল সেই সম্পৰ্কে আলোকপাত কৰি বিদগ্ধ পণ্ডিত ড° শশীভূষণ দাশগুপ্তই লিখিছে ঃ "কামৰূপ তান্ত্ৰিক সাধনাৰ পীঠৰূপত যথেষ্ট প্ৰসিদ্ধ

আছিল। দেৱীৰ যোনি-পীঠ বুলি খ্যাত এই কামৰূপ। দেৱীৰ একাৱন্ন অংগ-পতনৰ সৈতে একাৱন্ন পীঠৰ উদ্ভৱৰ কাহিনীৰ দ্বাৰা এতিয়া যোনি-পীঠৰ ব্যাখ্যা কৰা হ'লেও ঐতিহাসিক দৃষ্টিত মনত হয় এই পীঠখন এসময়ত তন্ত্ৰসাধনাৰ এখন প্ৰধান কেন্দ্ৰ আছিল। প্ৰাচীনকালতে তো প্ৰসিদ্ধ আছিলেই, এতিয়াও অসমৰ বাহিৰৰ পৰা বহুতো শাক্ত-সাধক আৰু গৃহীভক্ত দলে দলে এই শক্তিপীঠলৈ তীৰ্থ কৰিবলৈ আহি থাকে। অম্বুবাচী উপলক্ষে আজিকোপতি সহস্ৰ সহস্ৰ নৰ-নাৰীৰ সমাগম হয়।”[৯]

### লৌহিত্য বা ব্ৰহ্মপুত্ৰ

পৃথিৱীৰ একমাত্ৰ পুৰুষ নদী ব্ৰহ্মপুত্ৰৰ নামান্তৰ হ'ল লৌহিত্য। কালিকাপুৰাণৰ ৮২ অধ্যায়ত লৌহিত্য ব্ৰহ্মাত্মজ বুলি উল্লিখিত হৈছে আৰু তেওঁৰেই নামানুসাৰে এই নদৰ নাম হৈছে ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰ লৌহিত্য সকলো নদী আৰু সকলো তীৰ্থ প্লাৱিত কৰি দক্ষিণ সমুদ্ৰত মিলিত হৈছে।

সৰ্বা নদীঃ সমাপ্লাব্য সৰ্বতীৰ্থানি সৰ্বতঃ।
লৌহিত্যো ব্ৰহ্মণঃ পুত্ৰো যাতি দক্ষিণসাগৰম্।।[১০]

ব্ৰহ্মপুত্ৰ নদ যে পৰম পৱিত্ৰ সেই কথাও পুৰাণত উল্লিখিত আছে। মাতৃহত্যাৰ পাপমোচনৰ



বাবে পৰশুৰামে পিতৃ জমদগ্নিৰ উপদেশ মতে ব্ৰহ্মাকুণ্ড নামক মহাকুণ্ডত গা ধুবলৈ যায়। তাত গা ধুই আৰু তাৰ জল পান কৰি তেওঁ মাতৃহত্যা পাপৰ পৰা মুক্ত হয়। তেতিয়া পৰশুৰামে লোকহিতাৰ্থে নিজৰ পৰশু অৰ্থাৎ কুঠাৰৰ সহায়ত উপযুক্ত বাট কাটি ব্ৰহ্মপুত্ৰক প্ৰৱাহিত কৰি দিয়ে। ব্ৰহ্মপুত্ৰ নদে জলৰাশিৰ দ্বাৰা সমস্ত কামৰূপ পীঠ প্লাৱিত কৰি দক্ষিণ সাগৰৰ পিনে গতি কৰে।

স কামৰূপমখিলং পীঠমাপ্লাব্য বাৰিণা।
গোপয়ন্ সৰ্বতীৰ্থানি দক্ষিণং যাতি সাগৰম্।।[১১]

ব্ৰহ্মপুত্ৰৰ মাহাত্ম্যও কীৰ্তিত হৈছে পুৰাণত। কোৱা হৈছে, যি ব্যক্তি জিতেন্দ্ৰিয় হৈ চ'ত মাহৰ শুক্লাষ্টমীত লৌহিত্যজলত স্নান কৰে, তেওঁ ব্ৰহ্মাপ্ৰাপ্ত হয়।

“স্নাতি লৌহিত্যতোয়ে তু স যাতি ব্ৰহ্মণঃ পদম্।
লৌহিত্যতোয়ে যঃ স্নাতি স কৈবল্যমবাপ্নুয়াৎ।।”[১১]

কালিকাদাসৰ ৰঘুবংশম্‌ৰ চতুৰ্থ সৰ্গতো লোহিত্য শব্দটো কামৰূপ আৰু প্ৰাগজ্যোতিষৰ লগত উল্লিখিত হৈছে।[১৩]

### কামাখ্যা

কালিকাদেৱীৰ অন্য নাম; এওঁ দশমহাবিদ্যাৰ অন্যতমা। দক্ষযজ্ঞত সতীয়ে দেহত্যাগ কৰিলে বিষ্ণুৱে সুদৰ্শন চক্ৰৰ দ্বাৰা তেওঁৰ মৃতদেহ খণ্ড খণ্ড কৰে। সতীৰ যোনিমণ্ডল কামাখ্যাত নিক্ষিপ্ত হোৱাত সেই স্থান এটি মহাতীৰ্থস্থানত পৰিণত হয়। কামাখ্যা একাৱন্নপীঠৰ অন্যতম। যি ঠাইত সতীৰ যোনি পতিত হয় তাৰ কুব্জিকা পীঠ। দেৱী মহামায়া এই পীঠতেই বিলীন হৈ আছে। কিংবদন্তী মতে, দেৱীৰ



যোনি পতিত হোৱাৰ মুহূৰ্তত এই পৰ্বত নীলবৰ্ণ হৈ যায়। এই কাৰণে এই পাহাৰ নীলাচল নামে খ্যাত। কালিকাপুৰাণৰ ৬২ অধ্যায়ত ইয়াৰ বিৰৰণ আছে।

তস্মিংস্তু কুব্জিকাপীঠে সত্যাস্তদ্‌যোনিমণ্ডলম্।
পতিতং তত্ৰ সা দেৱী মহামায়া ব্যলীয়ত।।
লীনায়াং যোগনিদ্ৰায়াং ময়ি পৰ্বতৰূপিণি।
স নীলবৰ্ণঃ শৈলোহভূৎ পতিতে যোনিমণ্ডলে।।"[১৪]

কামাখ্যাদেৱীৰ মাহাত্ম্যৰ কথা কালিকাপুৰাণৰ উপৰি যোগিনীতন্ত্ৰতো বিস্তাৰিতৰূপত পোৱা যায়। পুত্ৰ নৰকক সমগ্ৰ কামৰূপ ৰাজ্য আৰু প্ৰাগজ্যোতিষপুৰ নামে বিখ্যাত কামাখ্যা যোনিমণ্ডল দান কৰে। বিষ্ণুৱে নৰকৰ ওচৰত কামাখ্যাৰ মাহাত্ম্য সম্পৰ্কে এনেদৰে কয়ঃ 'কামাখ্যাৰ মাহাত্ম্য সকলো বেদৰ সন্মত। কামাখ্যাৰ কৃপাতে ব্ৰহ্মাই ব্ৰহ্মত্ব, মই (বিষ্ণু) বিষ্ণুত্ব আৰু শিৱই শিৱত্ব প্ৰাপ্ত হৈছো। এতেকে প্ৰথমতে তুমি সকলোৱে আত্মস্বৰূপ যোনিপূজা কৰা। যেতিয়া মা কামাখ্যা দেৱী তোমাৰ প্ৰতি সুপ্ৰসন্ন হ'ব, তেতিয়া তোমাৰ সকলো প্ৰকাৰ সম্পদ লাভ হ'ব আৰু যেতিয়া তেওঁ বিমুখী হ'ব, তেতিয়া তোমাৰ চাৰিওফালৰ পৰা অমংগলে আহি দেখা দিব, ই ধ্ৰুৱ সত্য।'[১৫]

কামাখ্যা দেৱী ভাৰতীয় শক্তি সাধনাৰ ক্ষেত্ৰত অতিশয় গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। এই দেৱীক কেন্দ্ৰ কৰি মাথোঁ বিভিন্ন কাহিনীৰেই অৱতাৰণা হোৱা নাই, বিভিন্ন তত্ত্বৰো বিকাশ ঘটিছে। ভাৰতৰ তন্ত্ৰ আৰু শাক্ত সাহিত্যত মা কামাখ্যাৰ গুৰুত্ব অপৰিসীম। এই দেৱী এই বৃহৎ অঞ্চলৰ সবাতোকৈ প্ৰভাৱশালী আৰু সৰ্বাধিক জনপ্ৰিয়। দেৱী কামাখ্যাৰ বাবেই পৰৱৰ্তী সময়ত এই সুবিশাল অঞ্চল বিশ্বব্যাপী খ্যাতিলাভ কৰিবলৈ সক্ষম হৈছে। অসম, মণিপুৰ, পশ্চিমবংগ, বিহাৰ, উৰিষ্যা, উত্তৰপ্ৰদেশ, বাংলাদেশসহ বহু অঞ্চলত মা কামাখ্যাৰ অগণন ভক্ত বিদ্যমান।

**বাণাসুৰ**

শিৱভক্ত বাণাসুৰৰ ৰাজ্যৰ নাম আছিল শোণিতপুৰ। দৈত্যৰাজ বলিৰ এশ পুত্ৰৰ ভিতৰত তেওঁ আছিল জ্যেষ্ঠ আৰু শ্ৰেষ্ঠ। বাণে কঠোৰ তপস্যাৰ দ্বাৰা মহাদেৱক তুষ্ট কৰি তেওঁৰ অনুগ্ৰহভাজন হয় আৰু তেওঁৰেই আদেশত শোণিতপুৰত ৰাজধানী স্থাপন কৰি ৰাজত্ব কৰিবলৈ লয়। বৰ্তমান তেজপুৰৰ মহাভৈৰৱ শিৱমন্দিৰ তেৱেঁই নিৰ্মাণ কৰিছিল বুলি কোৱা হয়। প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰৰ তেওঁ প্ৰিয় বন্ধু আছিল — 'নৰকেন সমং তস্য মহামৈত্ৰী ব্যজায়ত।'[১৬] সহস্ৰ বাহু বাণৰ কন্যা ঊষাই শ্ৰীকৃষ্ণৰ পৌত্ৰ আৰু প্ৰদ্যুম্নপুত্ৰ অনিৰুদ্ধক সপোনত দেখি তেওঁৰ প্ৰতি অনুৰক্ত হয় আৰু সখী চিত্ৰলেখাৰ সাহায্যত তেওঁক দ্বাৰকাৰ পৰা আনি গন্ধৰ্বমতে বিবাহ কৰে। বাণে এই সংবাদ অৱগত হৈ অনিৰুদ্ধক বন্দী কৰি থয়। কৃষ্ণই এই সংবাদ শুনি প্ৰদ্যুম্ন আৰু বলৰামৰ সৈতে শোণিতপুৰত উপস্থিত হয়। বাণৰ

সৈতে যাদব বাহিনীৰ তয়াময়া যুদ্ধ হয়। এই যুদ্ধত বাণৰ হৈ মহাদেৱেও যুদ্ধ কৰে — 'হৰি-শঙ্কৰয়োর্যুদ্ধমতীবাসীৎ সুদারুণম্।'[১৭] যুদ্ধত বাণ পৰাভূত হয়। শ্ৰীকৃষ্ণই বাণৰ চাৰিখন হাত ৰাখি বাকী হাতবোৰ কাটি পেলায় —

'চত্বাৰোহস্য ভুজাঃ শিষ্টা ভৱিষ্যন্ত্যজৰামৰা ঃ।
পাৰ্যদমুখ্যো ভৱতো নকুতশ্চিত্তৱোহসুৰ ঃ।।'"[১৮]

পিছত কৃষ্ণৰ দয়াত মহাদেৱে মহাকাল নামেৰে বিখ্যাত হৈ মহাদেৱৰ অনুচৰসকলৰ মাজত গণ্য হয়। শেষত অনিৰুদ্ধ আৰু ঊষাক লৈ শ্ৰীকৃষ্ণ দ্বাৰকালৈ উভতি যায়।

শোণিতপুৰৰ বাণৰজাৰ কথা শাস্ত্ৰভেদে সামান্য অমিল দেখা যায়। বাণৰ এই আখ্যান ভাগৱত পুৰাণ - ১০/৬২, ৬৩; হৰিবংশ - ২/১১৬-১২৮; বিষ্ণুপুৰাণ - ৫/৩২,৩৩ ত প্ৰাপ্ত হোৱাৰ উপৰি শিৱপুৰাণ আৰু ধৰ্মসংহিতাতো পোৱা যায়।

**নৰকাসুৰ**

কিছু কিংবদন্তি, কিছু ঐতিহাসিক সমলেৰে ভাৰতীয় পুৰাণ কথা আৰু মহাকাব্যত উজলি আছে প্ৰাচীন কামৰূপ তথা প্ৰাগজ্যোতিষৰ ৰজা নৰকাসুৰ। পুৰাণ কথা অনুযায়ী হিৰণ্যক্ষই বসুমতীক পাতাললৈ লৈ যোৱাৰ সময়ত বিষ্ণুৱে বৰাহৰূপ ধৰি পৃথিৱীক দাঁতেৰে উদ্ধাৰ কৰে। বৰাহৰ দাঁতৰ স্পৰ্শত পৃথিৱী গৰ্ভৱতী হয়; তাৰ ফলত জন্মে দুধৰ্ষ নৰকাসুৰ। পৃথিৱীয়ে বিষ্ণুৰ ওচৰত প্ৰাৰ্থনা কৰে তেওঁ যেন শিশুটিক ৰক্ষা কৰে। বিষ্ণুৱে নৰকক দান কৰে নাৰায়ণ-অস্ত্ৰ। এই অস্ত্ৰ হাতত থাকিলে নৰক বিষ্ণুৰ বাহিৰে সকলোৰে ওচৰত অজেয় হ'ব। নৰক ডাঙৰ হৈ প্ৰাগজ্যোতিষপুৰত ৰাজধানী স্থাপন কৰি পৰম বিক্ৰমেৰে ৰাজত্ব কৰে। দেৱতাসকলো ভয়ত কম্পিত হয়। অত্যাচাৰী হৈ উঠি নৰকে গন্ধৰ্ব অপ্সৰা আৰু মানুহৰ ১৬০০০ কন্যাক বিভিন্ন ঠাইৰ পৰা ধৰি আনি মণিপৰ্বতৰ শিখৰত বন্দী কৰি ৰাখে। নৰকে দ্বাৰৰক্ষী হিচাপে চাৰিজন দুধৰ্ষ অনুচৰ মুৰ, হয়গ্ৰীৱ, নিসুন্দ আৰু পঞ্চাগুক নিযুক্ত কৰিছিল। উল্লেখ্য যে, সীতাৰ অন্বেষণত বান্দৰসকলক পঠোৱাৰ সময়ত সুগ্ৰীৱে নৰকৰ প্ৰাগজ্যোতিষপুৰতো অনুসন্ধান কৰাৰ বাবে নিৰ্দেশ দিছিল।[১৯]

অৱশেষত মহা অত্যাচাৰী নৰকক শ্ৰীকৃষ্ণই বধ কৰে। নৰকৰ পত্নীৰ নাম মায়া। নৰকৰ চাৰিগৰাকী পুত্ৰ — ভগদত্ত, মহাশীৰ্ষ, মদবান আৰু সুমালী।[২০]

সামান্য মত-বৈশিষ্ট্যৰ সৈতে নৰকৰ মৃত্যু কাহিনী ভাগৱত পুৰাণ (১০/৫৯), বিষ্ণুপুৰাণ (৫/২৯), আৰু হৰিবংশতো (২/৬৩) আছে। ইন্দ্ৰৰ মংগলৰ কাৰণে বিষ্ণুৱে নৰকক বধ কৰাৰ কথা মহাভাৰততো আছে (বনপৰ্ব - ৩/১৪২)।

কোনো কোনো গৱেষকৰ মতে, দ্বিতীয় শতাব্দীৰ যি নৰকৰ কথা পোৱা যায় তেওঁ যৌৱনকালত পৰম বৈষ্ণৱ আছিল। পিছত শৈৱধৰ্মৰ প্ৰতি আকৃষ্ট হয়। এই নৰকৰ শাসনকালতেই নীলাচল পাহাৰত এটি হিন্দুতীৰ্থ গঢ়ি উঠে। পাহাৰৰ ওপৰত এঠাইত কোনো দেৱীৰ এক মন্দিৰ আছিল। সুদূৰ মিথিলাৰ পৰা যিজন ৰাজপুত্ৰ আহি মহীৰংগ ৰাজবংশৰ ঘটকক পৰাজিত কৰি কামৰূপৰ অধিপতি হয় তেওঁ নিশ্চয় কিংবদন্তিৰ নৰক নহয়। ৰামায়ণ, মহাভাৰতৰ নৰকো তেওঁ নহয়। কাৰণ মহীৰংগ ৰাজবংশৰ শাসনকাল আছিল প্ৰথম আৰু দ্বিতীয় শতাব্দীব্যাপী।

দ্বিতীয় শতাব্দীৰ এই নৰক এসময়ত কাপালিক

তান্ত্রিকত পৰিণত হয়। মদ্য আৰু মৈথুন ক্রিয়াকলাপৰ সহায়ত শক্তিপূজাৰ প্রতি তেওঁ আকৃষ্ট হয়। গৱেষকসকলৰ ধাৰণা কামৰূপৰ বিভিন্ন সময়ৰ (দ্বিতীয় শতাব্দী আৰু একাদশ-দ্বাদশ শতাব্দী) নৰক নামৰ দুই ৰজাৰ কিংবদন্তি একাকাৰ কৰি পেলাইছে কালিকাপুৰাণৰ ৰচয়িতা কালী বিপ্ৰই। তেওঁৰ এই বিভ্ৰান্তিৰ বাবেই নৰকক কেন্দ্ৰ কৰি নানাধৰণৰ পৰস্পৰবিৰোধী তথ্যৰ সূত্ৰপাত ঘটিছে।

মহাভাৰতত নৰকৰ পুত্ৰ হিচাপে ভগদত্তৰ কোনো চিনাকি নাই। কিন্তু কামৰূপৰ হিন্দু ৰজাসকলৰ তাম্ৰলিপিত নৰকক বিষ্ণুৰ পুত্ৰ হিচাপে উল্লেখ কৰা হৈছে আৰু ভগদত্ত হ'ল - নৰকৰ সন্তান। ভাস্কৰবৰ্মনৰ দানপত্ৰ অনুযায়ী নৰকৰ পুত্ৰ হ'ল ভগদত্ত।[২১]

*(আগলৈ...)*


## <u>তথ্যসূত্ৰ</u>

১। ভাগৱত পুৰাণ ঃ ১০/৬৯/২; বিষ্ণুপুৰাণ পঞ্চমাংশ ঃ ২৮/৮

২। ক্ষণকালৰ ভিতৰতেই (বিষ্ণু) প্ৰাগজ্যোতিষপুৰত উপস্থিত হ'ল। সেই স্থানটো কামৰূপৰ অন্তৰ্গত। — কালিকাপুৰাণ ৩৮/৯৫-৯৬

৩। কালিকাপুৰাণ ঃ ৫১/৬৭

৪। কালিকাপুৰাণ ঃ ৫১/৬৫-৬৬

৫। যোগিনীতন্ত্ৰম্ ঃ ১১/১৭-১৮

৬। ৰঘুবংশম্ ঃ ৪/৮১-৮৩

৭। কালিকাপুৰাণ ঃ ৩৮/১৫৪-১৫৬,৬০,৬১

৮। বৰদলৈ, নিৰ্মলপ্ৰভা ঃ দেৱী; নৰেন্দ্ৰনাথ ভট্টাচাৰ্য্যৰ ভূমিকা, পৃ.ক. ২৯

৯। দাশগুপ্ত, শশীভূষণ ঃ ভাৰতেৰ শক্তি-সাধনা ও শাক্ত-সাহিত্য, পৃ. ৩৬৪

১০। কালিকাপুৰাণ ঃ ৮১/৩৯

১১। কালিকাপুৰাণ ঃ ৮৩/৩৪

১২। কালিকাপুৰাণ ঃ ৮৩/৩৭

১৩। ৰঘুবংশম্ - ৪ৰ্থ সৰ্গ, শ্লোক - ৮১, ৮৩ (৪/৮১-৮৩)

১৪। কালিকাপুৰাণ ঃ ৬২/৫৭,৫৮

১৫। যোগিনীতন্ত্ৰম্ ঃ একাদশ পটল - ৯-১১

১৬। কালিকাপুৰাণ ঃ ৩৯/৩

১৭। বিষ্ণুপুৰাণ ঃ ৫/৩৩,২২

১৮। শ্ৰীমদ্ভাগৱত ঃ ১০/৬৩/৪৯

১৯। ৰামায়ণ ঃ কিষ্কিন্ধ্যাকাণ্ড - ৪/৪২/৩১

২০। কালিকাপুৰাণৰ ৩৬-৪০ অধ্যায়ত নৰকৰ বিৱৰণ আছে।

২১। সুমন গুপ্ত ঃ দেৱীপীঠ কামাখ্যা, পৃ. ৪৬-৪৭



*যিসকলে নিজৰ ব্যস্ততাৰ মাজতো লেখা দি 'বিবেক ভাস্কৰ'ৰ সৌষ্ঠৱ বঢ়ালে আৰু 'বিবেক ভাস্কৰ'ৰ লগত প্ৰত্যক্ষ তথা পৰোক্ষভাৱে জড়িত হৈ আমাক সহায়-সহযোগিতা আৰু অনুপ্ৰাণিত কৰিলে সেই সকলো ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান আদিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।*

*যুটীয়া সম্পাদক, বিবেক ভাস্কৰ*

# এন্টাৰ্কটিকা অভিযানত মোৰ ৪৮৫ দিন

**ৰাঘৱ চন্দ্ৰ ডেকা**
বিশিষ্ট বিজ্ঞানী আৰু ভূ-চৌম্বকত্ব বিশেষজ্ঞ, ফোন ঃ ৯০০৪৩ ০২৬৬৩

বৰফ বৰফ আৰু বৰফ। যি ফালেই চাওঁ কেৱল বগা। এক অন্তহীন দিগন্ত। প্ৰায় ২০ মিনিট যাত্ৰাৰ পিছত নৌ বাহিনীৰ হেলিকপ্টাৰ 'চেতক' এ মোক বৰফৰ এক মৰুভূমিৰ মাজত নমাই দি আকাশলৈ উৰা মাৰি গুছি গ'ল। হাতত মোৰ দুটা গধুৰ বেগ। ইফালে সিফালে চাৰিওফালে মানুহৰ সান্নিধ্য বিচাৰিছোঁ, কিন্তু ক'ত? মই যেন ভাগৰি পৰিলোঁ। এজাক পেংগুইন মোৰ ফাললৈ চিঁয়ৰি চিঁয়ৰি আহি থকা লক্ষ্য কৰিলো। কিন্তু মোৰ তালৈ ভ্ৰূক্ষেপ নাই। মোৰ চকু যে কাৰোবাক বিচাৰি ফুৰিছে। মোক ভুল ঠাইত নমাই দিয়া নাইতো। আকাশলৈ চাইছো সুন্দৰ নীলা আকাশ। ফিৰ ফিৰীয়া বতাহ বলিছে। পেংগুইন জাক কোন ফালে গ'ল গমকে নাপালোঁ। এনেদৰে কিবা কিবি আবোল-তাবোল ভাবি থাকোঁতে হঠাতে অদূৰত মোৰ চকুত পৰিল এটা কলা বিন্দু। বগা বৰফৰ মাজৰ এই কলা বিন্দুটোৱেই মোক যেন কিবা সম্ভেদ দিব। মই একেথৰে চাই থাকিলো সেই বিন্দুটোৰ ফালে। মই অনুভৱ কৰিলোঁ বিন্দুটো যেন মোৰ ফালেই আহি আছে। ক্ষন্তেকতে মোৰ ধাৰণা সত্যত প্ৰমাণিত হ'ল। বিন্দুটোচোন মোৰ ফালে বৰফৰ ধূলা উৰুৱাই আগ বাঢ়ি আহি আছে। আৰু সেই বিন্দুটো দেখোন এখন স্কুটি; বৰফত চলা এখনি স্কুটাৰ। স্কুটাৰখনৰ চালক আছিল আমাৰ শীতকালীন দলৰ অভিযাত্ৰী এন্টনি। মই যেন এক নতুন জীৱন পালোঁ। এন্টনিয়ে লগে লগে মোৰ বেগ দুটা স্কুটিত উঠাই দি ক'লে, 'ব'লা যাওঁ।' মই স্কুটিত বহি ল'লো। অলপ দূৰ যোৱাৰ পিছত এন্টনিয়ে স্কুটিখন ৰাখি মোক ক'লে—'মোৰ পিছে পিছে আহি থাকা।' মই তেওঁক অনুসৰণ কৰিলোঁ। অলপ পিছতে তেওঁ এটা গাঁতৰ পৰা ঢাকনি এখন গুচাই দি মোৰ বেগ দুটা দেখোন গাঁতটোত পেলাই দিলে আৰু ক'লে, 'আহা।' মই তেওঁৰ পিছে পিছে গৈ থাকিলোঁ। এইবাৰ তেওঁ আন এখন ঢাকনি খুলি মোক ক'লে, 'আহক গাঁতৰ ভিতৰলৈ আহক।' মই তেওঁৰ পিছে পিছে গৈ আচৰিত হৈ গ'লো। কাৰণ সেয়া কোনো গাঁত নাছিল, আছিল এটা আধুনিক ধৰণৰ বাসগৃহ। সেয়া আছিল অভিযাত্ৰীৰ বাবে এন্টাৰ্কটিকাৰ অস্থায়ী বাসগৃহ। আধুনিক জীৱনৰ সমস্ত সুবিধায়েই তাত আছিল। কিছু সময় কটাই আমি পুনঃ বাহিৰ ওলাই আহিলোঁ। এই অস্থায়ী বাস গৃহটোৰ নাম আছিল 'দি আৰ দিও কমপ্লেক্স।' ওলাই আহি পুনঃ আমি স্কুটিত উঠিলো। প্ৰায় ৩০০ মিটাৰ দূৰত আছিল আমাৰ স্থায়ী বাসস্থান দক্ষিণ গংগোত্ৰী। আমি ক্ষন্তেকতে গৈ দক্ষিণ গংগোত্ৰী পালো। সেয়া যে বৰফৰ তলতে পুত খাই আছিল।

দক্ষিণ গংগোত্ৰী মোৰ সপোনৰ আৰাধ্য স্থান। কিমান দিনৰ যে হাবিয়াস আছিল এই পৱিত্ৰ স্থানখন

নিজ চক্ষুৰে চোৱাৰ। মনে মনে সহস্ৰ প্ৰণাম যাচিলো। ইয়াতেই লগ পালোঁ, ৪ৰ্থ শীতকালীন দলৰ অভিযাত্ৰী দলক। মই মোৰ বন্ধু অজয়ক লগ পালোঁ। অজয় আমাৰ একে বিভাগৰ। ব্যক্তিগত বহু কথা বতৰা হোৱাৰ অন্তত আমি আমাৰ বিভাগীয় কথাৰ আৰম্ভ কৰিলোঁ আৰু থুল-মূলকৈ বুজি পালো জীৱন আৰু বিজ্ঞানৰ সত্য কাহিনীৰ সংমিশ্ৰণ।

এন্টাৰ্কটিকাত গ্ৰীষ্মকাল মাত্ৰ দুমাহ বুলি ক'লে ভুল নহ'ব। সেয়েহে এই দুমাহৰ ভিতৰতে আমি ঘৰৰ আৰু বাহিৰৰ কামবোৰ সাং কৰিব লাগিব। ইফালে ব্লিজাৰ্ডৰ তাণ্ডৱ নৃত্যই বা আৰু কিমান দিন অকামিলা কৰি ৰাখে তাৰ একো ঠিক নাই। গোটেই অভিযাত্ৰী দলটোক চাৰি ভাগত বিভক্ত কৰা হ'ল। এটা দল মৈত্ৰী যাব আৰু তাৰ নতুন ষ্টেচনৰ কামকাজ তদাৰক কৰিব, এটা দল 'হাম ভল্ট' পাহাৰলৈ যাব ভূ-গৰ্ভৰ ওপৰত পৰীক্ষা কৰিবলৈ, আন এটা দল জাহাজত থাকিয়েই তাৰ পৰা অহা-যোৱা কৰি বিজ্ঞানৰ সঁফুৰা বিচাৰিব, শেষৰ দলটোৱে দক্ষিণ গংগোত্ৰীৰ পৰাই কাম কৰি যাব। প্ৰত্যেকেই লাগি গৈছে নিজ নিজ কামৰ সন্ধানত। এয়াই হ'ল এন্টাৰ্কটিকা অভিযাত্ৰী দলৰ যেন ২৪×৭ কামৰ তালিকা। এক বিচিত্ৰ মহাদেশ। ইয়াৰ বতৰৰ একেবাৰে বিশ্বাস নাই। কোন মুহূৰ্তত ব্লিজাৰ্দে তাৰ তাণ্ডৱ ৰূপ দেখায় তাৰ একো ঠিকনা নাই। সেয়েহে আটায়ে সাজু হৈছো নিজ নিজ কামবোৰ সময়মতে শেষ কৰিবলৈ।

এন্টাৰ্কটিকা এক যেন পৰীৰ দেশৰ সাধু সাধু লগা দেশ। ইয়াৰ প্ৰত্যেকটো বস্তুৱে যেন বিচিত্ৰ। দক্ষিণ মেৰুক কেন্দ্ৰ কৰিয়েই এই দেশখনৰ অৱস্থান। প্ৰায় ১৪ নিযুত বৰ্গ কি. মি. ব্যাপী আৱৰি এই মহাদেশখন অষ্ট্ৰেলিয়াৰ দুগুণ। শীত কালত ইয়াৰ বোলে আয়তন বাঢ়ে কাৰণ ভূপৃষ্ঠৰ ওচৰৰ সাগৰৰ পানী গোট মাৰে আৰু প্ৰায় ২০ নিযুত বৰ্গ কি. মি. হয়গৈ। ইয়াৰ বতাহৰ শক্তিৰ তুলনা নাই। ইয়াত আকাশৰ মেঘে বৰষুণ নিদিয়ে। নদী বহুত আছে কিন্তু পানী নাই। মাজ নিশা সূৰ্য দেখা দেশ এইখন। ইয়াত কিছুমান চৰাই আছে যি উৰিবও নোৱাৰে। ইয়াত পৰ্বত পাহাৰ বহুত আছে কিন্তু গছ গছনি একেবাৰে নাই। কোনো বেমাৰৰ উৎস নাই কিন্তু ভয়াবহতা আছে ফাৰ্ষ্ট বাইট, হোৱাইট ব্লাইন্দেছ, কাৰ্বন-মনোঅক্সাইড পইজনিং, ফায়াৰ, ব্লিজাৰ্দ ইত্যাদি। সেয়েহে এই স্বপ্নপুৰীৰ দেশখন চাম বুলি সিদিনাই প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ যিদিনাই (৯ জানুৱাৰী, ১৮৯২) ভাৰতৰ সমগ্ৰ বাতৰি কাকতত বহুলভাৱে প্ৰচাৰ হৈছিল ভাৰতৰ এন্টাৰ্কটিকা অভিযানৰ সাফল্যৰ কথা। কি যে আনন্দৰ দিন আছিল সিদিনা। সময় আগ বাঢ়িছিল আৰু নীৰৱে সময় আৰু সুযোগৰ সন্ধানত ৰৈ আছিলোঁ। এদিন মোৰ প্ৰাৰ্থনাৰ যেন সঁহাৰি পালোঁ। যাৱতীয় চৰকাৰী পৰীক্ষা নিৰীক্ষাৰ পিছত এদিন হিমালয় দিল্লী মুম্বাই হৈ গোৱা পালোঁ। ইয়াতেই ৰৈ আছিল ভাৰতীয় সপ্তম এন্টাৰ্কটিকা অভিযাত্ৰী দলৰ বাবে সৰ্বাধুনিক চুইডিছ মহাসামুদ্ৰিক জাহাজ 'থুলেলেণ্ড'। ৯২ জন অভিযাত্ৰীৰ ভিতৰত ১৫ জন শীতকালীন অভিযাত্ৰী। আজিৰ দৰে মোবাইল ফোন বা ইন্টাৰনেটৰ কথাতো বাদেই, লেণ্ড লাইন ফোনো আছিল ধনীৰ ঘৰৰ সম্পত্তিহে। সেয়েহে আমি বিশেষকৈ শীতকালীন দলটোৱে জাহাজত উঠি আমাৰ অতি আপোন দেশখনলৈ চাই এক সশ্ৰদ্ধ প্ৰণাম যাচিছিলোঁ এই ভাবি যে আমি ঘূৰি আহিমনে? এক গধুৰ মন লৈ আমি যাত্ৰা আৰম্ভ

কৰিলোঁ। ২৫ নৱেম্বৰ ১৯৮৭। আমি আগবাঢ়িলোঁ দক্ষিণৰ ফালে। আৰৱ সাগৰ পাৰ হৈ এদিন ভাৰত মহাসাগৰ পালোঁ আৰু জাহাজৰ ভিতৰতে সমুদ্ৰৰাজ 'নেপচুন'ক পূজা কৰি বিষুব ৰেখা পাৰ হোৱাৰ প্ৰাৰ্থনা কৰিলোঁ। বহু ঘাত-প্ৰতিঘাত, হাঁহি আৰু সন্ত্ৰাস যেনে গৰ্জনমুখী চল্লিচ, সামুদ্ৰিক ধুমুহা, এলবেত্ৰজ দৰ্শন, সাগৰীয় বৃহৎ প্ৰাণী তিমি মাছৰ নৃত্য আদি পাৰ কৰিলোঁ। এই সকলোবোৰ দৰ্শনৰ উৎস আছিল নিতৌ এক নতুনৰ সন্ধান। ২৫ দিন অহৰহ যাত্ৰাৰ অন্তত মোৰ স্বপ্নপুৰী এন্টাৰ্কটিকাৰ শুভ্ৰ পৱিত্ৰ ভূমি পালোঁ। সন্মুখত এক পাহাৰ সদৃশ হিমকুণ্ড 'থুলেলাণ্ড'ক যেন কৈ দিলে আৰু আগ নাবাঢ়িবা? সময় ৰাতিৰ ৯ বাজিছে। জাহাজৰ দেকত আহি দেখো হিম কুণ্ডটোৰ ওপৰত এজাক পেংগুইন। আকাশত নীলা, সুন্দৰ আবেলিৰ ৰ'দ। আকাশৰ বুকুত এজাক সাগৰীয় চৰাইৰ মধুৰ গান। জাহাজৰ তিনিফালে আকাশ চুম্বি হিমশিলবোৰ ৰ'দত যেন প্ৰকৃতি ৰাণীয়ে মুকুতাহে মেলি দিছে। অপূৰ্ব সেই দৃশ্য আছিল। অনবদ্য তাৰ সৌন্দৰ্য্য। এই সৌন্দৰ্য্যৰ মৌ পান কৰি যেন তাতেই থাকিম এনে লাগিছিল। হঠাতে যেন সপোন ভাঙিল। বাহিৰৰ শীতৰ প্ৰকোপ হাত মুখ জঠৰ কৰি পেলাইছিল। পিছতহে গম পালোঁ আমি-১০ ডিগ্ৰী তাপমানত থিয় হৈ আছিলোঁ। সিদিনাৰ ৰাতিটো এক হুলস্থূলীয়া পৰিৱেশতে শেষ হ'ল। ৰাতিপুৱাই হেলিকপ্টাৰবোৰ পূৰ্ণগতিত নমাৰ আগতে এক সৰ্ব ধৰ্ম প্ৰাৰ্থনা সভা অনুষ্ঠিত হল আৰু অভিযাত্ৰীসকলৰ কল্যাণৰ বাবে আশীষ বিচৰা হ'ল। প্ৰাৰ্থনাৰ অন্তত হেলিকপ্টাৰবোৰ বিভিন্ন দিশলৈ যাত্ৰা আৰম্ভ কৰি দিলে। মোৰ ভাগত পৰিল নৌ সেনাৰ 'চেতক' আৰু প্ৰায় ২০ মিনিট যাত্ৰাৰ অন্তত মই নামি গ'লো দক্ষিণ গংগোত্ৰিৰ এক বৰফৰ মৰুভূমিৰ মাজত। দক্ষিণ গংগোত্ৰী পালোঁ আৰু অজয়ৰ লগত লগ হৈ আগবাঢ়িলো নিজৰ বিজ্ঞানৰ কৰ্ম পন্থা সাজু কৰিবলৈ। এন্টাৰ্কটিকাৰ শীত বুলিলে যুগে যুগে এক ভয়ানক শীতৰ কথাৰহে ছবি মনৰ মাজত আবিৰ্ভাৱ হোৱা দেখিছোঁ। সেয়েহে প্ৰথমে সাজু হ'ব লাগিব আত্মৰক্ষাৰ বাবে। দিল্লীৰ পৰাও আমালৈ বাৰে বাৰে সকিয়াই দি আছিল আত্মৰক্ষাৰ কৌশল আয়ত্ত কৰিবলৈ। শীতকালীন দলটোত আমি মাত্ৰ ১৫ জন আৰু আমাৰ ওপৰতে নিৰ্ভৰ কৰিব দক্ষিণ গংগোত্ৰীৰ সমস্ত ৰক্ষণা-বেক্ষণৰ দায়িত্ব। ষ্টেচনটোৰ চাৰিওফালে প্ৰায় ৩০০ মি. দূৰত্ব পৰ্যন্ত সিঁচৰিত হৈ আছে বিভিন্ন সৰু সৰু পঁজা য'ত সংৰক্ষিত আছে ভৱিষ্যতৰ বাবে খাদ্য সম্ভাৰ, ইন্ধন সামগ্ৰী, সাজ-পোচাক, বিভিন্ন ধৰণৰ গাড়ী, স্কুটি ইত্যাদি। এই বিভিন্ন স্থানবোৰলৈ যাবলৈ মূল ষ্টেচনৰ পৰা বাঁহৰ খুটি পুতি তাত ৰছী বান্ধি আগুৱাব লাগে যাতে কিবা কাৰণত বতৰ ধোঁৱাময় হৈ বাট-পথ অদৃশ্য হৈ পৰিলেও অভিযাত্ৰীয়ে এই ৰছীৰ সহায়ত দিশহাৰা হোৱাৰ পৰা ৰক্ষা পাব পাৰে। 'ব্লিজাৰ্দ'ৰ ওপৰিও বাহিৰ অদৃশ্য হৈ পৰাৰ আন এটা কাৰণ 'হোৱাইট আউট'। ইয়াৰ মূল কাৰণ হ'ল সূৰ্য্যৰ পৰা অহা ৰশ্মিক আকাশৰ একেবাৰে তলৰ মেঘ আৰু বৰফৰ কণিকাই বাধা প্ৰদান কৰে আৰু তাৰ উপৰত বতাহৰ সংযোগ এই সকলোবোৰ একে লগ হৈ চাৰিওফালে এক ধোঁৱাময় পৰিস্থিতিৰ সৃষ্টি কৰে। এই হোৱাইট আউট বিশেষকৈ মেৰু অঞ্চলত বিশেষ প্ৰভাৱৰ সৃষ্টি কৰে আৰু অভিযাত্ৰীক দিশহাৰা কৰা বহু উদাহৰণ আছে। সেয়েহে এই ৰছী বন্ধা কাম অতি জৰুৰী। আমাৰ গ্ৰীষ্মকালীন দলটোৱে এক 'যুদ্ধংদেহি' প্ৰচেষ্টাৰে কাম

শেষ কৰাৰ পিছত কামবোৰ প্ৰায় শেষ হ'বৰ হৈছে। ফেব্ৰুৱাৰী শেষ হোৱাৰ আগতে 'থুলেলাণ্ড'ক উভতিব লাগিব। নহ'লে সমুদ্ৰৰ বৰফে থুলেলাণ্ডক উভতিবলেই ৰাস্তা এৰি নিদিব। দুটা কাৰণত আমি শংকিত হোৱাটো স্বাভাৱিক আছিল; আমি মানে আমাৰ শীতকালীন দলটোৰ। আমাৰ সন্মুখত আছিল এক অস্বাভাৱিক দীঘলীয়া ৰাতি। য'ত আমি প্ৰায় দুমাহেই কটাব লাগিব। এই সময়ছোৱাত দুই এবাৰ জাহাজ যেতিয়া উভতিব, যি কোনো ভয়ানক বিপদতো তেতিয়া আমাক সহায় কৰিবলৈ কোনেবাৰ সঁহাৰি নাপাম। সময় আগবাঢ়িল আৰু আমি আমাৰ কামবোৰ 'দি আৰ দি ও কমপ্লেক্স'ৰ পৰাই কৰি গৈছিলো। ফেব্ৰুৱাৰীৰ আৰম্ভণিতে চতুৰ্থ শীতকালীন দলটোৱে মূল ষ্টেচনৰ ভাৰ আমাক দি জাহাজৰে উভতি গ'ল আৰু আমি 'দি আৰ দি ও'ৰ পৰা দক্ষিণ গংগোত্ৰী পালোঁ। ২৮ মে গ্ৰীষ্মকালীন দলে সমস্ত কাম সাং কৰি সকলো অভিযাত্ৰী গৈ 'থুলেলাণ্ড' পালে আৰু ৰাতি ২ বজাত আমাক বিদায় দি ঘৰ মুখে উভতিল। এতিয়া এক বিশাল বগা বৰফৰ মৰুভূমিৰ মাজত মানুহ বুলিবলৈ আমি ১৫ জন ভাৰতীয়, আকাশত কেইটামান মেৰু অঞ্চলৰ চৰাই আৰু বৰফৰ ওপৰত উমলি থকা জাক জাক পেংগুইন। এয়াই আছিল আমাৰ সংগী। সকলো সুখ-দুখ, হাঁহি-কান্দোনৰ ভাগি হ'ব লগা হ'ল আমাৰ ১৫ জনৰ দলটোৱে। প্ৰথম অৱস্থাত এক যেন সুখী পৰিয়াল। দিনবোৰ চুটি হৈ আহিছে আৰু ৰাতি দীঘল হৈ গৈয়েই আছে। ২৩ মে দিনাখন আজিও মনত আছে। উত্তৰ আকাশত সূৰুযটোৱে এবাৰ ভুমুকি মাৰি আমাক যেন কৈ গ'ল 'গুড বাই' আৰু ১০ মিনিট থাকি ধূপুংকৈ ডুবি গ'ল দিগন্তৰ একেখিনি ঠাইতে। আমি আৰু সূৰুয দেৱতাক হয়তো বহুদিন ধৰি দেখা নাপাম। প্ৰত্যেকৰে বেদনা স্পষ্টকৈ মুখত দেখা দিছিল। কাৰণ সূৰ্য্যৰ এনে অনুপস্থিতি জীৱনত প্ৰথম অভিজ্ঞতা। সময়ে সময়ে ইজনে সিজনৰ বিভিন্ন প্ৰান্তৰ গাওঁ ভূই আৰু জীৱনৰ অপ্ৰকাশিত সুখ দুখৰ কাহিনী কৈ কৈয়ে সময় কটাই দিন পাৰ কৰিছিলো। কিন্তু কিমান দিন? ৰাতিপুৱাৰ পৰা ৰাতিলৈকে সেই একেখন মুখ। সেয়েহে সৰু সৰু কথাতে খুট-খাট লগা আৰম্ভ হ'ল। সেইবোৰৰ পৰা হাত সাৰিবলৈ এই দীঘলীয়া ৰাতিটোৰ বাবে ফুটবল, ভলীবল আদিৰ আয়োজন কৰা হ'ল যাতে অভিযাত্ৰীসকলে ব্যস্ত হৈ থাকে। আমাৰ এই বুদ্ধিটো বেছ কাম দিলে। ২১ জুন, গোটেই পৃথিৱীৰ এন্টাৰ্কটিকা অভিযাত্ৰীসকলে এই দিনটোক 'মিদ উইন্টৰ ডে' হিচাপে পালন কৰে। সমগ্ৰ মহাদেশখনতে বহু অপেক্ষাৰে এই দিনটোক এইবাবেই অপেক্ষা কৰে কাৰণ ইয়াৰ পিছত যে সূৰ্য্যৰ দক্ষিণায়ণ হ'ব। অৰ্থাৎ এন্টাৰ্কটিকাৰ অভিযাত্ৰীসকলে এই দিনটোত এন্ধাৰৰ পৰা পোহৰলৈ আগবাঢ়ি যাব। এক যেন নতুন সূৰ্য দেখাৰ দিন সমাগত। ঘৰৰ বাহিৰত খুব কমেইহে ওলাই


গৱেষণাকেন্দ্ৰত বৰফৰ ওপৰৰ অংশ

যোৱা হয়। কাৰণ বাহিৰত প্ৰচণ্ড শীত, তাপমান হ্ৰাস হৈ -৪০ ডিগ্ৰী হৈছে। ইফালে বতাহৰ গতিবেগও তীব্ৰ। কিন্তু মোৰ নিজস্ব বিজ্ঞানৰ সঁফুৰা বিচাৰি নিতৌ মই 'দি আৰ দি ও' লৈকে ৩-৪ বাৰ যাব লাগে। সেয়া এক বেলেগ অধ্যায়। দক্ষিণ গংগোত্ৰীৰ প্ৰায় ৮০ কি. মি. দক্ষিণে ৰাছিয়ানসকলৰ এটা ষ্টেচন আছে। তেওঁলোকে মাজে মাজে আমাৰ ওচৰৰে ২০ কি.মি. দূৰত থকা অস্থায়ী কেম্পলৈ আহে ইন্ধন আৰু বিভিন্ন সামগ্ৰী নিবলৈ। এদিন হঠাৎ উভতা পথত আমাৰ ইয়াত সোমালে। লগে লগে আয়োজন কৰিলো এক ইন্টাৰনেচনেল ফুটবল মেচৰ। বৰফৰ ওপৰতে ফিল্ড সাজি আমি এক সুন্দৰ মেচৰ অভিজ্ঞতা আৰ্জিলো। এইদৰে বিভিন্ন বিপদ আৰু আনন্দৰ মাজেৰে গৈ এদিন উত্তৰ আকাশত ১৯ জুলাইত আমি নতুন সূৰ্য্যক দেখা পালোঁ। সেয়াও আছিল মাত্ৰ দহ মিনিটৰ বাবে। আমাৰ আনন্দৰ সীমা নাই। আমি যে এন্ধাৰক জয় কৰিলো। এইদৰে জীৱনৰ এক গভীৰ দীঘলীয়া ৰাতি আমি শেষ কৰিলোঁ।

১১ চেপ্তেম্বৰ ১৯৮৮। সময় ৰাতি ৯ বাজিছে। দক্ষিণ গংগোত্ৰীৰ আকাশত সিদিনা কি দেখিছিলো। তাপমান -৩৭ ডিগ্ৰী। নিশাৰ আকাশৰ সেই অনাৱিল অবৰ্ণনীয় সৌন্দৰ্য্যৰ অপূৰ্ব দৃশ্যক আজিও মই পাহৰিব পৰা নাই। কৰ্ণেল গনেচনৰ এটা চিঞৰত আমি আটায়ে ঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ দৌৰ দিলোঁ। বাহিৰত এক উজ্জ্বল পোহৰ। দক্ষিণ আকাশৰ বুকুত সেয়া কি? এক অনিন্দ্যসুন্দৰ সেউজীয়া পোহৰ, নহয় সেউজীয়া নহয় হালধীয়া, নহয় ৰঙা, এয়া মুহূৰ্তত যে ৰং সলাই আছে। এই পোহৰৰ উৎস যেন দক্ষিণ আকাশৰ দিগন্ত। দিগন্তৰ পৰা ওলাই আকাশৰ ওপৰেৰে উত্তৰলৈ তীব্ৰগতিত গতি কৰিছে। পোহৰৰ সৌন্দৰ্য্যৰ আনন্দ ল'বলৈ আমি বৰফৰ ওপৰতে আকাশলৈ চাই চাই শুই পৰিছো। প্ৰত্যেকেই কেমেৰাৰে ফটো ল'বলৈ হেজাৰ চেষ্টা কৰিছোঁ।

আনন্দত আত্মহাৰা হৈ আমি চিঞঁৰিছো, এফালৰ পৰা আনফাললৈ কিৰীলি পাৰি দৌৰিছোঁ। চকু আকাশত, শীতৰ কামোৰ -৩৭ ডিগ্ৰী। তালৈকে ভ্ৰূক্ষেপ নাই। চকু ঘুৰাব নোৱাৰোঁ। কিয়নো এই সৌন্দৰ্য্যৰ মাদকতা হেৰুৱাব খোজা নাই। প্ৰতি মুহূৰ্তত ৰং সলাই আছে। আকাশৰ বুকুত এই অদ্ভুত সৌন্দৰ্য্যই এনেদৰে নাচি ফুৰিব ধৰিছিল, মাজে মাজে ভাৱ হৈছিল যেন আকাশৰ পৰীবোৰে সিহঁতৰ ৰং-বিৰংৰ চাদৰবোৰ আকাশৰ বুকুত ৰ'দত শুকাইছে। ভাৱ হৈছিল ৰম্ভা, মেনকা, তিলোত্তমাহঁতে হাতত বস্ত্ৰবোৰ লৈ দৌৰি আছে, কেতিয়াবা ভাৱ হৈছিল দেৱৰাজ ইন্দ্ৰৰ ৰাজসভাৰ দলিচাবোৰ ৰ'দত মেলিছে শুকাবলৈ আৰু কেতিয়াবা ভাৱ হৈছিল ফেনে-ফোটোকাৰে ভৰা আকাশী গংগাই যেন গংগাৰ মূল গংগোত্ৰীলৈ তীব্ৰ গতিত ধাৱমান হৈছিল। ইয়াৰ সৌন্দৰ্য্যৰ ৰূপ বৰ্ণনা কৰিবলৈ মোৰ শব্দ নাছিল। কোনোবা কবিৰ হাতত হয়তো এনে সৌন্দৰ্য্যৰ প্ৰকৃত ৰূপ বৰ্ণনা হ'লহেঁতেন। অতীজতে নিউজিলেণ্ডৰ মাওৰিশে বৰ্ণনা কৰিছিল "Tahu Nui Rangi" আকাশৰ বিশাল উজ্জ্বলতাৰ সাক্ষী। Shakespeare's lines in Julius Caesar, "Fierce fiery warriors fought upon the clouds in ranks, and squadrans and right form of war, drizzled blood upon the capitol."

দক্ষিণ আকাশৰ এই অদ্ভুত সৌন্দৰ্য্যক কোৱা

হৈছিল অৰোৰা। অতীজতে এই স্বৰ্গীয় সৌন্দৰ্য্যক ৰোমানসকলে উষা দেৱী বুলি মানিছিল। কিন্তু আজিৰ বিজ্ঞানৰ সমাজে ইয়াক বিজ্ঞানৰ দৃষ্টিৰে চাব খোজে। আমাৰ পৃথিৱীৰ জীৱজগতৰ ৰক্ষাৰ হেতু আমাৰ ওপৰত বতাহৰ ওপৰিও আৰু বহু কেইখন ঢাকনিৰে আৱৰি আছে। তাৰেই এখনৰ নাম হ'ল মেগ্নেটোস্ফেয়াৰ আৰু তাৰ তলত আছে আইওনোস্ফেয়াৰ। পৃথিৱীৰ অন্তৰ্ভাগত সৃষ্টি হোৱা এক চুম্বকীয় শক্তিৰ বলয় ৰেখাই এই মেগ্নেটোস্ফেয়াৰৰ সৃষ্টি কৰে। আমাৰ সৰ্বোচ্চ শক্তিৰ উৎস হ'ল সূৰ্য্য। দিন ৰাতিয়েই এই সূৰ্য্যৰ ভিতৰখন অস্থিৰ হৈ থাকে। এই অস্থিৰতাৰ প্ৰকোপ যেতিয়াই বাঢ়ি যায় সূৰ্যৰ পৰা এক প্ৰচণ্ড গতিত সৌৰশক্তি বাহিৰলৈ গতি কৰে। সাধাৰণতে এই সৌৰশক্তি ঘন্টাত ৩০০, কি. মি. বেগত গতি কৰে। যেতিয়া এই শক্তি পৃথিৱীৰ ওচৰ পায়, প্ৰায় ৬৪ হাজাৰ কি. মি. ওপৰত পৃথিৱীৰ চুম্বকৰ বলয় ৰেখাৰ সংস্পৰ্শৰ কাৰণে ই আমাৰ ওচৰলৈ আহি নাপায়। কিন্তু যেতিয়া সূৰ্যই অশান্ত হৈ পৰে তেতিয়া সৌৰ শক্তিৰ গতিবেগ হয় প্ৰায় ১০০০ কি. মি. প্ৰতিঘন্টাত আৰু তেতিয়াই ই পৃথিৱীৰ বলয়ৰেখাক ঠেলি প্ৰায় ৪০ হাজাৰ কি. মি. পৰ্যন্ত সংকোচন কৰি দিয়ে। তেতিয়া পৃথিৱীৰ চুম্বকীয় শক্তি একেবাৰে অস্থিৰ হৈ পৰে। ভূ-চুম্বকীয় বিজ্ঞানীয়ে ইয়াৰ সঠিক তথ্য আহৰণ কৰে। সৌৰশক্তিয়ে পৃথিৱীৰ ওচৰলৈ আহিব নোৱাৰি ই চুম্বকীয় বলয় ৰেখাৰ লগে লগে পৃথিৱীৰ দুই মেৰুলৈ গতি কৰে। সৌৰশক্তিৰ প্ৰধান উপাদান হ'ল ইলেক্ট্ৰন আৰু প্ৰ'টন। এই দুই উপাদান বলয় ৰেখাৰ সতে পৃথিৱীৰ ওচৰৰ আইওনোস্ফেয়াৰ ৰ অক্সিজেন আৰু নাইট্ৰজেনৰ সংস্পৰ্শলৈ আহি জ্বলি উঠে। এয়াই হ'ল 'অৰোৰা' আৰু অতীজৰ উষা দেৱী।

প্ৰায় ৩৫ বছৰৰ আগৰ এন্টাৰ্কটিকাৰ ছবি আজিৰ এন্টাৰ্কটিকাৰ সতে একেবাৰে নিমিলে। আমাৰ দিনত যাত্ৰা আছিল ২৫ দিনৰ। মহা সমুদ্ৰ যাত্ৰা। কিন্তু আজি ২/৩ দিনতে উৰা মাৰি গুছি যায়। আজিৰ সংযোগ ব্যৱস্থাৰ কথা আমাৰ দিনত সপোন যেন আছিল। সেয়েহে প্ৰতি মুহূৰ্তত আমাৰ জীৱন আছিল ভয় আৰু শংকাৰে পূৰ্ণ। আজিৰ মানৰে অতি সহজে পেংগুইন দেখিবলৈ পায়। কিন্তু আমি যেতিয়া পেংগুইন লৈ খেলৰ কথা কৈছিলো সেয়া সাধু যেন লাগিছিল। আৰু অৰোৰা!! "The aurora has to be seen to be believed".

সময় আগবাঢ়িছিল আৰু এন্ধাৰৰো শক্তি কমি কমি গৈছিল। এতিয়া আমাৰ ঘৰমুখী মন। কাৰণ আমি যে আমাৰ অতি বিপদৰ সেই দীঘলীয়া নিশাটো সুকলমে পাৰ কৰিলোঁ। এতিয়া আমাৰ নিজৰ কাম ভূচুম্বকীয় শক্তিৰ data ৰ ওপৰত চকু দিয়াত মন। আমাৰ ইনষ্ট্ৰোমেন্টবোৰে দুটা কাৰণতে ভালদৰে কাম কৰিব পৰা নাছিল। এক, দক্ষিণ গংগোত্ৰী যিহেতু বৰফৰ ওপৰতে প্ৰতিষ্ঠিত আছিল আমি প্ৰপাৰ গ্ৰাউণ্ড পোৱা নাছিলো। দুই, সেই সময়ত ব্লিজাৰ্দৰ তাণ্ডৱ নৃত্যই বাৰে বাৰে এন্তেনা আদি ভাঙি-ছিঙি চুৰমাৰ কৰিছিল। বহুবাৰ বহু বিপদৰ সন্মুখীন হৈয়ো আমি নিজকে ৰক্ষা কৰিব লগা হৈছিল। এনে কিছুমান দিন আছিল, ভাবিলে আজিও গাৰ নোম শিয়ৰি উঠে। যেনে ১৯ চেপ্তেম্বৰ ১৯৮৮, যাক বৰ্ণনা কৰিব গ'লে এক নতুন অধ্যায় হ'ব। দিনবোৰ দীঘল হৈ আহিছে আৰু এদিন দেখিলোঁ সূৰুয দেৱতাই পশ্চিম আকাশত দেখোন ডুব নাযায়, অলপ

দক্ষিণলৈ গৈ পুনঃ পূবলৈ গতি কৰিব ধৰিলে। এইদৰেই লাহে লাহে আমি ২৪ ঘন্টাই সূৰ্যদেৱক দেখিব ধৰিলোঁ। মাজ নিশাতও সূৰ্য।

ডিচেম্বৰৰ শুভ দিনত 'থুলেলাণ্ড' আহি ওলাল ৬ষ্ঠ শীতকালীন দলটোক লৈ। আমিও সাজু হ'লো নিজ দেশৰ পৱিত্ৰ ভূমিক স্পৰ্শ কৰিবলৈ। জীৱনৰ বহু ভয় আৰু শংকাৰ মাজেৰে ৪৮৫ দিনৰ অন্তত আমি আহি আমাৰ আপোন ভাৰতত ভৰি দি এক স্বৰ্গীয় আনন্দ লভিছিলো। নিজকে ধন্য মানিছিলো দেশৰ সূৰ্য উঠা প্ৰান্তৰ পৰা পবীৰ দেশক দৰ্শন কৰিব পাই।

**ফ্ৰষ্টবাইট ঃ**

ফ্ৰষ্টবাইট হ'ল শৰীৰৰ মাংস পেশীবোৰ অতীৱ ঠাণ্ডাৰ বাবে একেবাৰে গোট মাৰি ধৰে বিশেষকৈ মুখমণ্ডলত। আচলতে ই যি কোনো অংগতে হ'ব পাৰে যদিহে ই বহু সময় ঠাণ্ডাৰ প্ৰকোপত পৰে। ইয়াৰ পৰা ৰক্ষা পাবলৈ উপায় হ'ল শৰীৰৰ কোনো অংশৰ পৰা কাপোৰ আঁতৰাব নালাগে আৰু সময় থাকোঁতে ডাক্তৰৰ পৰামৰ্শ ল'ব লাগে, অথবা গৰম পানী ব্যৱহাৰ কৰিব লাগে।

**কাৰ্বনমনোঅক্সাইড পইজন ঃ**

কাৰ্বন মনোঅক্সাইড এবিধ গেছ যাৰ ৰং আৰু গোন্ধ একো নাই। এই গেছ এটা জ্বলি থকা ষ্টোভ বা জেনেৰেতৰৰ পৰা উদ্ভৱ হৈ এক ভীষণ হাহাকাৰৰ সৃষ্টি কৰিব পাৰে। এই গেছ আমাৰ উশাহ লোৱাৰ সময়ত শৰীৰৰ ভিতৰত প্ৰৱেশ কৰি আমাৰ তেজৰ অক্সিজেন শুহি লৈ এক ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰে। যেনেকৈ আমাৰ অষ্টম অভিযানৰ চাৰিটা অমূল্য জীৱন আমি হেৰুৱাব লগা হৈছিল এই গেছৰ প্ৰভাৱৰ বাবেই। তেওঁলোক গৈছিল ভূতাত্বিক অনুসন্ধানত। ৰাতি আহি টেন্ট টানি তেওঁলোকে জেনেৰেতৰ অন কৰিলে ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ। তেওঁলোকে পাহৰি গ'ল জেনেৰেতৰ অফ কৰিবলৈ আৰু শুই থাকিল চিৰদিনলৈ। এইয়া আছিল কাৰ্বন মনোঅক্সাইডে কৰা পৰিণাম।

**হোৱাইটআউট ঃ**

যেতিয়া সূৰ্য্যৰ পোহৰ ওপৰৰ আকাশৰ একেবাৰে তলৰ মেঘ মেলাৰ মাজেৰে আহি তলৰ বৰফৰ ওপৰত পৰি প্ৰতিফলন হৈ যায় তেতিয়া ইয়াৰ গতিত বহুত বাধা পৰে। ইয়াৰ উপৰি তলৰ মসৃণ বৰফৰ কণিকা বতাহত উৰি গোটেই অঞ্চল ধোঁৱাময় কৰি তোলে যাৰ ফলত চকুৰে একো দেখিব নোৱাৰা হৈ পৰে। চাৰিওফালে কেৱল ধোঁৱাময় দেখা যায়। চকুৰে একো বস্তুৰে অস্তিত্ব একেবাৰে বুজা নাযায়। সেয়াই হোৱাইট আউট।

**ব্লিজাৰ্দ ঃ**

ব্লিজাৰ্দ হ'ল বৰফৰ মৰুভূমিৰ ওপৰত চলা এক প্ৰচণ্ড বেগত বলা বতাহ। এই বতাহ ইমান গতিবেগত চলে যে ই তলৰ সমস্ত মসৃণ বৰফ লগতে উৰাই লৈ গোটেই অঞ্চল ধোঁৱাময় কৰি তোলে যাৰ ফলত চকুৰে একো ই দেখিব নোৱাৰা কৰি তোলে। তাৰোপৰি উৰাই অনা বৰফৰ কণিকাই চকুত এনেদৰে আঘাত কৰে যাৰ ফলত চকু মেলাটো দূৰৰ কথা বৰফে দাৰি চুলিত খামুচি ধৰি এক অসহ্য পৰিস্থিতিৰ সৃষ্টি কৰে।

**ফায়াৰ ঃ**

জুই হ'ল এন্টাৰ্কটিকা অভিযাত্ৰীৰ এক বিশেষ ভয়ৰ কাৰণ। কাৰণ এই দেশখন পৃথিৱীৰ ভিতৰতে শুষ্কতম মহাদেশ। সামান্য ভুলৰ বাবেই এক ভীষণ সমস্যাৰ সৃষ্টি হোৱাতো স্বাভাৱিক, যেনেকৈ আমিও এটা প'তাকেবিন (Portable cabin) দপ দপকৈ জ্বলি চকুৰ আগতে ছাই হোৱা দেখিছিলো।

*(আগলৈ...)*

জীৱনৰ সাঁথৰ

# ক'ৰোনাকালীন চিন্তা ঃ স্থবিৰতা, গতিশীলতা ইত্যাদি

**ড° ইন্দুপ্ৰভা দেৱী**

অধ্যাপিকা, অসমীয়া বিভাগ, বি বৰুৱা কলেজ, ফোন ঃ ৯৯৫৪৭ ৪৬৩৬২

বৈশ্বিক মহামাৰীৰ ৰূপত চিহ্নিত হৈ উঠা ক'ৰোনা ভাইৰাছৰ পৰা পৰিত্ৰাণ পাবলৈ মানুহে গৃহবন্দী হ'বলৈ বাধ্য হ'ল। যদিও বা বন্দিত্ব মানুহৰ পছন্দৰ কথা নহয়, জীৱন ৰক্ষাৰ খাতিৰত গোটেই বিশ্বই *'লকডাউন'* মানি ল'লে। প্ৰথমবাৰৰ কাৰণে এই স্থৱিৰতাই বিশ্বৰ মানুহক বহু কথাই শিকালে। মানুহে অনুভৱ কৰিলে, ইমানদিনে জীৱনৰ বাবে অপৰিহাৰ্য বুলি যি বোজা পিঠিত কঢ়িয়াই ফুৰিছিল, যাক প্ৰগতিৰ শ্লাঘনীয় যাত্ৰা বুলি ভাবি আছিল, সভ্যতাৰ উত্তৰণ বুলি ভাবি হৰ্ষোন্মাদ হৈ আছিল, প্ৰকৃতপক্ষে সেয়া আছিল সাৰশূন্য ফোঁপোলা বোজা, নিৰৰ্থক আৰু আৱেগসৰ্বস্ব আত্মাভিমানহে। বিশ্বগ্ৰাসী মহামাৰীয়ে সূত্ৰধাৰ হৈ যেন পুতলাৰ দৰে মানুহক নচুৱাই দিলে। গৈ থকা গতি থমকি ৰ'ল। ৰৈ গ'ল বিশেষ বিন্দুবোৰত। কিন্তু ৰৈ থকাৰ মাজতে মানুহ গৈ থাকিল চিন্তন মননৰ নতুন দিগন্তৰ পিনে!

গৃহবন্দিত্বৰ সময়ত গতিহীনতা বা স্থবিৰতা আৰু গতিশীলতা — এই দুটা শব্দই বাৰে বাৰে মনত খুন্দিয়াই থাকিল। ৰৈ থকা আৰু গৈ থকা এই দুয়োটা শব্দৰ বিভিন্ন ক্ষেত্ৰত বহুমাত্ৰিক অৰ্থ আছে, আয়তন আছে। কিন্তু কেতিয়াবা দুয়োটাই অৰ্থৰ এটা বিশেষ বিন্দুত কটাকটি কৰে। ইটো সিটোৰ পৰিপূৰক হৈ পৰে।

মানুহৰ ক্ষেত্ৰত গতিয়ে দুটা অৰ্থ বহন কৰে — শৰীৰৰ গতি আৰু মনৰ গতি। শৰীৰৰ গতিৰ বাবে মনৰ গতিৰো প্ৰয়োজন হয়। কিন্তু মনৰ গতিৰ বাবে শৰীৰৰ গতি নহলেও হয়। শৰীৰ স্থিৰ হৈ থকা সময়তো মন গতিশীল হ'ব পাৰে। বৰঞ্চ এনে সময়তে মনৰ গতি তীব্ৰ হয়। লকডাউনৰ বাহিৰলৈ ওলাব নোৱাৰা নিষেধাজ্ঞাৰ সময়ত কায়িক গতি নাথাকিলেও মনৰ খোজবোৰ জানো ৰুদ্ধ হ'ল? দেখিলোঁ, বহুত মানুহে এই সময়ত বিভিন্ন সৃষ্টিকৰ্মত নিয়োজিত হ'ল। আগতে অসম্ভৱ বুলি ভবা কিছুমান কামত মনোনিৱেশ কৰিলে। শৰীৰ আৰু মন উভয়ৰ গতিপথত কেতিয়াবা লেকামৰো প্ৰয়োজন হয়। ৰাস্তাৰ কাষত বাহন চালকৰ বাবে লিখা *'তীব্ৰ গতি স্বৰ্গ গতি'* বা *'তীব্ৰ গতি জীৱনৰ ক্ষতি'* জাতীয় কথাবোৰ উদাহৰণ হিচাপে চাবও পাৰি। কোনে জানে, ক'ৰোনা মহামাৰীয়ে যি স্থৱিৰতা আনিলে, সেই স্থৱিৰতা ধুমুহাৰ দৰে গৈ থকা আজিৰ এই সভ্যতাৰ বাবে অনাগত দিনৰ মহত্বপূৰ্ণ নতুন গতিৰ দিকনিৰ্ণায়কো হ'ব পাৰে!

সাধাৰণ দৃষ্টিত গৈ থাকিবলৈ গতিশীল হৈ থাকিবই লাগে আৰু ৰৈ থাকিবলৈ স্থিৰ বা স্থৱিৰ। কিন্তু ভালদৰে মন কৰিলে দেখা যায় যে ইয়াত বিৰোধাভাসো নথকা নহয়। কাৰণ কেতিয়াবা গৈ

থাকিবলৈকো ৰৈ থাকিব লাগে বা ৰৈ থাকিবলৈকো গৈ থাকিব লাগে। অথবা এনেকৈয়ো ক'ব পাৰি — গৈ থাকিও কেতিয়াবা ৰৈ থকা যায় আৰু ৰৈ থাকিও কেতিয়াবা গৈ থকা যায়। এনে কথাৰ উদাহৰণ নথকা নহয়।

সৰুকালত পঢ়া গৌতম বুদ্ধ আৰু অঙ্গুলিমালৰ কাহিনীটো মনলৈ আহিছে। অঙ্গুলিমালে বুদ্ধক মাৰিবলৈ খেদি গৈছিল। এটা সময়ত দৌৰি দৌৰি লেবেজান হৈ পৰা অংগুলিমালে বুদ্ধক ৰৈ যাবলৈ হুমকি দিছিল। বুদ্ধই কৈছিল — তেওঁ দৌৰি থকা নাই। বহু বছৰ আগৰ পৰাই পূৰ্ণ ৰূপত স্থিৰ হৈ আছে তেওঁ, দৌৰি আছে অঙ্গুলিমালহে। তথাগত বুদ্ধই একে ঠাইত স্থিৰ হৈ থাকিও গতিশীল হৈ আছিল আৰু হিংসুক অঙ্গুলিমালে গতিশীল হৈ থাকিও গতিহীন। এই কাহিনীয়ে স্থিৰতা আৰু গতিশীলতাৰ পোনপটীয়া অৰ্থক নাকচ কৰি বিপৰীত অৰ্থ প্ৰতিপাদন কৰিছে। গতি কৰিলেই যে গতিশীল হ'ব আৰু লক্ষ্যত উপনীত হ'ব আৰু ৰৈ থাকিলেই যে গৈ থকা নুবুজাব তেনে কোনো কথা নহ'বও পাৰে। যাত্ৰীজন কোনদিশে ধাৱমান, কোন দিশ উন্মুক্ত তাৰ ওপৰত নিৰ্ভৰ কৰে তেওঁৰ ৰৈ থকা বা গৈ থকাৰ কথা।

ৰৈ থাকিবলৈ কেতিয়াবা যে গৈ থাকিব লাগে তাৰ এটা সুন্দৰ উদাহৰণ পোৱা যায় Lewis Carroll ৰ Through the Looking-Glass নামৰ উপন্যাসৰ এঠাইত। উল্লেখযোগ্য যে এই উপন্যাসখন তেওঁৰ Alice's Adventures In Wonderland লিখাৰ পিছৰ ৰচনা। উপন্যাসৰ মুখ্য চৰিত্ৰ এলিচে আয়নাৰে বগাই আশ্চৰ্যকৰ দেশখনত প্ৰৱেশ কৰিছিল আৰু তাত ৰেড কুইন নামৰ চৰিত্ৰ এটাই তেওঁক কৈছিল সেই বিশেষ ঠাইখনৰ এটা বিশেষত্বৰ কথা। তাই কৈছিল— 'Now, here, you see, it takes all the running you can do, to keep in the same place. If you want to get somewhere else, you must run at least twice as fast as that.' ৰৈ থাকিবলৈকো তাত দৌৰি থাকিব লাগে আৰু ক'ৰবাত গৈ পাবলৈ আগতকৈ দুগুণে দৌৰিব লাগে। প্ৰশ্ন হয়, অকল সেই দেশতেই প্ৰযোজ্য নেকি এনে কথা? যিকোনো দেশৰ এজন মানুহ ব্যক্তিসম্পন্ন ভাল মানুহ হিচাপে এবাৰ প্ৰতিষ্ঠিত হোৱাৰ পিছত সেই একে প্ৰতিষ্ঠা, সেই একে গৌৰৱ ৰক্ষাৰ বাবে তেওঁ দৌৰি থাকিবই লাগিব। তাতকৈ বেছি কিবা হ'ব বিচাৰিলে তেওঁ দুগুণ দৌৰিব লাগিব। একে কথা কোনো জাতি বা দেশৰ ক্ষেত্ৰতো খাটে। মানুহ এতিয়া য'ত আছে, সভ্যতাৰ যিটো স্তৰত আছে, ৰিবৰ্তন বা পৰিৱৰ্তনৰ যি পৰ্যায়ত বা উত্তৰণৰ যি হিমশৃংগত আছে, সেইখিনি যথাযথ ৰক্ষাৰ বাবে কাম কৰি থাকিবই লাগিব, অৰ্থাৎ একে পৰ্যায়ত ৰৈ থাকিবলৈয়ো মানুহ গতিশীল হ'ব লাগিব। ইয়াতকৈ যদি আগুৱাব বিচাৰে আগতকৈ দুগুণে দৌৰিব লাগিব। ক'ৰোনা মহামাৰীৰ নিচিনা মৃত্যুদূতবোৰক পৰাভূত কৰিবলৈ আৰু নতুন উপলব্ধিৰে মানৱ জাতিৰ প্ৰকৃত মহত্ত্ব ঘোষণা কৰিব পৰা লক্ষ্যত উপনীত হ'বলৈ মানুহক লাগে এতিয়া দুগুণ গতিময়তা।

দেহ আৰু আত্মাৰ স্থিৰতা আৰু গতিশীলতাৰ কথা কিছুমানে অন্যধৰণে বিচাৰ কৰে। দেহে স্থিতাৱস্থা ল'লে সূক্ষ্মশৰীৰে গতি লাভ কৰে আৰু আত্মা কোনো দেহত স্থিত হ'লে সেই দেহ হৈ উঠে গতিশীল। আত্মাৰ অবিনশ্বৰতাৰ কথাত বিশ্বাসীসকলে দেহৰূপী সত্তা মৃত্যুৰ গ্ৰাসত পৰাৰ

পিছত আত্মাৰ দ্বাৰা অবচ্ছিন্ন অন্তঃকৰণ নতুন গতি লোৱাৰ কথা কয়। স্থবিৰতাক আকোঁৱালি লোৱা মৃতদেহৰ পৰা ওলাই যায় সূক্ষ্ম কায়া। অৰ্থাৎ যেতিয়ালৈকে দেহ থাকে, তেতিয়ালৈকে আত্মা সেই দেহৰ ভিতৰত স্থিৰ বা বন্দী হৈ থাকে, যেতিয়া দেহে চিৰবিশ্ৰাম লয় অৰ্থাৎ মৃত্যুক সাৱটি সামৰি লয় সকলো যাত্ৰা, জীৱাত্মাই লাভ কৰে নতুন গতি। অমৃতা প্ৰীতমৰ *‘মে তুম্‌হে তুস্মে ফিৰ মিলুংগী’* কাব্যসংকলনৰ এটি কবিতাত আছে —

দেখিলো — মই এই কায়াটো ত্যাগ কৰিলোঁ
ঘৰৰ মানুহে অগ্নি দিলে আৰু যেতিয়া
অগ্নি শান্ত হ’ব ধৰিলে — সকলো গুচি গ’ল...
তেতিয়া মোৰ সূক্ষ্ম কায়া আহিল
হাতত জ্বলি থকা চাকি লৈ
আৰু চিতাৰ ভৰি পথানত চাকিটি থৈ গুচি গ’ল।

স্থবিৰতা বা ৰুদ্ধতা কিন্তু বেছিভাগ ক্ষেত্ৰতে দুখৰ কাৰক। মানুহে সদায় গতি বিচাৰে, গতিৰ বাবে মুকলি দুৱাৰ বিচাৰে, পথ বিচাৰে। ক’ৰোণাৰ বাবে মানিবলগীয়া গৃহবন্দিত্বক বহুতো মানুহে শ্বাসৰুদ্ধ অৱস্থা বুলিয়েই ভাবি থাকিল। বিভিন্ন অজুহাত লৈ কিছুমান মানুহ ৰাস্তালৈ ওলাই আহি পুলিচৰ দ্বাৰা প্ৰহৃতো হ’ল। ঘৰতে সোমাই থাকিবলৈ মানুহক বাৰম্বাৰ সতৰ্কবাণী শুনাই থাকিবলগীয়া হ’ল। মানুহক সাৱধান কৰিবলৈ কিছুমানে লক্ষ্মণৰেখাৰ লগত তুলনা কৰিলে এই বন্দিত্বক। সীতাই যদি লক্ষ্মণ-ৰেখাডাল অতিক্ৰমণৰ চেষ্টা নকৰিলে হয়, তেন্তে ৰাৱণৰ দ্বাৰা তেওঁৰ হৰণ সম্ভৱপৰ নহ’লহেঁতেন। মানুহেও যদি নিষেধাজ্ঞাৰ লক্ষ্মণ ৰেখাক অতিক্ৰমি নাযায়, তেন্তে ক’ৰোণাই আমন্ত্ৰণ কৰিব পৰা মৃত্যুৰ স্থবিৰতাক পৰাভূত কৰিব পাৰিব। কিন্তু ইমানৰ পিছতো মানুহক সম্পূৰ্ণভাৱে গৃহবন্দী কৰাটো চৰকাৰৰ পক্ষেও সম্ভৱ হৈ নুঠিল। ইয়াৰ অৰ্থ এইটোৱেই যে মানুহে গতি বিচাৰে। ৰুদ্ধতা বা স্থবিৰতা মানুহৰ কাম্য নহয়। মানুহৰ সহচৰ প্ৰকৃতিও গতিৰে উপাসক। জান-জুৰি-নদী ৰৈ যাব নোখোজে, বতাহ থমকি ৰ’ব নোখোজে। পৃথিৱীয়ে, চন্দ্ৰই নিজৰ গতি ক্ষন্তেকলৈও বন্ধ নকৰে। আনকি সূৰ্য্যয়েও নিৰন্তৰ নিজৰ অক্ষৰেখাত ঘূৰি থাকে।

সেইবাবেই কবি সাহিত্যিকেও গতিৰ গান গায়। হিন্দীৰ জনপ্ৰিয় গীত - *‘জীৱন চলনে কা নাম, চলতে ৰহো সুবহ শাম’* বা হিন্দী চিনেমা *‘চলতি কা নাম গাড়ী’* আদিয়েও ধাৱমান জীৱনৰ কথাই কয়। আমাৰ কবি দেৱকান্ত বৰুৱাই জীৱনৰ বিয়লি বেলিকা অহা স্থবিৰতাক, অবাঞ্ছিত ৰুদ্ধতাক প্ৰতিহত কৰি আগবাঢ়ি যাবলৈ কাষ চাপিছে। শিল্পৰ আজন্ম প্ৰেমিক চিত্ৰশিল্পী, দাৰ্শনিক, লেখক, সংস্কাৰক নিকোলাছ ৰ’ৰিকৰ চিত্ৰশিল্পৰ। *‘আমি দুৱাৰ মুকলি কৰোঁ’* কবিতাত অৱৰুদ্ধ কবিৰ মনৰ বিষাদ ব্যক্ত হৈছে —

জানোঁ মোৰ গতি নাই গতিৰ বাহিৰে
কিন্তু যাত্ৰাৰ শেহত ক’ত মুকলি দুৱাৰ?

ৰুদ্ধতাৰ দুখৰ মাজত শিল্পী মনে আকৌ গতি বিচাৰিছে। এই গতিৰ বাবে পথৰ সন্ধান পাইছে তেওঁ চিত্ৰশিল্পত। বিভিন্নজনে হয়তোবা এনেদৰে জীৱনৰ স্থবিৰতাৰ বিপক্ষে থিয় দিবলৈ সন্ধান কৰে নিজৰ হেঁপাহৰ বিভিন্ন গতিৰেখাৰ।

গতি লাগে। কিন্তু কেতিয়াবা এই গতিময়তাৰ প্ৰাপ্তি গতিহীনতাতো হ’ব পাৰে, কেতিয়াবা যিমান গতিৰে ধাৱমান হ’লেও তাত গতিময়তা নাথাকিব পাৰে। গতিসৰ্বস্ব জীৱনৰ বাবে এইবোৰ দিশো নিশ্চয় গভীৰবাৰে বিচাৰ্য্য বিষয়।

মহিমাৰ অংকুৰণ

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু ল'ৰালিকাল

**নীলিমা শৰ্মা মহন্ত**

অৱসৰপ্ৰাপ্ত প্ৰবক্তা, ডায়েট, মৰিগাঁও, ফোন ঃ ৯৪৩৫৩ ৬৪৪৩১

মহাপুৰুষ হিচাপে জন্ম লাভ কৰা প্ৰত্যেক ব্যক্তিৰ জন্ম বৃত্তান্তৰ গুৰিত অলপ অচৰপ অলৌকিক ঘটনা জড়িত হৈ থকা দেখা পোৱা যায়। আমাৰ শ্ৰীমন্ত শংকৰদেৱৰ জন্মৰ লগতো এনে অলৌকিক কাহিনী শংকৰচৰিত, গুৰুচৰিত আদি পুথিত পোৱা যায়। তেনে এটি কাহিনী হ'ল— শংকৰদেৱৰ দেউতাক কুসুম্বৰ ভূঞাৰ এজনী কপিলী বৰণৰ খীৰতী গাই আছিল। গাইজনীয়ে প্ৰত্যেক নিশা গোহালিৰ পৰা মুকলি হৈ ব্ৰহ্মপুত্ৰ নৈ সাঁতুৰি পাৰ হৈ শিঙ্গৰিত থকা গোপেশ্বৰ শিৱক গাখীৰ দিয়ে। আকৌ নৈ পাৰ হৈ আহি গোহালিত আগৰদৰে সোমাই থাকে। কুসুম্বৰ ভূঞাই সদায় গাইজনীৰ গাটো তিতি থকা দেখি আচৰিত হয়। তেওঁৰ মনত সন্দেহ ওপজে। এই ৰহস্যৰ সন্ধান উলিয়াবলৈ তেওঁ এদিন ৰাতি খাপ দি থাকিল। আনদিনাখনৰ দৰে সেইদিনাও গাইজনী গোহালিৰ পৰা ওলাই গৈ গোপেশ্বৰ শিৱক গাখীৰ দি আহিল। কুসুম্বৰ ভূঞাই এই কথা জানিব পাৰি আনন্দ পালে। তেওঁ পূজাৰ সামগ্ৰী লৈ গোপেশ্বৰ শিৱক পূজা কৰিলে। শিৱ সন্তুষ্ট হৈ কুসুম্বৰ ভূঞাক পুত্ৰ সন্তান লাভ কৰিব বুলি বৰ দিলে। সেই অনুসৰি ১৩৭১ শকৰ আহিন মাহৰ শুক্লা দশমী তিথি, শুক্ৰবাৰৰ, ৰাতি চাৰি দণ্ড যোৱাত শংকৰদেৱ ভূমিষ্ঠ হৈছিল। চৰিত পুথিত থকা অনুসৰি শংকৰদেৱৰ জন্ম হোৱা মাত্ৰকে ভূঞাসকলৰ ঘৰত দেৱীমূৰ্ত্তিৰ সন্মুখত জ্বলি থকা বন্তিসমূহ নুমাই যায়। দেৱী মূৰ্ত্তিসমূহ কাতি হৈ পৰি গ'ল। এনে ঘটনা হোৱাত ভূঞাসকলে দৈৱক মতাই আনি গণনা কৰাই চালে। দৈৱজ্ঞই গণি চাই ক'লে যে এই শিশুৰ বাবে দেৱীৰ উপাসনা লোপ পাব আৰু ভাগৱত পুৰাণ আদি সৰল ভাষাত ৰচিত হ'ব; মানুহে সৰল ভাষাৰে শাস্ত্ৰজ্ঞান লাভ কৰিব আৰু নামধৰ্ম প্ৰচাৰ হ'ব।

শংকৰদেৱ ডাঙৰ দীঘল হৈছিল বুঢ়ীমাক খেৰসূতীৰ তত্ত্বাবধানত। কাৰণ শংকৰদেৱৰ জন্মৰ কিছুদিন পাছতেই মাক সত্যসন্ধ্যাৰ মৃত্যু হৈছিল।

ঈশ্বৰৰ অংশ বা অৱতাৰ বুলি প্ৰসিদ্ধ মহাপুৰুষসকলৰ জীৱনৰ আগডোখৰৰ ঘটনাবোৰত অলৌকিকতাৰ সংমিশ্ৰণ থকা দেখা যায়। শংকৰদেৱ, চৈতন্যদেৱ আদি মহাপুৰুষ সকলৰো সেইবাবেই তেওঁলোকৰ পন্থীয়া চৰিত্ৰ লিখকসকলে তেওঁলোকৰ বাল্য জীৱনৰ ঘটনাবোৰত শ্ৰীকৃষ্ণৰ বাল্যজীৱনৰ ঘটনাবোৰৰ সাদৃশ্য উলিয়াই বৰ্ণনা কৰে। আমাৰ শংকৰদেৱে ঈশ্বৰৰ অংশ বা অৱতাৰ বুলি প্ৰসিদ্ধ আছিল। চৰিত পুথিসমূহত শ্ৰীকৃষ্ণৰ বাল্য জীৱনৰ ঘটনাৰ লগত শংকৰদেৱৰ বাল্য জীৱনৰ ঘটনাসমূহৰ সাদৃশ্য উলিয়াই বৰ্ণনা কৰা অনেক ঘটনা আছে। সেইবোৰৰ ভিতৰত দুই এটা ইয়াত উল্লেখ

কৰা হ'ল— এদিন শিশু শংকৰক ঘৰৰ ভিতৰত শয্যাত শুৱাই থৈছিল। শংকৰদেৰৰ মূৰৰ ওপৰত চকৰী ফেটি সাপ এটাই ফণা তুলি ছত্ৰ ধৰি আছিল। ধাই মাক চন্দৰী ঘৰৰ ভিতৰ সোমাওঁতে সেয়া দেখা পাই লৰি আহি বুঢ়ীমাক খেৰসূতীক ক'লে। খেৰসূতী এবেকোবে গৈ শংকৰক সাৱতি ধৰাত সাপটো লাহে লাহে আঁতৰি যায়। এই ঘটনাটো কৃষ্ণৰ মূৰৰ ওপৰত অনন্তনাগে ফণাৰে ছত্ৰ ধৰাৰ লগত ৰিজোৱা হয়।

শংকৰদেৰ লাহে লাহে ডাঙৰ হ'ল। তেওঁৰ বাৰ বছৰ বয়সতে বিদ্যাৰম্ভ হৈছিল। বাৰ বছৰ বয়সলৈ তেওঁ লগৰ বন্ধু বান্ধৱৰ সৈতে খেল-ধেমালি, সাঁতুৰি-নাদুৰিয়ে কটাইছিল। এনে খেল-ধেমালিৰ পৰা অৱশ্যে গুৰুজনাই প্ৰকৃতি পাঠ, সমাজ অধ্যয়ন, পৰিৱেশ সম্পৰ্কীয় যথেষ্ট জ্ঞান আহৰণ কৰিছিল। লগৰীয়াৰ লগত লুকাভাকু, ভটা, ঘিলা আদি খেলি খেলিয়ে মাজে মাজে হাবিলৈ লৰ মাৰিছিল। হাবিৰ পৰা হৰিণ পোৱালি, বঁটা চৰাই আদি ধৰি আনি সিহঁতৰ লগত ধেমালি কৰি আকৌ হাবিলৈ পঠিয়াই দিছিল। এদিন ব্ৰহ্মপুত্ৰ নদীত সাঁতুৰি ফুৰোতে শিহু এটা বুৰ মাৰি উজাই যোৱা দেখি তেৰো বুৰ মাৰি শিহুটো (River Dolphin) ধৰি আনি লগৰীয়াক দেখুৱাইছিল আৰু কিছু পাছতেই পানীত এৰি দিছিল। শংকৰদেৱে কেতিয়াও কোনো প্ৰাণীকেই আঘাত কৰা নাছিল। এবাৰ ভৰ বাৰিষাত ফেনে ফোটোকাৰে ভৰা ব্ৰহ্মপুত্ৰ নৈখন তেওঁ সাঁতুৰি ইপাৰ সিপাৰ হৈছিল। লগৰীয়াবোৰে তবধ মানিছিল।

শংকৰদেৱ দহবছৰীয়া হ'ল। সেইসময়তে এদিন তেওঁলোকৰ ঘৰত এটা ডাঙৰ সাপ সোমাইছিল। সাপটো দেখি বুঢ়ীমাক আৰু ধাইমাকে ভয় খাইছিল। এনেতে শংকৰদেৱ ঘৰ আহি পাইছিল আৰু তেওঁ লগে লগে ঘৰৰ ভিতৰ সোমাই নেজত ধৰি চোচোৰাই আনি দুপাকমান আলাসতে ঘূৰাই দূৰলৈ দলি মাৰি পঠিয়ালে। পাক-ঘূৰণি খাই সাপৰ প্ৰাণ গ'ল। মহাপুৰুষীয়া ভকতসকলে শংকৰদেৰৰ এই ঘটনাটো শ্ৰীকৃষ্ণৰ শিশুলীলাৰ বৎসাসুৰ বধৰে সৈতে তুলনা কৰে। শংকৰদেৱে বাৰ বছৰ বয়সলৈকে এইদৰে নানা প্ৰকাৰে উমলি ফুৰি কাল কটাইছিল আৰু প্ৰকৃতিৰ পৰা নানা অভিজ্ঞতা আহৰণ কৰিছিল। সেই অভিজ্ঞতাবোৰ অৱশ্যে পাছৰ জীৱনত তেওঁৰ বহু কামত আহিছিল।

এনেদৰে দিনবোৰ গৈ আছিল। এদিন খেৰসূতী আইতাকে শংকৰদেৱ ভাত খাবলৈ বহোতে ক'লে— "বাপু, তুমি পঢ়িব লাগে। আমাৰ বংশৰ উপৰিপুৰুষসকল পণ্ডিত আছিল, তুমি পঢ়া-শুনা নকৰিলে মূৰ্খ হৈ থাকিবা। বিদ্যাধন সম্পূৰ্ণ নিজৰ ধন। ভাতৃৰ মাজত ধন সম্পত্তিৰ ভাগ হয়, বিদ্যাধন কোনোৱে ভাগ কৰিব নোৱাৰে, চোৰেও চোৰ কৰিব নোৱাৰে।" শংকৰদেৱে আইতাকৰ কথা শুনি উত্তৰ দিলে — "কোন পণ্ডিতৰ ওচৰত পঢ়িব লাগে, মোক তালৈ পঠিয়াই দিয়া, মই অতি অলপ দিনৰ ভিতৰতে পঢ়ি তোমালোকৰ মনত সন্তোষ দিম।" শংকৰদেৰৰ এই কথা শুনি বুঢ়ীমাক খেৰসূতীয়ে মনত আনন্দ পালে। লগে লগে তেওঁ ভাল দিনবাৰ চালে। ভাদ মাহৰ কোনো এটা বৃহস্পতিবাৰে শুভলগ্ন চাই শংকৰদেৰৰ বিদ্যাৰম্ভ কৰা হ'ল। তেওঁক মহেন্দ্ৰ কন্দলিৰ টোললৈ পঢ়িবলৈ পঠিয়াই দিলে। এইগৰাকী খেৰসূতীয়ে শংকৰদেৱক অকল তুলি-তালি ডাঙৰ দীঘল কৰাই নহয়, শংকৰক শংকৰদেৱ আৰু শ্ৰীমন্ত শংকৰদেৱ হোৱাত লৌকিক দিশত প্ৰভূত বৰঙণি যোগালে। আই খেৰসূতী ধন্যা।

তেতিয়াৰ দিনত আনুষ্ঠানিক শিক্ষাৰ একমাত্ৰ ব্যৱস্থা আছিল 'টোল'সমূহ। টোলসমূহ আছিল আৱাসিক। তাতেই গুৰুগৃহ, ছাত্ৰাৱাস আদিৰ ব্যৱস্থা আছিল। ছাত্ৰসকলে শিক্ষাগ্ৰহণ কৰাৰ লগে লগে শাৰীৰিক পৰিশ্ৰমো কৰিব লাগিছিল। প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাত এনে টোলৰ বিষয়ে পঢ়িবলৈ পাইছোঁ।

শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে শংকৰদেৱক ছাত্ৰ হিচাপে পাই বৰ ভাল পাইছিল আৰু কন্দলিয়ে কৈছিল—

'মাস মুগ আদি কৰি নৈবেদ্য সম্ভাৰ,
দেৱী পূজিবাক লাগে লাগয় তোমাৰ।।"
(গুৰু চৰিত)

গুৰুৰ কথাত শংকৰদেৱে উত্তৰ দিলে —
"শংকৰে বোলান্ত গুৰু! শুনিয়ো বচন।
দেৱীত কৰিয়া শ্ৰেষ্ঠ দেৱ-নাৰায়ণ।।
দেৱী পূজিবাক হাঁহ ছাগলি লাগয়।
তুলসীৰ পূজাতেই দেৱ তুষ্ট হয়।।"
(গুৰু চৰিত)

তেওঁৰ কথাত মহেন্দ্ৰ কন্দলি মুগ্ধ হ'ল। শংকৰদেৱৰ একশৰণীয়া মনোভাব সেইসময়ৰ পৰাই প্ৰকট হৈছিল। তেওঁৰ শিক্ষা আৰম্ভ হ'ল। আৰম্ভ হ'ল বৌদ্ধিক জীৱন। গঢ়ি উঠিল আধ্যাত্মিকতাৰ বুনিয়াদ।

মহেন্দ্ৰ কন্দলিয়ে তেওঁৰ টোলত পঢ়ি থাকোতে শংকৰদেৱৰ অলৌকিক অসাধাৰণ কৰ্মৰাজিৰ বিষয়ে জানিব পাৰিছিল। এদিন একাদশী তিথিত সকলো ছাত্ৰই পাঠ শেষ কৰি আৱাসলৈ গ'ল। শংকৰদেৱে পঢ়াশালীতেই শুই থাকিল। তেওঁৰ শৰীৰত ৰ'দ পৰাত এটা সাপে ফণা মেলি ছাঁ দি থাকিল। এনেতে মহেন্দ্ৰ কন্দলি আহি সেইখিনি পোৱাত সাপটো নিজে নিজে আঁতৰি যায়। সেই দিনাৰে পৰা মহেন্দ্ৰ কন্দলিয়ে শংকৰক 'শংকৰদেৱ' বুলি মাতিবলৈ ছাত্ৰসকলক আজ্ঞা শুনাই দিছিল। তেতিয়াৰে পৰা শংকৰ শংকৰদেৱ হিচাপে পৰিচিত। পঢ়-শুনাত শংকৰদেৱ আছিল অতি প্ৰখৰ। বিদ্যাৰ সোৱাদ পাই শংকৰদেৱে শাস্ত্ৰ চৰ্চাত মনোনিবেশ কৰিছিল।

শংকৰদেৱে বৰ্ণমালা শিকাৰ পাছতেই ব্যঞ্জনবৰ্ণ জোঁটাই এটা কবিতা ৰচনা কৰি গুৰু মহেন্দ্ৰ কন্দলিক দিছিল। মহেন্দ্ৰ কন্দলিয়ে কবিতাটোৰ অৰ্থ হৃদয়ংগম কৰি বুজি পালে যে কবিতাৰ ৰচয়িতা শংকৰ স্বয়ং ভগৱান শ্ৰীহৰি। তথাপি খেৰসূতীৰ বাক্য পালন কৰি তেওঁ শংকৰদেৱক পঢ়ুৱাই থাকিল।

কবিতাটো হ'ল —
"কৰতল কমল কমল দল নয়ন।
ভৱদব দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয়মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰ শৰ হও দশবদন।
খগচৰ নগধৰ ফনধৰ শয়ন।।
জগদঘমপহৰ ভৱভয় তৰণ।
পৰপদলয় কৰ কমলজ নয়ন।।
ভকতৰ ভয়হৰ ভগৱন শৰণ।
শংকৰ কহৰহ নমৰহ মৰণ।।"

কবিতাটোৰ ভাবানুবাদ হ'ল — প্ৰভুৰ হাতৰ তলুৱা পদুমৰ পাহিৰদৰে আৰু চকুজুৰিও পদুমৰ পাহিৰ দৰে। এই সংসাৰ অৰণ্য দহন কৰি ভগৱানেহে সংসাৰ বন্ধন মোকোলাই দিব পাৰে। যিজন সৎ, সত্যনিষ্ঠ তেওঁক ভগৱানে কৃপা কৰে। তিনি তাপত

আৰব্ধ মানুহক ভগৱানে অভয় প্ৰদান কৰে। গতিকে হে প্ৰভু, মোকো অভয় প্ৰদান কৰা। ৰামচন্দ্ৰই তীব্ৰবেগী বানেৰে দহমূৰীয়া ৰাৱণক বধ কৰিছিল। ঈশ্বৰ ফনাধাৰী অনন্ত শয্যাত শয়ন কৰে। পাপ-তাপ হৰণকাৰী ঈশ্বৰে জগতৰ পাপ হৰণ কৰক। ঈশ্বৰৰ অনুগ্ৰহতেই জীৱই ভগৱানত লীন যাব পাৰে।

গভীৰ ঈশ্বৰবোধ, গভীৰ অনুভূতি, গভীৰ তত্বৰ পৰিচায়ক শংকৰদেৱৰ ল'ৰালিকালৰ ৰচনা এই কবিতাটি আমাৰ বাবে এটি শ্ৰেষ্ঠ অৱদান।

মহেন্দ্ৰ কন্দলিৰ টোল আৰু বুঢ়ীমাক খেৰসূতীৰ ইচ্ছা আৰু চেষ্টাৰ ফলতেই শংকৰদেৱৰ চিন্তাৰ বাট মুকলি হৈছিল। পাচৰ কালত বিভিন্ন ঠাই ভ্ৰমণ কৰি বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি তেওঁ 'একশৰণ নাম ধৰ্ম' প্ৰচাৰ কৰিছিল মানুহৰ মুক্তিৰ বাবে। ল'ৰালি কালেই শিশুৰ চৰিত্ৰ গঠনৰ এটা উপযুক্ত সময়; সেয়েহে কয় —

"সোণাময় শিশুকাল
শিক্ষাৰ সময় ভাল।"

**সহায়ক গ্ৰন্থ ঃ**

১) শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ — লক্ষ্মীনাথ বেজবৰুৱা। ২) মহাপুৰুষৰ জ্যোতি — তৰুণ কুমাৰ বৰা।

## প্ৰচ্ছদ পৰিচিতি

**কাশীপুৰ উদ্যানবাটী, কলিকতা— ইয়াতেই শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱে তেওঁৰ মৰ্ত্যলীলাৰ শেষ আঠ মাহ কটাই মহাসমাধিত লীন হৈছিল।**

এই ধুনীয়া বাগিছাৰ সংলগ্ন দুমহলীয়া ঘৰটোৰ ওপৰৰ কোঠাত শ্ৰীৰামকৃষ্ণদেৱে বাস কৰিছিল আৰু শ্ৰীশ্ৰীমা সাৰদাদেৱী আছিল তলত মহলাৰ এটি সৰু কোঠালীত। শ্ৰীৰামকৃষ্ণদেৱৰ অসুখৰ বাবে ইয়াতেই তেওঁৰ ভক্তগণৰ বিশেষ সমাগম হৈছিল আৰু তেওঁৰ সেৱা-শুশ্ৰূষাক কেন্দ্ৰ কৰি নৰেন্দ্ৰনাথৰ নেতৃত্বত এক ত্যাগী যুৱকৰ দল গঠিত হৈছিল, যিসকলে পৰৱৰ্তীকালত সন্ন্যাসধৰ্ম গ্ৰহণ কৰি শ্ৰীশ্ৰীঠাকুৰৰ পোনপটীয়া পাৰ্ষদৰূপে আজিও পূজিত।

স্মৰ্তব্য যে, ইয়াতেই শ্ৰীৰামকৃষ্ণদেৱে ৰাজহুৱাকৈ নিজৰ স্বৰূপ প্ৰকাশ কৰিছিল আৰু ঠাকুৰৰ সেৱাত ব্ৰতী থকা উক্ত ত্যাগী যুৱকসকল যেনে নৰেন্দ্ৰনাথ, শৰৎ, শশী, বাবুৰাম, লাটু, কালী, বুড়ো গোপাল, তাৰক আদিয়ে তীব্ৰ সাধনাত নিমগ্ন হৈ আধ্যাত্মিক অনুভূতিৰ উচ্চৰ পৰা উচ্চতৰ স্তৰলৈ আৰোহণ কৰিছিল।

**পহিলা জানুৱাৰী ১৮৮৬ চন**। এই দিনটো হ'ল শ্ৰীৰামকৃষ্ণদেৱৰ শিষ্য, ভক্ত, অনুৰাগী, অনুগামীসকলৰ বাবে এটা বিশেষ দিন। সেইদিনা আবেলি অসুস্থ শ্ৰীৰামকৃষ্ণদেৱে ওপৰমহলাৰ কোঠাৰ পৰা নামি আহি সংলগ্ন বাগিছাত খোজকাঢ়িব ল'লে আৰু হঠাৎ এক দিব্য অনুভূতিৰে আপ্লুত হৈ তাত উপস্থিত ভক্তসকলক উদ্দেশ্য কৰি, উচ্চাৰণ কৰিলে— 'তোমালোকৰ চৈতন্য হওক' আৰু তেওঁলোকক স্পৰ্শ কৰি তেওঁলোকৰ আধ্যাত্মিক শক্তি জগাই দিব ধৰিলে। যিসকলে এই আশীৰ্বাদ স্পৰ্শ লাভ কৰিলে তেওঁলোকৰ দিব্যদৃষ্টি মুকলি হ'ল।

বৰ্তমানকালত, ৰামকৃষ্ণ মিছনৰ কাশীপুৰ শাখাকেন্দ্ৰত এই দিনটো মহাসমাৰোহেৰে উদ্‌যাপন কৰা হয় য'ত প্ৰায় লক্ষাধিক ৰাইজৰ সমাগম হয়।

প্ৰতি বছৰে ইংৰাজী নৱবৰ্ষৰ এই প্ৰথম দিনটো শ্ৰীৰামকৃষ্ণ অনুৰাগী তথা ভক্তসকলৰ মাজত **'কল্পতৰু দিৱস'** বুলি পৰিচিত আৰু ৰামকৃষ্ণ মিছনৰ বহুতো শাখাকেন্দ্ৰত এই 'কল্পতৰু দিৱস' পালন কৰা হয়।

**ধাৰাবাহিক ৰচনা**

# স্বামীজীৰ আহ্বান

বিদেশৰ মাটিত প্ৰায় চাৰি বছৰ ভাৰতবৰ্ষৰ সনাতন ধৰ্ম আৰু আদৰ্শ প্ৰচাৰ কৰি স্বামী বিবেকানন্দই যেতিয়া মাতৃভূমিলৈ ওভতি আহিছিল, পৰাধীনতা আৰু হতাশাৰ এন্ধাৰত ডুবি থকা ভাৰতবাসীয়ে তেতিয়া নতুন উদ্যমেৰে সাজু হৈ এই বীৰ সন্তানক বৰণ কৰি লৈছিল বিপুল উৎসাহ আৰু উদ্দীপনাৰে। স্বামীজীয়েও সমগ্ৰ ভাৰতজুৰি বক্তৃতা কৰি স্বদেশবাসীক দৃপ্ত তেজৰে 'নতুন ভাৰত' গঢ় দিবলৈ আহ্বান জনাইছিল। আজিকোপতি মানুহে সঁহাৰি দি আছে তেওঁৰ সেই উদাত্ত আহ্বানত। তাৰেই অলপ সোৱাদ অসমীয়া পাঠকক দিয়াৰ কাৰণে 'স্বামীজীৰ আহ্বান' পুস্তিকাখনৰ ধাৰাবাহিকভাৱে প্ৰকাশিত হৈ আছে।



**ভাবানুবাদ ঃ মঞ্জুলা সৰকাৰ**
শ্ৰীৰামকৃষ্ণ-বিবেকানন্দ অনুৰাগী ভক্ত

## (খণ্ড ঃ ৬)

*(যোৱা সংখ্যাৰ পিছৰপৰা)*

## শূদ্ৰৰ জাগৰণ

মনুষ্য সমাজ ক্ৰমান্বয়ে চাৰিটা বৰ্ণৰ দ্বাৰা শাসিত হয় — পুৰোহিত (ব্ৰাহ্মণ), সৈনিক (ক্ষত্ৰিয়), ব্যৱসায়ী (বৈশ্য) আৰু শ্ৰমিক (শূদ্ৰ), প্ৰত্যেকটোৰ শাসন কালতে ৰাষ্ট্ৰত দোষ, গুণ দুয়োটাই বৰ্তমান। ...

সৰ্বশেষত শূদ্ৰৰ শাসন যুগৰ আৱিৰ্ভাৱ হ'ব — এই যুগৰ সুবিধা এই যে, সেই সময়ত সুখ স্বাচ্ছন্দতাৰ বিস্তাৰ হ'ব, কিন্তু অসুবিধা এই যে, (হয়তো) কৃষ্টিৰ অৱনতি ঘটিব। সাধাৰণ শিক্ষাৰ পৰিসৰ খুব বাঢ়িব, কিন্তু সমাজত অসাধাৰণ প্ৰতিভাশালী ব্যক্তিৰ সংখ্যা ক্ৰমান্বয়ে কমিয়েই যাব। (বাণী আৰু ৰচনা ৭/ ৩০১)

সত্ত্ব, ৰজঃ, তমঃ ত্ৰিগুণৰ বৈষম্য আৰু প্ৰভেদ-প্ৰসূত ব্ৰাহ্মণ আদি চতুৰ্বৰ্ণ সনাতন কালৰ পৰাই সকলো সভ্য সমাজতে বিদ্যমান আছে। কালৰ প্ৰভাৱত আকৌ দেশ অনুসৰী এই চতুৰ্বৰ্ণৰ কোনো কোনোটোৰ সংখ্যা অধিক বা প্ৰতাপ বেছি হ'বলৈ ধৰে, কিন্তু পৃথিৱীৰ ইতিহাস আলোচনা কৰিলে অনুভৱ হয় যে, প্ৰাকৃতিক নিয়মৰ বলতে ব্ৰাহ্মণ আদি চাৰি জাতি যথাক্ৰমে বসুন্ধৰা ভোগ কৰিব। (ঐ ৬/২২৯)

এই শূদ্ৰ-পূৰ্ণ দেশৰ শূদ্ৰবোৰৰ কি কথা বাৰু? অইন দেশৰ শূদ্ৰ-কুল যেন অলপ বিনিদ্ৰ হৈছে। কিন্তু তেওঁলোকৰ বিদ্যা নাই আৰু আছে শূদ্ৰৰ স্বাভাৱিক স্বজাতি বিদ্বেষ। সংখ্যাত বহু হ'লেই কি হ'ব নেকি? যি একতাৰ শক্তিৰে দহজনে দহ লাখজনৰ শক্তি সংগ্ৰহ কৰে, সেই একতাৰ পৰা, শূদ্ৰ এতিয়াও বহুত দূৰৈত; শূদ্ৰ জাতি মাথোয়েই এইবাবে প্ৰাকৃতিক নিয়মৰ পৰাধীন।

কিন্তু আশা আছে। কালৰ প্ৰভাৱত ব্ৰাহ্মণ আদি

বৰ্ণও শূদ্ৰৰ নিম্ন আসনলৈ উপনীত হৈ আছে আৰু শূদ্ৰ জাতিও উচ্চ-আসনত উত্তোলিত হৈছে। ... মহাবলী চীনদেশ আমাৰ সমুখতেই দ্ৰুত পদ-সঞ্চাৰ কৰি 'শূদ্ৰত্ব' প্ৰাপ্ত হৈছে, নগণ্য জাপানে প্ৰবল তেজেৰে শূদ্ৰত্ব দূৰলৈ আঁতৰাই পেলাই ক্ৰমান্বয়ে উচ্চ বৰ্ণৰ অধিকাৰ আক্ৰমণ কৰি আছে।

... এনেকুৱা এদিন সময় আহিব, যেতিয়া শূদ্ৰত্বৰ সৈতে শূদ্ৰৰ প্ৰাধান্য হ'ব অৰ্থাৎ বৈশ্যত্ব, ক্ষত্ৰিয়তা লাভ কৰি শূদ্ৰজাতিয়ে যেনেধৰণৰ বল, বীৰ্য বিকাশ কৰি আছে সেয়াই নহয়, শূদ্ৰ ধৰ্ম-কৰ্মৰ সৈতে সকলো দেশৰ শূদ্ৰসকলে সমাজত একাধিপত্য লাভ কৰিব। ... যুগ-যুগান্তৰ পিহি পেলোৱাৰ ফলতেই শূদ্ৰসকল হয়তো কুকুৰৰ নিচিনা ভৰি চেলেকা, নহ'লেবা হিংস্ৰ পশুৰ নিচিনা নৃশংস, আকৌ চিৰকালেই তেওঁলোকৰ বাসনা নিষ্ফল, সেইবাবে দৃঢ়তা আৰু অধ্যৱসায় তেওঁলোকৰ একেবাৰেই নাই। (ঐ ৬/২৪১)

এই যে কৃষকসকল, মুচি-মেথৰ -- ইহঁতৰ কামৰ তৎপৰতা আৰু আত্মনিষ্ঠা তহঁতৰ বহুততোকৈ বহুত বেছি। এইলোকে চিৰকাল নীৰৱে কাম কৰি গৈ আছে, দেশৰ ধন-ধান্য উৎপন্ন কৰি আছে কিন্তু মুখত কোনো কথা নাই। এওঁলোক অতি সোনকালেই তহঁতৰ ওপৰলৈ উঠি যাব। Capital (মূলধন) সিহঁতৰ হাতত পৰিছে — তহঁতৰ নিচিনা অভাৱৰ তাড়না নাই। বৰ্তমান শিক্ষাই তহঁতৰ বাহ্যিক হাল-চাল সলনি কৰি দিছে, অথচ নতুন নতুন উদ্ভাৱনী শক্তিৰ অভাৱত তহঁতৰ অৰ্থ উপাৰ্জনৰ উপায় নোহোৱা হৈছে। তহঁতে এইসকল সহিষ্ণু নীচ জাতিবোৰৰ ওপৰত ইমানদিনে অত্যাচাৰ কৰিছিল, এতিয়া সিহঁতে তাৰ প্ৰতিশোধ ল'ব। আৰু তহঁতে চাকৰি বিচাৰি বিচাৰি লোপ পাই যাবি। ...

শ্ৰমজীৱীসকলে কাম বন্ধ কৰিলে তহঁতৰ খাদ্য বস্তু নিমিলে। ইহঁতক তহঁতে 'ছোট লোক' বুলি ভাৱিছ আৰু নিজকে "শিক্ষিত" বুলি অহংকাৰ কৰিছ? জীৱন সংগ্ৰামত সদায়ে ব্যস্ত হৈ থকাত নিম্ন শ্ৰেণীৰ মানুহবোৰৰ ইমান দিন জ্ঞানৰ উন্মেষ হোৱা নাই। ইহঁতে মানুহৰ বুদ্ধিৰ দ্বাৰা নিয়ন্ত্ৰিত কলৰ দৰে একেভাৱে ইমানদিনে কাম কৰি আহিছে, আৰু বুদ্ধিমান চতুৰ মানুহবোৰে ইহঁতৰ পৰিশ্ৰম আৰু উপাৰ্জনৰ সাৰাংশ গ্ৰহণ কৰিছে, সকলো দেশতেই এনেকুৱা হৈছে। কিন্তু এতিয়া সেই সময় পাৰ হৈ গৈছে। ইতৰ জাতিৰ মানুহবোৰে ক্ৰমে এই কথাবিলাক বুজিব পাৰিছে আৰু তাৰ বিৰুদ্ধে সকলোৱে মিলিত হৈ নিজৰ ন্যায্য প্ৰাপ্য আদায় কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছে। ...

এতিয়া হেজাৰ চেষ্টা কৰিলেও ভদ্ৰজাতিবোৰে নিম্ন জাতিবোৰক দবাই ৰাখিব নোৱাৰিব। এতিয়া ইতৰ জাতিসকলক নিজৰ ন্যায্য অধিকাৰ পোৱাত সহায় কৰিলেই ভদ্ৰজাতি সকলৰ কল্যাণ হ'ব। ...

এনেকুৱা নকৰিলে কিন্তু তহঁতৰ (ভদ্ৰজাতিবোৰৰ) কোনো কল্যাণ নহয়। ... এই জনসাধাৰণ যেতিয়া জাগি উঠিব আৰু সিহঁতৰ ওপৰত তহঁতৰ অত্যাচাৰ বুজিব পাৰিব — তেতিয়া সিহঁতৰ ফুকৰে তহঁত ক'ত উৰি গুচি যাবি! সিহঁতেই তহঁতৰ ভিতৰত Civilisation (সভ্যতা) আনি দিছে, সিহঁতেই আকৌ তেতিয়া সকলো ভাঙি দিব।

এইবাবেই কওঁ, এইসকল নীচ জাতিবোৰৰ মাজত বিদ্যাদান, জ্ঞানদান কৰি ইহঁতক টোপনিৰ পৰা জগাই দিবলৈ যত্নশীল হ। ইহঁতে যেতিয়া জাগি উঠিব — আৰু এদিন জাগি উঠিব নিশ্চয়েই — তেতিয়া সিহঁতেও তহঁতৰ কৃত উপকাৰ বিস্মৃত নহ'ব, তহঁতৰ ওচৰত কৃতজ্ঞ হৈ থাকিব। (ঐ ৯/১০৭)

# ভূপেন হাজৰিকাৰ গীতত উত্তৰ-পূৰ্বাঞ্চলৰ বন্দনা

ড° শংকৰ পাটোৱাৰী
সহযোগী অধ্যাপক, ধেমাজী বাণিজ্য মহাবিদ্যালয়, ফোন ঃ ৭০০২১ ১৩১০৬

**অৱতৰণিকা ঃ**

জিওফ্রি চচাৰ অথবা আলফ্রেড টেনিচনৰ কাব্য সাহিত্যত যিদৰে তেওঁলোকৰ নিজস্ব যুগ বিলাকৰ প্ৰতিফলন হৈছে একেদৰে ভূপেন হাজৰিকাৰ গীতি সাহিত্যতো তেওঁৰ যুগটোৰ উপৰিও ভালেমান সময়ত অতীতকো মূৰ্তমান হোৱা দেখা যায়। তেওঁৰ গীতৰাজিত নিজ ৰাজ্যৰ উপৰিও দেশ-বিদেশৰ ঘটনা-পৰিঘটনাৰ প্ৰতিফলন হৈছে। মানৱতাবাদী আৰু বিশ্বজনীন বক্তব্যপূৰ্ণ গীতৰাজিৰ একাংশই উত্তৰ-পূৰ্বাঞ্চলৰ বৃহত্তৰ জন সমাজখনকো স্পৰ্শ কৰা দেখা যায়। এই গৱেষণা পত্ৰৰ জৰিয়তে শিল্পীজনাৰ গীতত উন্মোচিত হোৱা উত্তৰ-পূৰ্বাঞ্চল প্ৰীতিৰ বিষয়ে আলোকপাত কৰা হব।

বহুমুখী প্ৰতিভাৰে সমৃদ্ধ ভূপেন হাজৰিকাক জনগণৰ মাজত সবাতোকৈ উজলাই তোলা কথাটো হ'ল তেওঁ একেষাৰে গায়ক-গীতিকাৰ। শিল্পী হিচাপে তেওঁ গুৰুজনাৰ লগতে জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা ইত্যাদিৰ পথকে অনুসৰণ কৰি সংগীতক সমাজ পৰিৱৰ্তনৰ এক শক্তিশালী অস্ত্ৰ হিচাপে গণ্য কৰিছিল। বিপ্লৱী শিল্পী পল ৰবচনৰ সান্নিধ্যইও তেওঁৰ এই বিশ্বাসক দৃঢ় কৰি তুলিছিল। "কলাৰ বাবে কলা"— এই তত্ত্বক গ্ৰহণ কৰিও তেওঁ "জীৱনৰ বাবে কলা" ধাৰণাতহে অধিক মনোনিৱেশ কৰা দেখা যায়। গীত সম্পৰ্কে তেওঁৰ ধাৰণা স্পষ্টকৈ দাঙি ধৰি কৈছিল— "সুৰ গৌণ, চিন্তাহে মুখ্য।" ইয়াৰ পৰা ধাৰণা কৰা হয় তেওঁৰ গীত সৃষ্টিত সুৰতকৈ গীত এটিয়ে বহন কৰা বাৰ্তাইহে আগস্থান পাইছিল। অৱশ্যে এনে নহয় যে তেওঁ গীতত প্ৰদান কৰা সুৰক সমূলি অৱহেলা কৰিছিল। বৰং বিভিন্ন উৎসৰ পৰা যেনে— বিভিন্ন লোক-সংগীত, জনগোষ্ঠীয় আৰু জনজাতীয় গীত মাত, মহাপুৰুষীয়া পৰম্পৰাৰ গীত মাত, ভাৰতীয় শাস্ত্ৰীয় সংগীত, দেশ-বিদেশৰ গীত মাতৰ পৰা বুটলি লোৱা সুৰেৰে সজোৱা তেওঁৰ গীতৰ সুৰসমূহ অন্য এক গৱেষণাৰ বিষয় হব পাৰে। তেওঁৰ "মোৰ গান হওঁক/বহু আস্থাহীনতাৰ বিপৰীতে/এক গভীৰ আস্থাৰ গান"— গীতটিয়ে পৰিষ্কাৰকৈ ঘোষণা কৰিছে যে তেওঁৰ গীত ৰাজি হ'ল এক গভীৰ ধ্যানৰ ফচল। ইয়াৰ দ্বাৰা তেওঁ মানৱ সমাজত বিশ্বাস, শান্তি, ঐক্য ইত্যাদি প্ৰতিষ্ঠাৰে সৰ্বজন গ্ৰহণযোগ্য এক পৰিৱেশ ৰচনা কৰিব খোজে। অতি চমুকৈ, এই গীতটোক তেওঁৰ গীতৰ সংজ্ঞা বুলিও বিবেচনা কৰিব পাৰি। এনেদৰে "প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰে মোক/তোমাৰ প্ৰাপ্য কি কোৱা"— গীতটোৰ

জৰিয়তে শিল্পীজনাই তেওঁৰ গীতৰ সঞ্জীৱনী শক্তিৰে সমাজৰ মুমূৰ্যুজনক যেন জীৱনৰ বিদ্যুৎ হে প্ৰদান কৰিব খোজে। গভীৰ সামাজিক দায়বদ্ধতা সম্পন্ন শিল্পীজনাই এনে এক তাড়না সততে অনুভৱ কৰে বাবে প্ৰেমৰ গীত এটিতো কেতিয়াবা ভাৱৰ উত্তৰণ ঘটাই তাত মানৱীয় প্ৰমূল্যৰ অৱক্ষয়ৰ দিশটো উন্মোচন কৰি আক্ষেপ প্ৰকাশ কৰা দেখা যায়। শিল্পীজনাৰ "শৈশৱতে ধেমালিতে/ তোমাৰে উমলা মনত আছে"— এনে এটি গীত য'ত তেওঁ ভৰ যৌৱনত বস্তুবাদী প্ৰেয়সীৰ সংগত কটোৱা কিছু ৰোমান্টিক ক্ষণ ৰোমন্থন কৰিও পিছ মুহূৰ্ততে "য'ত সোণতকৈ মানুহৰ দাম/ অলপ হ'লেও বেছি আছে" বুলি শ্লেষাত্মক প্ৰকাশেৰে সমাজৰ বাস্তৱ দিশ এটি উত্থাপন কৰিছে।

সমাজৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত পাৰস্পৰিক বিশ্বাস, আস্থা, সদ্ভাৱৰ পৰিৱেশ এটি নিৰ্মাণ কৰাটোও ভূপেন হাজৰিকাৰ গীতৰ অন্যতম এক লক্ষ্য আছিল। তেওঁৰ গীতৰ বাণীয়ে ভাৰত বন্দনা কৰাৰ দৰে ভাৰতৰ পূৰ্ব দিশত বিৰাজ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ মাজত একতা, প্ৰেম, শান্তি, প্ৰগতি, ভাতৃত্ববোধ প্ৰতিষ্ঠা কৰাটোও তেওঁৰ এক পৱিত্ৰ ধ্যান আছিল।

**ভূপেন হাজৰিকাৰ গীতত অসমীয়াৰ সংজ্ঞা ঃ**

মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, লাচিত বৰফুকন, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, গোপীনাথ বৰদলৈ ইত্যাদিৰ দৰে বিশাল প্ৰতিভাৰ অলেখ নমস্য লোকৰ জন্মস্থান এই পৱিত্ৰ অসমভূমিতে, ভূপেন হাজৰিকাৰ জন্ম হৈছিল। তেওঁ এই অসম তথা উত্তৰ-পূৰ ভাৰতৰ ভৌগলিক পৰিৱেশ, জনগণ, ইতিহাস, কৃষ্টি-সংস্কৃতি সম্পৰ্কে থকা তেওঁৰ গভীৰ নিৰীক্ষণ আৰু জ্ঞানৰ চানেকী নিজৰ গীতৰাজিৰ মাজেৰে তুলি ধৰাত সফল হৈছিল। পূৰ্বজ সকলৰ মহান আদৰ্শৰাজীয়ে তেওঁকো গভীৰভাৱে ৰেখাপাত কৰিছিল। যাৰ বাবে তেওঁ সকলোকে সামৰি এক মহান অসমীয়া জাতি নিৰ্মাণৰ ব্ৰতত মনোনিৱেশ কৰিছিল। ইয়াৰ বাবে তেওঁ গীতেৰেই আহ্বান কৰিছিল। জীৱনৰ প্ৰথমটি গীত "কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান"— ইয়াৰ দ্বাৰা তেওঁ শংকৰ বন্দনা হে কৰিছিল। চেমনীয়া কালতে তেওঁ শংকৰদেৱৰ অসমীয়া জাতি নিৰ্মাণত থকা অৱদানখিনি অনুভৱ কৰিব পৰা কাৰ্যই তেওঁৰ জাতীয়বাদী চিন্তা-চৰ্চাৰ গজালি মেলা সংকেত দিয়ে।

আনহাতে তেওঁৰ দ্বিতীয়টি গীত "অগ্নিযুগৰ ফিৰিঙতি মই/নতুন অসম গঢ়িম"ৰ জৰিয়তে অসমীয়া জাতিৰ এটি সংজ্ঞাহে নিৰূপণ কৰিব খুজিছিল এনেদৰে—

হৰিজন পাহাৰী হিন্দু মুছলিমৰ
বড়ো কোচ চুতীয়া কছাৰী আহোমৰ
অন্তৰ ভেদী মৌ বোৱাম
ভেদা ভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।

ওপৰোক্ত গীতটিত শিল্পীজনাৰ স্বপ্নৰ বৃহত্তৰ সমাজখনে পাহাৰ-ভৈয়াম সকলোকে সামৰি লৈছে। এনে এখন সমাজ প্ৰতিষ্ঠাৰ হেতু একতা আৰু ভাতৃত্ববোধৰ প্ৰবল শক্তিৰে সাম্যবাদ প্ৰতিষ্ঠা কৰি জাতিভেদ আৰু শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা কৰাৰ সংকল্প লৈছিল।

**ভূপেন হাজৰিকাৰ গীতত অৰুণাচল প্ৰীতি ঃ**

অৰুণাচল প্ৰদেশৰ প্ৰতি থকা শিল্পীজনাৰ গভীৰ ভালপোৱা তেওঁৰ কেইবাটাও গীতৰ মাজেদি প্ৰতিফলন হৈছে। তেওঁৰ "টিৰাপ সীমান্ত, "চিয়াঙৰে গালং", "অৰুণ কিৰণ শিৰৰ ভূষণ", প্ৰভৃতি গীত কেইটাই দাঙি ধৰা সূক্ষ্ম পৰ্য্যবেক্ষণ এজন নৃতত্ত্ববিদৰ দৰে। এই প্ৰদেশৰ প্ৰথম বোলছবি "মেৰী ধৰম, মেৰী মা"ৰ নিৰ্মাতাও ভূপেন হাজৰিকা। তাৰোপৰি, তেওঁৰ আত্মজীৱনী "মই এটি যাযাবৰ"ত উল্লেখিত এটি মনোৰম কাহিনীয়েও ভূপেন হাজৰিকাৰ অৰুণাচলৰ প্ৰতি থকা আত্মিক সম্পৰ্কৰ উমান দিয়ে। সেয়া, শিশু ভূপেন হাজৰিকা শদিয়াত থকাৰ সময়ৰ কাহিনী। তেওঁলোকে বাস কৰা স্থানৰ সমীপতে এখন আদি বস্তি আছিল। সেই দিনবোৰত বস্তিৰ কিছু মহিলাই জুই শলাৰ মাথো কেইটিমান কাঠীৰ বিনিময়ত তেওঁলোকৰ পৰিয়ালক কিছু সেৰা আগবঢ়াইছিল। এদিন সন্ধিয়া কামৰ অন্তত মহিলা সকলে মৰম লগা শিশু ভূপেন হাজৰিকাক তেওঁলোকৰ বস্তিলৈ লৈ গৈছিল। এই কথা শিশু ভূপেন হাজৰিকাৰ পিতৃ-মাতৃৰ অজ্ঞাতে হৈছিল। পিছত শিশুটিক বিচাৰি নাপাই পিতৃ-মাতৃৰ মাজত হুলস্থূল লাগিল। এনেকৈ ৰাতিটো পাৰ হৈ গৈছিল। ভূপেন হাজৰিকাৰ মাতৃ অচেতন হৈ পৰিছিল। পিছদিনা সন্ধিয়া শিশুটিলৈ মহিলাসকল পুনৰ ঘৰলৈ আহি পোৱাতহে পৰিস্থিতিৰ শাম কাটে। পিছত কৌতূহলবশত যেতিয়া ভূপেন হাজৰিকাৰ মাকে ইমানপৰে সি একো নোখোৱাকৈ কেনেকৈ আছিল বুলি জানিব খোজাত মহিলাসকলে উত্তৰত কৈছিল যে সি বস্তিৰ সকলো প্ৰসুতি মাতৃৰ বক্ষৰ দুগ্ধ পান কৰিছিল।

**ভূপেন হাজৰিকাৰ গীতত মেঘালয়, নাগালেণ্ড আৰু মিজোৰামৰ প্ৰতিফলন ঃ**

ভূপেন হাজৰিকাৰ গীতত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি থকা তেওঁৰ গভীৰ প্ৰেমৰ সন্ধান আন বহুতো গীততো কৰিব পাৰি। অৰুণাচল প্ৰদেশ সম্পৰ্কীয় গীতখিনিৰ বাদেও 'হে হে হে ঢোলে ডদৰে/ হে হে হে হিয়াৰ উমেৰে', 'লিয়েনমাকাও', 'শ্বিলংৰে মনালিছা লিংডো', 'শ্বিলংৰে গধূলী' ইত্যাদি গীত ৰাজিৰে অসম আৰু মেঘালয়ৰ যাউতি-যুগীয়া সম্প্ৰীতি আৰু আনুভূতিক সম্পৰ্কক উদগনি যোগাইছে। ঠিক একেদৰে তেওঁৰ "মই কহিমাৰে আধুনিকা ডালিমী/ মই গদাপাণী আধুনিক ভৈয়ামৰ"— গীতটিৰ জৰিয়তে অসম বুৰঞ্জীৰ অতি জনপ্ৰিয় এক অধ্যায়ক সোঁৱৰণীলৈ টানি আনি অসম আৰু নাগালেণ্ডৰ আনুভূতিক সম্পৰ্কক সবল কৰিব খুজিছে। "কাঃ মানাইহ চেঃ" গীতটোৰ জৰিয়তে তেওঁ মিজোৰামৰ সভ্যতা-সংস্কৃতিক বন্দিত কৰি দুয়োখন ৰাজ্যৰ জনসাধাৰণৰ মাজৰ ভাতৃত্ববোধ জগাই তুলিবলৈ চেষ্টা কৰিছে। ওপৰত উল্লেখিত গীতৰাজিয়ে সামগ্ৰিকভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাস, সংস্কৃতি আৰু ভূগোল সম্পৰ্কে থকা শিল্পী গৰাকীৰ গভীৰ আৰু সূক্ষ্ম জ্ঞানৰ প্ৰমাণ কৰে।

"ৰ'দ পুৱাবৰ কাৰণে/ মাতিবানো কাক"— গীতটিয়ে দাঙি ধৰা, একতা আৰু ভাতৃত্ববোধৰ ছবিখন অতুলনীয়। এই গীতটিত শব্দৰ আলংকাৰিক প্ৰয়োগ মন কৰিবলগীয়া। উত্তৰ-পূৰ্বৰ ঐক্য, ভাতৃত্ববোধৰ ছবিখন অতুলনীয়। এই গীতটিত শব্দৰ আলংকাৰিক প্ৰয়োগ মন কৰিবলগীয়া। উত্তৰ-পূৰ্বৰ ঐক্যতা, ভাতৃত্ববোধ, পাৰস্পৰিক প্ৰেমৰ কথা দাঙি ধৰিবলৈ তেওঁ শিপিনী সমাজৰ অতিকে আপোন সম্পদ 'শাল'খনিৰ বিভিন্ন আহিলা সমূহৰ

উপস্থাপনেৰে যেনে— 'ব-তোলা', 'বাতি কঢ়া' ইত্যাদিৰে জীৱন্ত চিত্ৰকল্প সৃষ্টি কৰি— 'চেলেং' চাদৰ প্ৰস্তুত কৰাৰ কৌশলৰ কথা অৱতাৰণা কৰিছে। ইয়াত চেলেং চাদৰখনে প্ৰকৃততে বৃহত্তৰ অসমীয়া সমাজখনৰ গঠন প্ৰক্ৰিয়াক সূচাইছে।

অন্য এক গীত "মোক জংলী জংলী/ দুনিয়াই কয়" গীতটোও এই সম্পৰ্কত অৱতাৰণা কৰিব পাৰি। এই গীতটিৰ জৰিয়তে প্ৰকাৰন্তৰে তেওঁৰ এই অঞ্চলটিৰ প্ৰতি থকা গভীৰ প্ৰেমৰ হে প্ৰতিফলন ঘটাইছে। ভাৰতৰ মূল সুঁতিৰ লোকে উত্তৰ-পূৰ্বাঞ্চল সম্পৰ্কে তেওঁলোকৰ অজ্ঞতাৰ বাবে বহু সময়ত ভুল মত পোষণ কৰা দেখা যায়। তেওঁলোকে ভাবে যে এই অঞ্চলটি অসভ্য, বৰ্বৰ মানুহৰ বাসস্থান। তেওঁলোকৰ এনে নেতিবাচক দৃষ্টিভংগীৰ প্ৰত্যুত্তৰ হিচাপে শিল্পী জনাই তীব্ৰ শ্লেষাত্মক ভাষাৰে উত্তৰ দি গাইছে—

"চহৰ বন্য জন অৰণ্য
মানৱ হৈ যায় যন্ত্ৰ
জংলী য'ত জানোৱাৰেও
প্ৰেমৰ দিব পাৰে মন্ত্ৰ
ই তুলনাত জংঘল সুন্দৰ।"

**উপসংহাৰ ঃ**

শেষত, ইয়াকে ক'ব পাৰি যে ভূপেন হাজৰিকাৰ গীতত উত্তৰ-পূৰ্বাঞ্চল প্ৰীতিৰ নিদৰ্শনৰ পয়োভৰ ঘটিছে। এক অৰ্থত তেওঁক এই বৃহত্তৰ অঞ্চলৰ এগৰাকী যোগ্য সাংস্কৃতিক দূত বুলি আখ্যা দিব পাৰি। এই অঞ্চলৰ কৃষ্টি সভ্যতাক লৈ তেওঁৰ যি স্বাভিমান সেইয়া কাৰ্য্যত অকল গীতৰ জৰীয়তেই নহয় বৰং অন্যান্য বহুতো ক্ষেত্ৰতো প্ৰতিফলিত হৈছিল। উল্লেখ্য যে অসমৰ অন্য এক বৃহৎ জনগোষ্ঠী চাহ মজদুৰ সকলৰ লগতে অসমীয়া মুছলমান সমাজখনৰ প্ৰতিও তেওঁ গীতেৰে সন্মানজনক সহমৰ্মিতা প্ৰদৰ্শন কৰিছে। ইয়াৰোপৰি, ভৈয়াম অঞ্চলত বাস কৰা বৃহৎ জনজাতীয় সমাজখনৰ জীৱন গাঁথা ভূপেন হাজৰিকাই তেওঁৰ গীতত সঠিকভাৱে উপস্থাপন কৰা দেখা যায়।

**প্ৰসংগ পুথি ঃ**


১। কলিতা পুলিন (সম্পা) জালান গোপাল পৰাশৰ অনুভৱ ঃ বিশ্বনাগৰিক ভূপেন হাজৰিকা, চন্দ্ৰ প্ৰকাশন, ২য় সংস্কৰণ, ২০০৭।

২। কুমাৰ থানেশ্বৰ (সংকলন) ঃ গুণমুগ্ধৰ অনুভৱত ড° ভূপেন হাজৰিকা, প্ৰকাশক— কুমাৰ গ্ৰন্থকোষ, পলাশবাৰী, গুৱাহাটী, ২য় সংস্কৰণ ২০০৯

৩। পাঠক তৰণী, পাঠক মনোমতী ডাউকা ঃ গুণমুগ্ধৰ অনুভৱত ড° ভূপেন হাজৰিকা প্ৰকাশক— কুমাৰ গ্ৰন্থকোষ, পলাশবাৰী, গুৱাহাটী, ২য় সংস্কৰণ ২০০৯

৪। ৰাজবংশী ড° পৰমানন্দ (সম্পা) ঃ ড° ভূপেন হাজৰিকাৰ জীৱন আৰু সংগ্ৰাম, অসম সাহিত্য সভা, প্ৰথম সংস্কৰণ ২০১২

৫। হাজৰিকা সূৰ্য্য (সম্পা) ঃ ড° ভূপেন হাজৰিকা ৰচনাৱলী, ২য় খণ্ড, প্ৰথম সংস্কৰণ ২০০৮

৬। হাজৰিকা সূৰ্য্য (সম্পা) ঃ মই এটি যাযাবৰ, ২য় সংস্কৰণ ২০০৮

# বৰপেটা সত্ৰত এভুমুকি

**ভবজিৎ বায়ন**
সহকাৰী অধ্যাপক, বি বি কে মহাবিদ্যালয়, নগাঁও, ফোন ঃ ৯৪৩৫৩ ২০৬২৯

"অসমৰ কাশীপুৰী দ্বাৰকা মথুৰাপুৰী
অসমৰ বৰপেটা ধাম,
চাই যোৱা বাটৰুৱা পৰাণ জুৰাই যোৱা
শুনি যোৱা হৰিগুণ নাম।"
(বৰপেটা - শৈলধৰ ৰাজখোৱা)

**বৰপেটা সত্ৰৰ আৰম্ভণি ঃ**

সেই সময়ত মাধৱ পুৰুষ সুন্দৰীদিয়াত। এদিনাখন কেইজনমান ভকত এখন খেতি পথাৰেৰে মাধৱ পুৰুষৰ ওচৰলৈ অহাত খেতিৰ গিৰিহঁতে তেওঁলোকক বৰকৈ অপমান কৰাত মাধৱদেৱে মৰ্মান্তিক আঘাত পালে আৰু সুন্দৰীদিয়া ত্যাগ কৰি ভৱানীপুৰলৈ যাবলৈ মন কৰিলে। ইতিমধ্যে গোপাল তাঁতী (পিছলৈ মথুৰাদাস বুঢ়া আতা)য়ে সুন্দৰীদিয়ালৈ গৈ সকলো কথা জানিব পাৰি অত্যন্ত দুঃখিত হ'ল আৰু গুৰুজনাক তাঁতীকুছিলৈ আহিবলৈ কাতৰ অনুৰোধ জনালে। আনকি গুৰুজনাৰ বস্তু-বাহানিৰ ভাৰখন আলধৰা যদুমণি আতৈৰ কান্ধৰ পৰা কাঢ়ি নি নিজে কান্ধত লৈ তাঁতীকুছি মুখে খোজ ল'লে। পিছে পিছে মাধৱদেৱ।

কিছুদিন তাঁতীকুছিত থকাৰ পিছত এই পৱিত্ৰ ভূমি সত্ৰ স্থাপনৰ উপযুক্ত ঠাই বুলি ধৰি ল'লে। কিন্তু মনোনীত কৰা ঠাইখিনিৰ গৰাকী আছিল— ৰামচন্দ্ৰ বুঢ়া (আন নাম লাডুৱা বুঢ়া) নামৰ এজন ধৰ্মপ্ৰাণ লোক। মাধৱদেৱে বুঢ়া আতাৰ হতুৱাই লাডুৱা বুঢ়াক সন্মত কৰাই এডৰা মাটি দান স্বৰূপে ল'লে আৰু তাতে অৱশেষত ৰভা সাজি কোনো কোনোৰ মতে 'কোটোৰা যাত্ৰা' নামৰ অংকীয়া ভাওনা পাতিলে। এয়ে বৰপেটা সত্ৰৰ প্ৰথম অংকীয়া নাটৰ ভাওনা। ৰাইজৰ যথেষ্ট সমাদৰ লাভ কৰি মাধৱদেৱে ইয়াতে এটি কীৰ্তনঘৰ সাজিবলৈ মনস্থ কৰিলে। কিন্তু আগতে পোৱা মাটিখিনি কীৰ্তনঘৰ সাজিবলৈ পৰ্যাপ্ত নহ'ব বুলি জানি আকৌ লাডুৱা বুঢ়াক খুজি এডৰা মাটি দান ল'লে। যথাসময়ত এই অঞ্চলৰ ৰাইজৰ সহায়-সহযোগিতাত সেই ঠাইতে খুটা-বাঁহ আদিৰে বৈকুণ্ঠৰ আৰ্হিৰে মজলীয়া ধৰণৰ অতি বিতোপন ঘৰ এটি তৈয়াৰ হৈ উঠিল। এয়ে বৰপেটাৰ আদি কীৰ্তনঘৰ আৰু সময়টো আছিল ১৫৮৩ খ্ৰীঃ।

ইয়াৰ দুবছৰমান পিছত মাধৱদেৱে জ্ঞানী-অজ্ঞানী, সুখী-দুখী, ৰজা-প্ৰজা, ভকত-অভকত সকলোকে আকৰ্ষণ কৰিব পৰাকৈ সেই স্থানত এটি চকুত লগা ধৰণৰ ঘৰ সাজিবলৈ ইচ্ছা কৰিলে। সেই

মৰ্মে আগৰণুৱা বুঢ়া আতাক লগত লৈ ঠাকুৰ আতা, বৰবিষ্ণু আতা, গোপাল আতা, লক্ষ্মীকান্ত প্ৰমুখ্যে ভকতসকলৰ অকুণ্ঠ সহযোগত কামীবোৰ হেঙ্গুল-হাইতালেৰে বোলাই, চতি, ফুলচতি, খুঁটা আদিত নানাধৰণে লতা-পতা ফুল আদি কাটি বালিচন্দা, ৰংপতা আদি খটোৱাই কৃষ্ণ খনিকৰ নামৰ বিখ্যাত মিস্ত্রি এজনৰ দ্বাৰা আহল-বহল, অতি বিতোপন ঘৰ এটি নিৰ্মাণ কৰি উলিয়ালে। এইটোৱে সুবিখ্যাত 'ৰঙিয়াল গৃহ'।

কালৰ কুটিল গতিত 'ৰঙিয়াল-গৃহ' বেছিদিন নিটিকিল। ১৫৯৪ খ্ৰীঃত বুঢ়া আতা বৰপেটাৰ বাহিৰত থকা অৱস্থাত হঠাৎ এদিন বনপোৱা জুইত 'ৰঙিয়াল-গৃহ' ভস্মীভূত হয়। মাধৱদেৱৰ উপদেশ মৰ্মে বুঢ়া আতাই ঠাকুৰ আতা তথা অন্যান্য ভকতসকলৰ সহযোগত পুনৰ সেই ঠাইতে আহল-বহলকৈ এটি কীৰ্তনঘৰ সাজি উলিয়ায়।

**বৰপেটা সত্ৰত তুলসীৰ খুটা ঃ**

১৯০১ খ্ৰীঃত বৰপেটাত প্ৰবল বানপানী হয় আৰু এই বানপানীত বৰপেটাৰ যথেষ্ট ক্ষতি হয়। কথিত আছে যে, এই বানপানীত যথেষ্ট সংখ্যক সৰল গঠৰ খুটা ব্ৰহ্মপুত্ৰয়েদি ভাহি আহি শুৱালকুছিৰ ঘাটত কাষ চাপে। সত্ৰৰ সত্ৰীয়া গোবিন্দ মিশ্ৰই সপোনত দেখে যে এই খুটাবোৰ বৰপেটাৰ সত্ৰৰ কীৰ্তনঘৰৰ খুটা, চ'তি আদি ৰূপে ব্যৱহাৰ হ'বলৈ বানপানীৰ সোঁতত ভাহি আহিছে। সেইমতে সমূহ ভকতে খুঁটাবোৰ বৰপেটা সত্ৰলৈ লৈ আহে। কথিত আছে যে এই খুঁটাবোৰৰ লগতে এডাল প্ৰকাণ্ড তুলসীৰ খুঁটাও বৰপেটালৈ ভাহি আহিছিল। ৰাইজে ভাহি অহা খুঁটাবোৰেৰে কীৰ্তনঘৰটো পুনৰ নিৰ্মাণ কৰে আৰু তুলসীৰ গছডাল সমানে ছেদন কৰি দুটা খুঁটা কৰি কীৰ্তন ঘৰৰ পূব পালিত লগায়। বৰ্তমানে নতুনকৈ সজোৱা কীৰ্তন ঘৰৰ পশ্চিম পালিত তুলসীৰ খুঁটা দুটা প্ৰত্যক্ষ কৰা যায়। পৰৱৰ্তী সময়ত বুঢ়াসত্ৰীয়া চন্দ্ৰকান্ত দেৱমিশ্ৰৰ নেতৃত্বত পৰিচালনা সমিতিয়ে ১৯৬৩ খ্ৰীঃৰ ফাগুন মাহত সত্ৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰি ১৯৬৬ খ্ৰীঃত আধুনিক কৌশল আৰু ভাস্কৰ্য খটুৱাই সত্ৰৰ নিৰ্মাণ কাৰ্য সমাপ্ত কৰে। সত্ৰৰ মূল তোৰণৰ নক্সা আৰু নিৰ্মাণ কাৰ্যৰ বাবে পঞ্জাৱৰ পৰা ৰাজমিস্ত্রী অনোৱা হৈছিল।

**বৰপেটা সত্ৰৰ বাটচ'ৰা আৰু তোৰণ ঃ**

বৰপেটা সত্ৰত প্ৰৱেশ কৰা বাটচ'ৰা তিনিটা। সেইকেইটা হ'ল — উত্তৰহাটীৰ বাটচ'ৰা, দক্ষিণহাটীৰ বাটচ'ৰা আৰু নহাটীৰ বাটচ'ৰা। প্ৰত্যেক বাটচ'ৰাৰ সন্মুখত একোখনকৈ তোৰণ আছে। উত্তৰহাটীৰ বাটচ'ৰা এৰি পোৱা প্ৰৱেশ দ্বাৰক 'উত্তৰ তোৰণ', দক্ষিণহাটীৰ বাটচ'ৰা এৰি পোৱা প্ৰৱেশ দ্বাৰক 'দক্ষিণ তোৰণ' আৰু নহাটীৰ বাটচ'ৰা এৰি পোৱা প্ৰৱেশ দ্বাৰক 'মূল তোৰণ' বুলি জনা যায়। তোৰণ কেইখনৰ বেৰত বৈকুণ্ঠৰ দ্বাৰী জয়-বিজয়ৰ মূৰ্তি আছে। বাটচ'ৰা কেইটা পোৱাৰ পিছত যিদৰে সত্ৰৰ সন্মুখেৰে কোনো লোকে কোনো যান-বাহনত আৰোহণ কৰি যাব নোৱাৰে তেনেদৰে তোৰণৰ পৰা মূল সত্ৰলৈ কোনো লোকে জোতা-চেণ্ডেল পিন্ধি যোৱাটো নিষিদ্ধ।

**বৰপেটা সত্ৰৰ কীৰ্তনঘৰ ঃ**

বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰটো সত্ৰ প্ৰাংগনৰ মাজত অৱস্থিত। কীৰ্তনঘৰৰ পূবদিশে ভাঁজঘৰ, কীৰ্তনঘৰৰ সংলগ্ন স্থানত উত্তৰ দুৱাৰ আৰু পশ্চিম দিশে মূল দুৱাৰ। কীৰ্তনঘৰৰ পূবৰ পৰা দ্বিতীয় কোঠালিত গুৰু আসনৰ সন্মুখত দুগছি প্ৰকাণ্ড গছা স্থাপন কৰা আছে। গুৰু আসনৰ দুই মূৰত পশ্চিম

মুৰাকৈ বহিব পৰাকৈ বুঢ়া আৰু ডেকাসত্ৰীয়াৰ আসন। গুৰু আসনৰ শেষৰ ফালে পাঠকৰ বহা ঠাই। গুৰু আসনৰ সন্মুখত নিয়মিত প্ৰসংগ কৰা হয়। মূল দুৱাৰেৰে চালে কীৰ্তন ঘৰৰ ভিতৰত তিনিখন গুৰু আসন দেখা যায়। তিনিখন আসনৰ উত্তৰৰখন পাঁচ থাকৰ, মাজৰখন সাত থাকৰ আৰু দক্ষিণৰখন তিনি থাকৰ। কীৰ্তনঘৰৰ দক্ষিণফালে দৌল গৃহ। উত্তৰ ফালে থকা সিংহদ্বাৰ যিখন উৎসৱ-পাৰ্বণতহে খোলা হয়। দৌল গৃহত দেউল উৎসৱৰ সময়ত গোঁসাইক মূল কীৰ্তন ঘৰৰ পৰা পৰম্পৰা অনুযায়ী উলিয়াই আনি স্থাপন কৰা হয়। সিংহদ্বাৰৰ উত্তৰফালে শ্ৰীশ্ৰীশংকৰদেৱৰ অধ্যয়নাগাৰ। সত্ৰৰ বাটচ'ৰা পাৰ হৈ পূব দিশে থকা চিৰি (থাক)ৰ সন্মুখত মূল কীৰ্তনঘৰৰ টুপৰ চোতাল আৰু বাওঁফালে যোগমোহন ঘৰ। ইয়াৰ পূব ফালে উত্তৰ হাটীৰ থুল এঘাৰ হাটীৰ ভঁড়াল ঘৰ, পিছফালে উদাসীন ভকতৰ দুইশাৰী। বহাৰ দক্ষিণে সত্ৰৰ ৰঙ্গমঞ্চ আৰু ৰঙ্গমঞ্চৰ পূব দিশত মূল কীৰ্তনঘৰৰ ভঁৰাল। ভঁৰাল ঘৰৰ কাষত চিৰিয়াখানা আৰু খটখটিৰ জিৰণি ঘৰ। জিৰণি ঘৰৰ পূব দিশত মাধৱদেৱৰ পুখুৰী। পুখুৰীৰ পিছফালে জিৰণি ঘৰ। ইয়াৰ দক্ষিণ দিশত 'শংকৰী সংস্কৃতি বিকাশ কেন্দ্ৰ' আৰু ইয়াৰ পশ্চিমে অতিথিশালা আছে য'ত দৌল আদি উৎসৱত অহা যাত্ৰীসকলক থকা খোৱাৰ সুবিধা দিয়া হয়।

**ভাঁজঘৰ বা মণিকুট ঃ**

উপাস্য দেৱতাৰ মূৰ্তি আৰু সোণ-ৰূপৰ অলংকাৰ থকা ঘৰক ভাঁজঘৰ বা মণিকুট বুলি কোৱা হয়। বৰপেটা সত্ৰৰ ভাঁজঘৰটো সত্ৰৰ মূল কীৰ্তনঘৰৰ পূব দিশত অৱস্থিত। ভকতসকলৰ মুখে মুখে প্ৰচলিত যে শ্ৰীকৃষ্ণই কুণ্ডিল কুঁৱৰী ৰুক্মিণীক বিবাহ কৰাৰ উদ্দেশ্যে কুণ্ডিললৈ গৈ থকা অৱস্থাত ৰথৰ দ্ৰুতবেগ সহ্য কৰিব নোৱাৰি বেদনিধি ব্ৰাহ্মণৰ শ্ৰুতি ভঙ্গ হোৱাত ইয়াতেই শ্ৰীকৃষ্ণই ৰথ ৰাখি সাৰঙ্গ ধনুৰে পাতালৰ পৰা তেলযুক্ত পানী উলিয়াই ব্ৰাহ্মণৰ মূৰত দি সুস্থ কৰিছিল। ইয়াক তেল মাঠিয়া বুলি কোৱা হয়। এই ঠাইখিনি ভাঁজঘৰটোৰ ভিতৰতে আছে। কৃষ্ণৰ ধনুখনৰ ভাঁজ অনুসৰি ঘৰটো ভাঁজ কৰা বুলি ভকতসকলৰ মুখে মুখে প্ৰচলিত।

ভাঁজঘৰটো দুটা কোঠাত বিভক্ত। এটা কোঠাত কলীয়া ঠাকুৰৰ বিগ্ৰহ আৰু অক্ষয় বন্তি আৰু আনটো কোঠাত সত্ৰৰ সা-সম্পত্তি আদি ৰখা হয়। ভাঁজঘৰৰ পূব ফালে এখন দ্বাৰ আছে। ভকতে সত্ৰলৈ আগবঢ়োৱা তেলবোৰ বৰপেটা সত্ৰৰ শাখা সত্ৰসমূহলৈ সময়ে সময়ে নিয়া হয় আৰু নিমখবোৰ ভকতৰ মাজত বিতৰণ কৰা হয়।

**বৰপেটা সত্ৰৰ মঠ আৰু চোতাল ঃ**

বৰপেটা সত্ৰৰ মঠ তথা মঠৰ চোতাল অতি পৱিত্ৰ স্থান। মঠৰ চোতালত বুঢ়া আৰু ডেকাসত্ৰীয়াৰ সৈতে ভকতসকলে ধৰ্মালোচনা কৰে। সত্ৰৰ মঠ সেৱাৰ বস্তু ৰখা পৱিত্ৰ স্থান। ইয়াত মাধৱ পুৰুষে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা কেইপদমান সামগ্ৰী সুৰক্ষিত কৰি ৰখা হৈছে।

**পাটচাং বা চাংঘৰ ঃ**

কাঠ পাতেৰে সজাঘৰ পাটচাং বা চাংঘৰ। বৰপেটা সত্ৰৰ পাটচাং বা চাংঘৰক ভকতসকলে কীৰ্তনঘৰৰ দৰে পৱিত্ৰ জ্ঞান কৰে। ইয়াত সময়ে সময়ে ভকতৰ জটিল সমস্যাসমূহৰ বিষয়ে আলোচনাৰ বাবে সভা অনুষ্ঠিত কৰা হয়। পাটচাঙৰ তলত ম'ৰা চৰাই আৰু শহাপহুৰ বাহ।

**খট্‌খটিৰ ঘাট ঃ**

মাধৱ পুৰুষ আৰু তেৰাৰ শিষ্যসকলে গা-ধোৱা ঘাটৰূপে ব্যৱহাৰ কৰা জানটো বৰপেটা সত্ৰৰ পূব দিশত অৱস্থিত। পিছলৈ এই ঘাটেৰে উঠা-নমা কৰাৰ বাবে শিলৰ খট্‌খটি সাজি দিয়া হয় এয়ে খট্‌খটিৰ ঘাট। বৰ্তমান জানটোৰ দুয়োমূৰ বান্ধি দিয়াৰ ফলত ই এটা পুখুৰীৰ ৰূপতহে আছে।

**বুঢ়া আতাৰ ভিঠি ঃ**

বৰপেটা সত্ৰৰ আদি সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাৰ ভিঠিটো সত্ৰৰ পূব মূৰত অৱস্থিত। য'ত আতাপুৰুষ জনাই জীৱনৰ শেষ কালছোৱা অতিবাহিত কৰিছিল।

**শ্ৰীৰাম আতাৰ ভিঠি ঃ**

শংকৰদেৱৰ অতিকে মৰমৰ শিষ্য শ্ৰীৰাম আতাৰ ভিঠি মাধৱ পুৰুষৰ বাসগৃহৰ মুখামুখিকৈ অৱস্থিত। পৰৱৰ্তী সময়ত মাধৱদেৱৰ অত্যন্ত বিশ্বাসী অনুচৰ হৈ পৰা শ্ৰীৰাম আতাৰ ভিঠিৰ ওপৰত বৰ্তমান এটি পাটনাদ পোৱা যায়। এই নাদৰ পানী ভকতসকলে অতি পৱিত্ৰ জ্ঞান কৰে। নন্দোৎসৱৰ দিনা ইয়াৰ পানী তুলি ভকতসকলৰ গাত ছটিয়াই দিয়া হয়।

**পদ্ম আতা বা বদলা আতাৰ ভিঠি ঃ**

সত্ৰৰ মূল ঘৰৰ দক্ষিণ দিশত পদ্মআতা বা বদলা আতাৰ ভিঠি। পদ্ম আতাৰ গাৰ বৰণ পদুমৰ দৰে বগা বৰণৰ আছিল। পদ্ম আতাৰ ভিঠিক 'শ্বেত বিলাস বৈকুণ্ঠ' বুলিও কোৱা হয়। মাধৱদেৱে গাৰ বদল দি উজনি অসমৰ ধৰ্মাচাৰ্য পতা বাবে তেওঁ বদলা বা বদুলা আতা নামেৰে জনাজাত। এই ভিঠিত ভকতসকলে চেনি আগবঢ়াই মানস কৰিলে সিদ্ধি হয় বুলি জনবিশ্বাস প্ৰচলিত আছে।

**সভাঘৰ ঃ**

সভাঘৰটো কীৰ্তনঘৰৰ উত্তৰ-পশ্চিম কোণত অৱস্থিত। এই সভাঘৰত সত্ৰৰ কাম-কাজৰ বিষয়ে সমূহ ভকতৰ সভা অনুষ্ঠিত হয়।

**ভাগৱত গৃহ ঃ**

কীৰ্তনঘৰৰ দক্ষিণ আৰু দক্ষিণৰ কেৰলীয়া-হাটীৰ উত্তৰৰ মাজৰ ঠাইখিনিত 'ভাগৱত গৃহ' অৱস্থিত। নিতৌ পুৱা-গধূলি সত্ৰৰ ভকতসকলে ইয়াতে ভাগৱত শ্ৰৱণ-কীৰ্তন কৰে।

**সত্ৰ পৰিচালনা পদ্ধতি ঃ**

বৰপেটা সত্ৰৰ আদি সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাৰ দিনৰ পৰা প্ৰচলিত সত্ৰ পৰিচালনা পদ্ধতি সমাজ তথা সময়ৰ পৰিৱৰ্তনৰ লগে লগে কিছু পৰিৱৰ্তন হৈছে। সত্ৰৰ প্ৰথম অৱস্থাত শিষ্যৰ সংখ্যা কম আছিল আৰু সত্ৰৰ কৰ্মচাৰীৰ সংখ্যাও কম আছিল। সত্ৰৰ আদি সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাই ব্যক্তিগত যোগ্যতা আৰু কৰ্ম অনুসাৰে ভকতসকলৰ মাজৰ পৰা সত্ৰৰ বিভিন্ন পৰিচালকক নিযুক্তি প্ৰদান কৰিছিল — ভাগৱতী, দেউৰী, সূত্ৰধাৰ, ভঁৰালী, লেখক, কাকতি, মজুমদাৰ, যোগনিয়াৰ, কীৰ্তনীয়া, খনিকৰ, হাটীমতা, পালধৰীয়া, বৰা, বুঢ়া ভকত, ধনভঁৰালী ইত্যাদি।

সত্ৰৰ কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰাৰ বিভিন্ন বিষয়-বাব সৃষ্টি আৰু পৰিচালক নিয়োগ কৰি মথুৰা দাস বুঢ়া আতাৰ দিনতে সত্ৰ পৰিচালনাৰ অংকুৰ মেল খাইছিল। পৰৱৰ্তী সময়ত ১৯৩৫ চনত সত্ৰ পৰিচালনাৰ নিয়মাৱলীখন লিখিতভাৱে কাৰ্যকৰী হৈছিল। বৰ্তমান সত্ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু পদাধিকাৰসকল হ'ল— বুঢ়াসত্ৰীয়া, ডেকাসত্ৰীয়া আৰু সমগ্ৰ সত্ৰীয়া চহৰখনৰ ২৮ জন নিৰ্বাচিত প্ৰতিনিধি।

মহামাৰী পৰিস্থিতি

# ক'ভিড-১৯ আৰু কিছু জানিবলগীয়া কথা

**ডাঃ নৰ কুমাৰ কলিতা**

পঞ্জীয়ক, মেডিকেল অঙ্ক'লজী বিভাগ, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটী মেডিকেল কলেজ, অসম

আজিৰ দিনত সকলোতকৈ পৰিচিত তথা সন্ত্ৰাসৰ সৃষ্টি কৰা মহামাৰী ৰোগটোৱে হৈছে ক'ভিড-১৯। এই ৰোগ বিধ "SARS-Cov-2" নামৰ ভাইৰাছটোৱে বিয়পায়। এইটি মূলত শ্বাস-প্ৰশ্বাস জনিত ৰোগ। চীন দেশৰ উহান প্ৰদেশত পোন প্ৰথমবাৰৰ বাবে এই ৰোগৰ উপস্থিতি "বিশ্ব স্বাস্থ্য সংস্থা"ৰ জৰিয়তে সমগ্ৰ বিশ্ববাসীৰ দৃষ্টি গোচৰ হয়।

ভাৰতবৰ্ষত বৰ্তমান ক'ভিড-১৯ মহামাৰীৰ তৃতীয় ঢৌ চলি আছে আৰু আজিৰ দিনলৈ সমগ্ৰ ভাৰতবৰ্ষত প্ৰায় ৩৬ মিলিয়নতকৈ অধিক লোক এই ৰোগত আক্ৰান্ত হোৱাৰ বিপৰীতে প্ৰায় ৩৫ মিলিয়ন ৰোগীয়ে আৰোগ্য লাভ কৰিছে আৰু ৪ লাখ ৮৭ হাজাৰ লোকে এই ৰোগত মৃত্যু মুখত পৰিছে। আনহাতে অসমত এই পৰিসংখ্যা ক্ৰমে ৬ লাখ ২৭ হাজাৰ, ৫ লাখ ৯১ হাজাৰ আৰু ৬২৪৮ জন।

এই ৰোগৰ প্ৰধান লক্ষণ সমূহ হৈছে —

১. জ্বৰ ২. শুকান কাহ ৩. অত্যধিক ভাগৰ লগা।

আনহাতে অন্য লক্ষ্যণ সমূহ যেনে—

১. স্বাদ বা ঘ্ৰাণ শক্তিৰ ক্ষয়, ২. চকু ৰঙা পৰা, ৩. ডিঙিৰ বিষ বা চৰচৰনি অনুভৱ, ৪. মূৰৰ বিষ, ৫. গাঁঠি বা মাংসপেশীৰ বিষ, ৬. চালৰ ফোঁহা, ৭. বমি বা বমিৰ ভাৱ, ৮. ডায়েৰিয়া, ৯. ঠাণ্ডা অনুভৱ ইত্যাদি লক্ষ্যণসমূহ কম বেছি পৰিমাণে ৰোগীৰ গাত দেখা পোৱা যায়।

সাধাৰণতে শৰীৰত ক'ভিড-১৯ ভাইৰাছ প্ৰবেশৰ ৫-৬ দিনৰ ভিতৰত এই ৰোগৰ লক্ষণসমূহ ফুটি উঠে। সেয়েহে নাক বা মুখগহ্বৰৰ পৰা নমুনা (Swab) সংগহ কৰাৰ ইয়েই হৈছে আটাইতকৈ উপযুক্ত সময়। অৱশ্যে লক্ষণসমূহ ১-১৪ দিনলৈ ৰোগীৰ গাত দেখা দিব পাৰে। সেয়েহে উক্ত সময়চোৱাত এই ৰোগত আক্ৰান্ত ৰোগীসকলে নিজকে পৰিয়ালৰ আন সদস্যৰ পৰা আঁতৰাই (Self Isolation) ৰাখিব লাগে ।

কোনো লোকে যদি জ্বৰ, কাহৰ লগতে শ্বাস-প্ৰশ্বাসৰ সমস্যা, বুকুৰ বিষ আদি অনুভৱ কৰে তেন্তে ই ক'ভিড-১৯ জনিত ভয়াবহতা প্ৰতিফলন কৰিব পাৰে। তেনে ব্যক্তিয়ে পলম নকৰি ততাতৈয়াকৈ চিকিৎসা কৰ্মীৰ কাষ চাপিব লাগে। শতকৰা ৮০ শতাংশ ক'ভিড আক্ৰান্ত ৰোগীয়ে হাস্পতালত ভৰ্তি নোহোৱাকৈ ঘৰত থাকি চিকিৎসকৰ পৰামৰ্শ মতে সাধাৰণ চিকিৎসাৰ দ্বাৰা আৰোগ্য লাভ কৰিব পাৰে। আনহাতে ১৫ শতাংশ ৰোগীক স্বাস প্ৰস্বাসৰ

সমস্যাৰ বাবে অ'ক্সিজেনৰ প্ৰয়োজন হয় আৰু হাস্পতালত ভৰ্তি হ'বলগীয়া হয়। ৫ শতাংশ ৰোগীৰ ক্ষেত্ৰত অধিক গুৰুতৰ সমস্যা যেনে Acute Respiratory Distress syndrome (ARDS), Sepsis, Septic Shock, Thromboembolism জাতীয় সমস্যাৰ বাবে ICU (Intensive Care Unit) ত ভৰ্তি হ'বলগীয়া হয়। ৬০ বছৰতকৈ উৰ্ধৰ ব্যক্তি, উচ্চৰক্তচাপ, মধুমেহ, কৰ্কট, হাৰ্ট বা হাওঁফাওঁৰ ৰোগত আক্ৰান্ত ব্যক্তিসকল ক'ভিড-১৯ জনিত গুৰুতৰ ৰোগত আক্ৰান্ত হোৱাৰ প্ৰৱনতা বেছি।



শাৰীৰিক দূৰত্ব বজাই ৰখা, মুখাৱৰণ (মাস্ক) পৰিধান, সঘনাই হাত ধোৱা, অতিপাত ভীৰ পৰিহাৰ কৰা, সামাজিক দূৰত্ব বজাই ৰখা, সুন্দৰকৈ বায়ু প্ৰবাহিত কোঠা ব্যৱহাৰৰ জৰিয়তে এই ৰোগ বিয়পোৱাত বাধা প্ৰদান কৰাৰ লগতে নিজকে সুৰক্ষিত ৰাখিব পাৰি।

সাধাৰণতে ক'ভিড-১৯ জনিত লক্ষণসমূহ দেখা পালে ততাতৈয়াকৈ এই ৰোগৰ পৰীক্ষা কৰাটো অতিকৈ জৰুৰী। ৰেপিড এন্টিজেন টেষ্টৰ (RAT) জৰিয়তে অতি কম সময়ৰ ভিতৰত এই ৰোগৰ উপস্থিতি ধৰা পেলাব পাৰি। কিন্তু ইয়াৰ বাবে শৰীৰত ভাইৰাছৰ মাত্ৰা (Viral Load) অধিক হ'ব লাগে। সেয়েহে RAT টেষ্টত ধৰা নপৰিলেও অতিকৈ স্পৰ্শকাতৰ (Highly sensitive) RT-PCR পৰীক্ষাৰ দ্বাৰা নাক আৰু মুখগহ্বৰৰ পৰা নমুনা সংগ্ৰহ কৰি এই ৰোগৰ উপস্থিতি সঠিকভাৱে ধৰা পেলাব পাৰি।

এই ৰোগৰ সঠিক চিকিৎসা এতিয়াও সঠিকভাৱে নিৰূপণ হোৱা নাই। সাধাৰণ ৰোগজনিত সমস্যাত আক্ৰান্ত লোকসকলে লক্ষণজনিত ঘৰুৱা চিকিৎসাৰ (চিকিৎসকৰ পৰামৰ্শৰ ভিত্তিত) জৰিয়তে এই ৰোগৰ চিকিৎসা কৰিব পাৰে। গুৰুতৰ সমস্যাজনিত ভোগা তথা চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া লোকসকলৰ চিকিৎসা কিছু কঠিন যদিও উপযুক্ত সময়ত চিকিৎসা গ্ৰহণ আৰু চিকিৎসালয়ত অক্সিজেনৰ ব্যৱহাৰ, Dexamethasone, Ramdesivir, Tocilizumab, Hydroxy-chloroquine, Lopinavir/Ritonavir, Interferon, Antibody Cocktail (Casirivimab & Imdevimab) আৰু Convalescent Plasma ইত্যাদি ঔষধৰ প্ৰয়োগেৰে বহুতো ক্ষেত্ৰত বিপদৰ শাম কাটিব পৰা যায়। আগন্তুক সময়ত ইয়াৰ ওপৰত আৰু গৱেষণাৰ অৱকাশ আছে।

ভেকচিন বা ছিটাই এই ৰোগ প্ৰতিৰোধ কৰাত

এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলি ধাৰণা কৰা হৈছে। ভেকচিনে মূলতঃ দেহৰ প্ৰতিৰোধী ক্ষমতাক পুনৰ উজ্জীৱিত কৰি এই ৰোগৰ পৰা আমাক ৰক্ষা কৰিব পাৰে। বৰ্তমানলৈ সমগ্ৰ বিশ্বতে প্ৰায় ৬০ টা মান ভেকচিনৰ পৰীক্ষণ (Clinical Trial) কাৰ্য চলি থকাৰ বিপৰীতে ১০ টা ভেকচিনে বিশ্বৰ বিভিন্ন প্ৰান্তত জৰুৰীকালীন প্ৰদানৰ (Emergency Authorisation) অনুমতি লাভ কৰিছে। ভাৰত চৰকাৰৰ DCGI (Drug Control General of India) ই প্ৰাৰম্ভিকভাৱে Serum Institute of India ত নিৰ্মিত “ক'ভিশ্বিল্ড” আৰু Bharat Biotech International Ltd ত নিৰ্মিত “ক'ভেকচিন” নামৰ দুটা ভেকচিনৰ জৰুৰীকালীন অনুমতি প্ৰদান কৰিছিল। এই ভেকচিন দুটাৰ ৰক্ষণাবেক্ষণৰ হাৰ যথাক্ৰমে ৭০ শতাংশ আৰু ৮১ শতাংশ বুলি প্ৰাৰম্ভিক গৱেষণাত প্ৰকাশ পাইছে। এই সময়ছোৱালৈ ৯ টা ভেকচিনে ভাৰতবৰ্ষত জৰুৰীকালীন অনুমতি লাভ কৰিছে। বৰ্তমানলৈ সমগ্ৰ ভাৰতবৰ্ষত প্ৰায় ৯১ কোটিৰো অধিক লোকে প্ৰথম পালি ভেকচিন আৰু ৬৫ কোটিৰো অধিক থাকে দুয়োপালি ভেকচিন ল'বলৈ সক্ষম হৈছে। অসমৰ ক্ষেত্ৰত এই পৰিসংখ্যা ক্ৰমে ৪ কোটি ৩ লাখ আৰু ১ কোটি ৯ লাখ।

ভাইৰাছে সঘনাই নিজৰ ৰূপ পৰিৱৰ্তন কৰিব পাৰে; গতিকে কৰ'না ভাইৰাছো ইয়াৰ ব্যতিক্ৰম নহয় আৰু ইয়াৰ বাবে ক'ৰনা ভাইৰাছৰ বহুতো পৰিবৰ্তিত ৰূপ বিশ্বৰ বিভিন্ন প্ৰান্তত দেখিবলৈ পোৱা গৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তত বৰ্তমানে চলি থকা কৰ'না ভাইৰাছৰ দ্বিতীয় বা তৃতীয় ঢৌ বিশেষকৈ এই ভাইৰাছৰ পৰিবৰ্তিত ৰূপৰ বাবে হোৱা বুলি ঠাৱৰ কৰিব পাৰি। উদাহৰণস্বৰূপে UK Variant (Voc202012/01), SA Variant (501y.v2), Denmark Mink Variant, China Variant (D614G) Delta (B.1.617.2), Omicron (B.1.1.529) ইত্যাদি ইয়াৰ উদাহৰণ।

I.C.M.R. (Indian Council of Medical Research) অৰ্থাৎ ভাৰতীয় আয়ুৰ্বিজ্ঞান পৰিষদ ৰ পৰা হোৱা গৱেষণাৰ ভিত্তিত সমগ্ৰ ভাৰতত বৰ্তমানে কমেও ১০ বিধ সাধাৰণভাৱে পৰিবৰ্তিত আৰু A 2 a নামৰ বিশেষভাৱে পৰিৱৰ্তিত কৰ'না ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। এই A 2 a নামৰ বিশেষভাৱে পৰিৱৰ্তিত ভাইৰাছবিধ অতি সহজে হাওঁফাওঁত প্ৰৱেশ কৰিব পাৰে বুলি পৰীক্ষা-নিৰীক্ষাত প্ৰতীয়মান হৈছে। এই নতুন গৱেষণাই আগন্তুক দিনত কৰ'না ভাইৰাছৰ চিকিৎসা তথা টীকাৰ নতুন গৱেষণাৰ ক্ষেত্ৰত এক বিশেষ মাত্ৰা প্ৰদান কৰিব বুলি ধাৰণা কৰা হৈছে।

*(উৎস- বিশ্ব স্বাস্থ্য সংস্থাৰ Website, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, ভাৰত চৰকাৰৰ Website আৰু Internet ৰ পৰা সংগৃহীত)*

**দয়া আৰু মায়া এই দুটা বেলেগ বস্তু। মায়া মানে আপোন মানুহৰ প্ৰতি মমতা— যেনে মা-দেউতা, ভাই-ভনী, স্ত্ৰী-পুত্ৰ এইবিলাকৰ ওপৰত মৰম। দয়া হৈছে সৰ্বভূতে মৰম, সমদৃষ্টি।**

**—শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱ**

জীৱনৰ সাধু

# প্ৰকৃত বন্ধু

**ডাঃ ভবেশ কুমাৰ দাস**
মুৰব্বী অধ্যাপক, শল্য চিকিৎসা বিভাগ, ৰাজ্যিক কৰ্কট চিকিৎসালয়, গুৱাহাটী আৰু
গুৱাহাটী ৰামকৃষ্ণ মিছন আশ্ৰমৰ পৰিচালনা সমিতিৰ সদস্য

বহুদিন আগৰ কথা। কোনো এখন দেশৰ ৰাজকুমাৰ বৰমন্ত্ৰীৰ পুতেকৰ সতে নলেগলে লগা বন্ধুত্ব আছিল। এদিনাখন তেওঁলোক দুয়ো চিকাৰলৈ বুলি এখন অৰণ্যলৈ ওলাল। পুৰণি কালত চিকাৰলৈ ওলোৱা একপ্ৰকাৰ অৱসৰ বিনোদনৰ উপায় আছিল। দুয়ো বন্ধু অৰণ্যৰ ঘন হাবিত খোজ কাঢ়ি গৈ ক্লান্ত হ'ল। ৰাজকুমাৰে এজোপা গছৰ ছাঁত কিছুপৰ জিৰণী ল'বলৈ গৈ টোপনিত লালকাল দিলে। ৰাজকুমাৰৰ গভীৰ নিদ্ৰা দেখি মন্ত্ৰীপুত্ৰই ওচৰতে পহৰা দি থাকিল যাতে কোনো বনৰীয়া জন্তু-জানোৱাৰে তেওঁৰ বন্ধুৰ কোনোধৰণৰ অনিষ্ট কৰিব নোৱাৰে।



কিন্তু বিধিৰ বিধান যে, তেনে সময়ত এটা মস্ত বিষাক্ত সাপ ৰাজকুমাৰৰ কাষলৈ আহি তেওঁক খুটিবলৈ উদ্যত হ'ল। ঠিক তেনে সময়তে মন্ত্ৰীপুত্ৰ খাপৰ পৰা তৰোৱালখন উলিয়াই সাপটোক আঘাট কৰিবলৈ প্ৰস্তুত হওঁতেই সাপটোৱে ক'বলৈ ধৰিলে, "এইজন পুৰুষৰ লগত পূৰ্বজন্মত মোৰ শত্ৰুতা আছে আৰু সেয়েহে মই তেওঁক ৰক্তপান কৰি পুৰণি শত্ৰুতাৰ পোটক তুলিম।" মন্ত্ৰীপুত্ৰই ভাবিলে সাপে খোট মৰাৰ লগে লগে, বিষও দিব আৰু ৰাজকুমাৰৰ প্ৰাণবায়ু উৰি যাব আৰু সেয়েহে ক'লে, 'হে সৰ্প, তুমি ৰাজকুমাৰৰ ৰক্তপান হে বিচাৰিছা, প্ৰাণটো বিচৰা নাই আৰু মই যদি ৰাজকুমাৰৰ কিছু ৰক্ত তোমাক দিও, তুমি সন্তুষ্ট হ'ব নে?" কথা শুনি সাপটো ৰাজী হ'ল।

তাৰ পিছত ৰাজকুমাৰে ততালিকে ওচৰৰ গছ এজোপাৰ পৰা পাত এখিলাৰে এটা পিয়লা তৈয়াৰ কৰি ল'লে আৰু শুই থকা ৰাজকুমাৰৰ ডিঙিত তেওঁ উন্মুক্ত তৰোৱালখনেৰে আঘাট হানি কিছু তেজ পাতৰ পিয়লাত গোটাই সাপটোক দিলে আৰু ৰাজকুমাৰৰ দেহত কৰা জখমত বনৰীয়া দৰৱৰ

পাত বান্ধি দিলে। মন্ত্ৰী পুতেকৰ আঘাটত ৰাজকুমাৰ সাৰ পাই যদিও দুচকু মেলিলে, কোনো এফাঁকি কথা নকৈ পুনৰ টোপনি গ'ল।

অভিসপ্ত সাপটোৱে ৰাজকুমাৰৰ তেজপান কৰি, আনন্দমনেৰে সেই স্থান ত্যাগ কৰিলে আৰু ৰাজকুমাৰৰ জীৱন ৰক্ষা পৰিল।

কিছুসময় টোপনি গৈ ৰাজকুমাৰে ক্লান্তি আঁতৰ হোৱাত ঘৰলৈ বুলি ওলাল। লগে লগে খোজ ল'লে তেওঁৰ একান্ত বন্ধু মন্ত্ৰীপুত্ৰ। দুয়োৰে মাজত কিছুপৰ আগতে ঘটি যোৱা ঘটনাটোৰ বিষয়ে কোনোধৰণৰ কথোপকথন নহ'ল। দুয়ো আগৰ দৰে স্ফুৰ্তি-তামচাৰে দিনটোৰ বাকী সময়ছোৱা চিকাৰত কটাব ধৰিলে — যেন কোনো অঘটন হোৱাই নাই। কিন্তু মন্ত্ৰীপুত্ৰৰ মনত ভীষণ দুঃচিন্তা হ'ল জানোচা এই দুৰ্ঘটনাৰ বাবে তেওঁক দোষাৰোপ কৰি কিবা শাস্তি প্ৰদান কৰে। অপৰিসীম কৌতুহলৰ বশৱৰ্তী হৈ মন্ত্ৰীপুত্ৰই ৰাজকুমাৰক অৱশেষত সুধিয়েই পেলালে, 'কি কাৰণে বাৰু তেওঁক এই বিষয়ে কোনোধৰণৰ প্ৰশ্ন কৰা নাই।'

উত্তৰত ৰাজকুমাৰে যি ক'লে সেইয়া যেন অবিশ্বাস্য। তেওঁ ক'লে— 'চোৱা, তুমি মোৰ একান্ত বিশ্বাসী বন্ধু, সেইয়া তুমিও জানা,ময়ো জানো। তোমাৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আৰু আস্থা আছে, যে তুমি যি কৰিছা সেইয়া মোৰ ভালৰ বাবেই কৰিছা। সেয়েহে মই তোমাৰ পৰা কোনো ধৰণৰ কৈফিয়ৎ বিচাৰিব খোজা নাই। মোৰ ডিঙিত আঘাট কৰা ব্যক্তিজন যদি তুমি নহৈ আন কোনোবা হ'লহেঁতেন, তেওঁৰ আচৰণত মই সন্দেহ কৰিলোহেঁতেন যে তেওঁ মোক হত্যা বা লুণ্ঠন কৰিব বিচাৰিছে আৰু মই তাৰ উপযুক্ত ব্যৱস্থাও ল'লোহেঁতেন! কিন্তু তোমাৰ নিচিনা বন্ধুৰ লগত তেনে সন্দেহৰ কোনো অৱকাশ নাই!'

আমি জীৱন যাত্ৰাত বহুতো মানুহক লগ পাওঁ, বহুতৰ লগত ঘনিষ্ঠতাও গঢ়ি উঠে, কিন্তু মুখত কওঁ যদিও সেই আটাইবোৰ কিন্তু প্ৰকৃত বন্ধু নহয় আৰু তেওঁলোকৰ সতে আমাৰ বন্ধুত্ব গঢ় নলয়। বহুক্ষেত্ৰত এৰি অহা বিদ্যালয়ৰ বা মহাবিদ্যালয়ৰ শ্ৰেণীসমূহত একেলগে পঢ়া ছাত্ৰ-ছাত্ৰীসকল সতীৰ্থ বা সহপাঠী (Classmate) হ'লেও ক্লাচফ্ৰেণ্ড (Class friend) নহ'বও পাৰে। প্ৰকৃত বন্ধু সময়ত অপ্ৰীতিকৰ বা ৰূঢ় হয়, যদিহে তেনে আচৰণে অপৰ বন্ধুগৰাকীৰ ভাল সাধন কৰে। আমাৰ মা-পিতাইও সময়ত নিজ সন্তানৰ প্ৰতি ৰূঢ় হোৱা আৰু পতি-পত্নীয়ে ইজনৰ প্ৰতি আনজনক কৰা সমালোচনা বা অপ্ৰীতিকৰ বাক্য উচ্চাৰণ কৰা বন্ধুত্বৰ পৰিচয় হয়— কাজিয়া পেচালৰ নহয়।

জ্ঞানীজনে কয়, বন্ধু হ'ব লাগে দাপোনৰ ন্যায় কাৰণ দাপোনে কেতিয়াও মিছা নকয় আৰু হ'ব লাগে ছাঁৰ দৰে কাৰণ ছাঁয়ে কেতিয়াও লগ নেৰে।

## জাননী

বৰ্তমান কাগজৰ দাম ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে বিশেষকৈ কোভিদ পৰিস্থিতিৰ পিছত কাগজ সহ ছপাৰ অন্যান্য খৰছও বাঢ়ি গৈছে। গতিকে আগলৈ হয়তো আজিৰ মূল্যত আপোনালোকৰ হাতলৈ 'বিবেক ভাস্কৰ' তুলি দিব নোৱাৰিম। এনে অপৰিহাৰ্য্য পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অহা সংখ্যাৰ পৰা পত্ৰিকাখনৰ মূল্য অকণমান বৃদ্ধি কৰা হ'ব। পাঠকসকলোৰ এই অসুবিধা বাবে আমি দুঃখিত।

কিশলয়

# মহাভাৰতৰ গল্প

### স্বামী ৰাঘবেশানন্দ

*(যোৱা সংখ্যাৰ পিছৰ পৰা)*

## মহাভাৰতৰ নায়িকা

পাঞ্চালৰ ৰজা দ্ৰুপদ নিঃসন্তান আছিল। এজন মুনিৰ উপদেশত তেওঁ যজ্ঞ কৰিলে। দ্ৰোণৰ অপমান তেওঁ পাহৰিব পৰা নাছিল। তেওঁৰ ইচ্ছা আছিল এই যজ্ঞৰ ফলত যি পুত্ৰ হ'ব সেইজনে তেওঁৰ অপমানৰ প্ৰতিশোধ ল'ব।

যজ্ঞশেষত হোমাগ্নিৰ পৰা এজন দেৱকুমাৰ উঠি আহিল। তেওঁৰ শৰীৰ অগ্নিশিখাৰ দৰে উজ্জ্বল। তেতিয়া দ্ৰুপদে দৈৱবাণী শুনা পালে — 'এই দেৱকুমাৰ তোমাৰ পুত্ৰ। এওঁৰ নাম, ধৃষ্টদ্যুম্ন ৰাখা।' তাৰ পিছত যজ্ঞৱেদীৰ পৰা এগৰাকী সুন্দৰী কুমাৰী উঠি আহিল। শ্যামবৰ্ণা কাৰণে তেওঁৰ নাম হ'ল কৃষ্ণা। তেওঁ দ্ৰুপদৰ কন্যা দ্ৰৌপদী নামে পৰিচিত। পুত্ৰ আৰু কন্যা লাভ কৰি দ্ৰুপদ অতিশয় সন্তুষ্ট হ'ল।

একচক্ৰ নগৰত থকাকালীন পাণ্ডৱসকলে শুনা পালে যে দ্ৰুপদে তেওঁৰ কন্যা দ্ৰৌপদীৰ স্বয়ম্বৰ সভা আয়োজন কৰিছে। তেওঁলোকে মাতৃক লগত লৈ ব্ৰাহ্মণৰ বেশত স্বয়ম্বৰ চাবৰ কাৰণে পাঞ্চাল ৰাজ্যলৈ যাত্ৰা কৰিলে। পথত পাঞ্চালযাত্ৰী বহুতো ব্ৰাহ্মণৰ লগত তেওঁলোকৰ কথোপকথন হ'ল। দীৰ্ঘ



পথ অতিক্ৰম কৰি ক্লান্ত পাণ্ডৱগণ পাঞ্চালত আহি ভাৰ্গৱ নামৰ এক কুম্ভকাৰৰ অতিথি হ'ল। স্বয়ম্বৰ উপলক্ষে পাঞ্চাল নগৰী অতি সুন্দৰভাৱে সজ্জিত। নাচ-গান সহ নানা প্ৰকাৰৰ আমোদ-প্ৰমোদ উপভোগৰ ব্যৱস্থা। পাণ্ডৱগণে ঘূৰি ফুৰি সকলো প্ৰত্যক্ষ কৰিলে। একাধাৰে বহুতদিন উৎসৱ চলিল। স্বয়ম্বৰৰ দিনা আগন্তুক ৰজাসকল সভামণ্ডপত সমবেত হ'ল। এওঁলোকৰ ভিতৰত কৃষ্ণ, কৰ্ণ, দুৰ্যোধন আৰু বহুতো আছিল। পাণ্ডৱসকলেও আহি ব্ৰাহ্মণগণৰ মাজত বহিল। ৰজাৰ বাহিৰেও বহু দৰ্শক আৰু অতিথি সভামণ্ডপত উপস্থিত আছিল।

সকলোৱে আসন গ্ৰহণ কৰাৰ পিছত ৰজা দ্ৰুপদে দ্ৰৌপদীৰ আগমনবাৰ্তা ঘোষণা কৰিলে। ধুনীয়া বসন আৰু অলঙ্কাৰেৰে ভূষিতা অপৰূপ ৰূপৱতী দ্ৰৌপদী হাতীৰ পিঠিত উপবিষ্ট হৈ সভামণ্ডপলৈ আহিল। তেওঁক লৈ আহিল তেওঁৰ ভায়েক ধৃষ্টদ্যুম্নই। পাটৰ বস্ত্ৰৰে আবৃতা দ্ৰৌপদী পৰীৰ নিচিনা দেখাইছিল। তেওঁ হাতীৰ পিঠিৰ পৰা নামি লাহি খোজেৰে সভামণ্ডপত প্ৰৱেশ কৰিলে। সভা নিঃশব্দ হ'লত ধৃষ্টদ্যুম্নই দ্ৰৌপদীক মণ্ডপৰ মাজভাগত লৈ আহি, গম্ভীৰ উচ্চস্বৰত ক'লে, "সমবেত ভূপতিগণ, মোৰ কথা শুনক— এইয়া ধনু আৰু এইয়া বাণ; দীৰ্ঘ দণ্ডৰ ওপৰত স্থাপিত সোণবৰণীয়া মাছটো হ'ল লক্ষ্যবস্তু। তাৰ তলতে এটা ফুটা থকা চক্ৰ দ্ৰুত গতিত ঘূৰি আছে। যিগৰাকীয়ে এই ফুটাটোৰ মাজেৰে পাঁচ ডাল বাণ নিক্ষেপ কৰি লক্ষ্যভেদ কৰিব পাৰিব, সেইগৰাকীয়ে মোৰ ভগ্নী, কৃষ্ণাক বিবাহ কৰিব।" তাৰ পিছত ৰজাসকলে এজনৰ পিছত এজনকৈ লক্ষ্যভেদ কৰিবলৈ অগ্ৰসৰ হ'ল। কিন্তু লক্ষ্যভেদটো দূৰৰ কথা, তেওঁলোকে ধনুৰ গুণ টানিবলৈও নোৱাৰিলে। ধনুৰ আঘাতত তেওঁলোকে মাটিত পৰি গ'ল, তেওঁলোকৰ মূৰৰ মুকুট, ডিঙিৰ হাৰ আৰু অলঙ্কাৰ সমূহ ছিগি ছেদেলি ভেদেলি হ'ল। ৰজাসকলৰ দুদৰ্শা দেখি কৰ্ণ সেই ধনুৰ কাষলৈ গ'ল। অনায়েসে ধনু হাতত লৈ গুণ টানি শৰসন্ধান কৰিলে। কৰ্ণক লক্ষ্যভেদ কৰিব যোৱা দেখি দ্ৰৌপদীয়ে উচ্চস্বৰে ক'লে; "মই সূতপুত্ৰক মোৰ পতিৰূপে বৰণ নকৰো।" এই কথা শুনি কৰ্ণই সূৰ্য্যৰ ফালে চাই সক্ৰোধে হাঁহি মাৰি ধনুখন এফালে নমাই ৰাখি, নিজৰ ঠাইত গৈ বহিল। শিশুপাল, জৰাসন্ধ, শল্য, দুৰ্যোধন প্ৰভৃতি ডাঙৰ ডাঙৰ ৰজাসকলেও লক্ষ্যভেদৰ চেষ্টা কৰি বিফল হ'ল। সভামণ্ডপত গুঞ্জন আৰম্ভ হ'ল। কেইজনমানে এনেকৈও ক'লে— ৰজাসকলক লাজ দিবৰ বাবে ৰজা দ্ৰুপদে এই অসাধ্য লক্ষ্যভেদৰ ব্যৱস্থা কৰিছে।

তেনেকুৱাতে ভস্মৰাশিৰে আবৃত অগ্নিশিখাৰ নিচিনাকৈ অৰ্জুন ব্ৰাহ্মণসকলৰ মাজৰ পৰা থিয় দিলে। ধনুৰ ওচৰলৈ গৈ মহাদেৱ আৰু কৃষ্ণক স্মৰণ কৰি ধনুখন তুলি ল'লে। অনায়াসে ধনুৰ গুণত টান দি ফুটাৰ মাজেৰে পাঁচটি বাণ মাৰি লক্ষ্যভেদ কৰিলে। বাণবিদ্ধ সোণৰ মাছ তলত পৰি গ'ল। অৰ্জুনৰ সুন্দৰ চেহেৰা দেখি দ্ৰৌপদী মুগ্ধ হৈছিল। তেওঁ হাঁহিমুখে আগুৱাই আহি অৰ্জুনৰ ডিঙিত বৰমাল্য পিন্ধাই দিলে। অন্যান্য ৰজাসকল অপমানিত হ'ল আৰু ক্ৰুদ্ধ হৈ ক'ব ধৰিলে, "আমাক অগ্ৰাহ্য কৰি দ্ৰুপদে এজন ব্ৰাহ্মণক কন্যাদান কৰিলে। আমি দ্ৰুপদক বধ কৰিম।" কিন্তু ভীম আৰু অৰ্জুনে যুদ্ধত সকলোকে পৰাজিত কৰি দ্ৰুপদক ৰক্ষা কৰিলে। দ্ৰৌপদীক লৈ পঞ্চপাণ্ডৱ কুম্ভকাৰৰ গৃহলৈ উভটি আহিল।

তেওঁলোকে দুৱাৰৰ বাহিৰৰ পৰাই আনন্দত মা কুন্তীক মাত লগালে, "তোমাৰ কাৰণে কি উপহাৰ আনিছো চোৱা।" কুন্তীয়ে ঘৰৰ ভিতৰৰ পৰাই উত্তৰ দিলে, "যি আনিছা তোমালোক আটাইয়ে সমানে ভাগ কৰি লোৱা।" উপহাৰটি কি ধৰণৰ তেওঁতো নেজানিছিল! তাৰ পিছত দ্ৰৌপদীক দেখি তেওঁৰ ভুল বুজি পালে। মনৰ ভাব গোপন কৰি দ্ৰৌপদীক মৰম কৰি ক'লে, "ঘৰলৈ আহা সোণজনী।" দ্ৰৌপদীয়ে কুন্তীক সেৱা কৰিলে। পাণ্ডৱসকলে মাতৃ আজ্ঞা লংঘন কৰিব নোৱাৰিব। সেয়ে পাণ্ডৱৰ পাচ গৰাকীয়ে দ্ৰৌপদীক বিবাহ কৰিব লাগিব। ঠিক তেনে সময়তে কৃষ্ণ আৰু তেওঁৰ ককায়েক বলৰাম তালৈ আহিল। কৃষ্ণ পাণ্ডৱসকলৰ নিকট আত্মীয়। কুন্তী, কৃষ্ণৰ পিতা বসুদেৱৰ ভগিনী অৰ্থাৎ কৃষ্ণৰ পেহী। কৃষ্ণ-বলৰামে পাণ্ডৱসকলক ক'লে, স্বয়ম্বৰ সভাত তেওঁলোকক দেখিয়েই চিনিব পাৰিছিল, কাৰণ পাণ্ডৱৰ বাহিৰে এনেকুৱা বিক্ৰম আৰু কাৰো নাই। সকলোকে আশীৰ্বাদ দি তেওঁলোক দ্বাৰকালৈ উভটি গ'ল।

কুন্তী আৰু পাণ্ডৱসকলৰ তথা আৰু কৃষ্ণ আৰু যুধিষ্ঠিৰ কথোপকথনৰ সকলোখিনি ধৃষ্টদ্যুম্নই মনে মনে শুনি আছিল। যেতিয়া তেওঁ গম পালে যে ব্ৰাহ্মণ বেশধাৰীসকল পঞ্চপাণ্ডৱৰ বাহিৰে আৰু কোনো নহয় তেতিয়া আনন্দমনে প্ৰসাদলৈ উভটি গৈ ৰজা দ্ৰুপদক এই সুসংবাদ দিলে। কথা শুনি দ্ৰুপদেও আনন্দিত হ'ল। লগে লগে ঘোষণা কৰিলে, কন্যাৰ বিবাহ উপলক্ষ্যে দৰা পক্ষৰ সকলোকে তেওঁ আপ্যায়ন কৰিব। তেনে সময়তে মহৰ্ষি ব্যাস তাত আহি উপস্থিত হ'ল। দ্ৰুপদৰ আমন্ত্ৰণ মৰ্মে দ্ৰৌপদী আৰু কুন্তীক লগত লৈ পঞ্চপাণ্ডৱ ৰাজভৱনত উপস্থিত হ'ল। পাঁচজন ভায়েকে একেলগে দ্ৰৌপদীক বিয়া কৰাব বুলি শুনি দ্ৰুপদে আপত্তি কৰিলে। তেতিয়া ব্যাসে ক'লে, "এক ঋষিকন্যাই শিৱৰ তপস্যা কৰি পাঁচবাৰ সৰ্বগুণসম্পন্ন পতি কামনা কৰিছিল। মহাদেৱ তুষ্ট হৈ তেওঁক বৰ দান কৰি কৈছিল, "পাঁচবাৰ বিচাৰিছা বাবে পৰজনমত তুমি পাঁচজন গুণধৰ স্বামী পাবা। সেই ঋষিকন্যাই দ্ৰৌপদীৰূপত জন্ম লাভ কৰিছে।" কথা শুনি দ্ৰুপদ সন্মত হ'ল। বিবাহ সম্পন্ন কৰিলে পুৰোহিত ধৌম্যই। তাৰপিছত পাঁচদিন পাণ্ডৱগণে এজনৰ পিছত এজনে বিয়া পাতিলে। বিবাহ উপলক্ষে ৰজা দ্ৰুপদে পাণ্ডৱসকলক বহুত ধন, ৰত্ন, এশ হাতী, এশ দাসী আৰু ৰথ যৌতুকত দিলে। দ্ৰৌপদীক আশীৰ্বাদ কৰি কুন্তীয়ে ক'লে, "পাঁচ স্বামীক ভক্তি কৰিবা। অতিথি, বালক, বৃদ্ধ আৰু গুৰুসকলক সেৱা কৰিবা। তেতিয়া তুমি সুখী হ'বা।"

## পাণ্ডৱগণৰ হস্তিনাপুৰ প্ৰত্যাবৰ্তন

পাণ্ডৱগণ জীয়াই আছে শুনি দুৰ্যোধনৰ মনোকষ্টৰ সীমা নোহোৱা হ'ল। তেওঁলোকে দ্ৰৌপদীক বিয়া কৰোৱাৰ বাবে, সেই যাতনা শতগুণে বৃদ্ধি পালে।

দুঃশাসন লজ্জিত হ'লেও বেয়া অজুহাত দাঙি ধৰি সান্ত্বনা ল'ব ল'লে। উৰাবাতৰি বিয়পাই সান্ত্বনা লভিলে ক'লে, "অৰ্জুন ব্ৰাহ্মণৰ ছদ্মবেশত নেথাকিলে কেতিয়াও দ্ৰৌপদীক লাভ কৰিব নোৱাৰিলে হয়। ভাগ্য আমাৰ বিৰূপ। আৰু পাণ্ডৱৰ প্ৰতি সদয়, সেয়েহে দিনক দিনে তেওঁলোকৰ শ্ৰীবৃদ্ধি হৈছে।"

অন্যফালে বিদুৰ খুব উৎফুল্লিত। তেওঁ সুমনেৰে ধৃতৰাষ্ট্ৰক ক'লে, "কুৰুকুলৰ ভাগ্যলক্ষ্মী

সুপ্ৰসন্ন, দ্ৰুপদনন্দিনী কৃষ্ণাক আমি পুত্ৰবধূৰূপে পাইছো।” ধৃতৰাষ্ট্ৰই ভাবিলে স্বয়ম্বৰ সভাত দুৰ্যোধনেই দ্ৰৌপদীক লাভ কৰিছে। তেওঁ আনন্দমনে ক'লে, “কি সৌভাগ্য! দ্ৰৌপদী আৰু দুৰ্যোধনক সমাৰোহ সহকাৰে হস্তিনাপুৰলৈ লৈ আহা। তেতিয়া বিদুৰে ধৃতৰাষ্ট্ৰৰ ভুল ভাঙি দি ক'লে, “দ্ৰৌপদীক দুৰ্যোধনে পোৱা নাই, পাইছে পাণ্ডৱসকলে।” বিদুৰৰ কথা শুনি ধৃতৰাষ্ট্ৰ নিৰাশ হ'লেও, সেইয়া গোপনে ৰাখি, মুখত আনন্দৰ ভাব বিৰিঙায় ক'লে— “পাণ্ডৱসকল মোৰ পুত্ৰসকলৰ দৰেই প্ৰিয়। গতিকে দ্ৰুপদৰ কন্যা আমাৰো পুত্ৰবধূ।”

বিদুৰ প্ৰস্থান কৰিলত দুৰ্যোধন আৰু কৰ্ণ ধৃতৰাষ্টৰ ওচৰ চাপি আহি ক'লে, “বিদুৰৰ সন্মুখত কোনো কথা ক'ব আমি সাহস কৰা নাই। আপুনি পাণ্ডৱসকলৰ প্ৰশংসা কৰিলে কিয়? শত্ৰুৰ উন্নতিক আমাৰ উন্নতি বুলি ভাবিলে কিয়? বৰং কি কৰিলে পাণ্ডৱসকলৰ শক্তিক্ষয় হ'ব তাৰ উপায় কওঁক।”

ধৃতৰাষ্ট্ৰই ক'লে, “পাণ্ডৱসকলৰ শক্তি নাশ হওঁক, সেইয়া মোৰো ইচ্ছা। কিন্তু বিদুৰৰ ওচৰত সেইয়া প্ৰকাশ কৰিব নিবিচাৰো। সেয়েহে তেওঁক তেনেদৰে ক'লো। এতিয়া তোমালোকে কোৱা মোৰ কি কৰ্তব্য।”

দুৰ্যোধনে জনালে, তেওঁ চতুৰ আৰু বিশ্বস্ত ব্ৰাহ্মণসকলৰ দ্বাৰা পাণ্ডৱসকলৰ ভাই-ভাইৰ মাজত বিৰোধ ঘটাব বিচাৰে। কথা শুনি কৰ্ণয়ে ক'লে, “তাতে কাম নহ'ব। আমি তেওঁলোকক যুদ্ধত পৰাজিত কৰি ধ্বংস কৰিব বিচাৰো।” ধৃতৰাষ্টই ক'লে, কোনো এটা তেনে কাম কৰাৰ আগতে ভীষ্ম আৰু দ্ৰোণৰ লগত পৰামৰ্শ কৰা উচিত।

তেওঁ খবৰ পঠাই ভীষ্ম আৰু দ্ৰোণক মাতি পঠিয়ালে। ভীষ্ময়ে ধৃতৰাষ্ট্ৰক ক'লে, “দুৰ্যোধনে যেনেকৈ এই ৰাজ্যক পৈতৃক বুলি ভাবে, পাণ্ডৱসকলেও তেনেদৰে ভাবে। এতেকে আধা ৰাজ্য পাণ্ডৱসকলক দিয়া।” দ্ৰোণেও একে কথাকে ক'লে। এই কথা শুনি কৰ্ণ ক্ৰুদ্ধ হৈ ধৃতৰাষ্ট্ৰক ক'লে, “দ্ৰোণ আপোনাৰ আশ্ৰয়ত থাকিও আপোনাক হিতকৰ মন্ত্ৰণা নিদিলে। ইয়াতকৈ আশ্চৰ্য্য আৰু কি হ'ব পাৰে। আপুনি ৰজা, সিদ্ধান্ত লোৱাৰ আগতে বুজি লোৱা ভাল আপোনাৰ মন্ত্ৰণাদাতাসকল সাধু নে অসাধু।” কি কৰিব বুজিব নোৱাৰি ধৃতৰাষ্ট্ৰই বিদুৰৰ পৰামৰ্শ বিচাৰিলে। বিদুৰে ক'লে “ভীষ্ম আৰু দ্ৰোণে যি কৈছে, আপুনি সেইয়াই কৰক।” অৱশেষত ধৃতৰাষ্ট্ৰই বুজি পালে ভীষ্ম, দ্ৰোণ আৰু বিদুৰৰ পৰামৰ্শই ঠিক। তেওঁ বিদুৰক ক'লে, “এই ৰাজ্যত মোৰ পুত্ৰসকল আৰু পাণ্ডৱসকলৰ সমান অধিকাৰ। সেয়েহে, তুমি গৈ পঞ্চপাণ্ডৱ, কুন্তী আৰু দ্ৰৌপদীক পৰম সমাদৰে হস্তিনাপুৰলৈ লৈ আহা।”

বিদুৰে তৎক্ষণাত পাঞ্চাললৈ গৈ ৰজা দ্ৰুপদৰ সন্মতি সাপেক্ষে পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীক হস্তিনাপুৰলৈ লৈ আহিল। পুৰবাসীসকলে তেওঁলোকৰ প্ৰিয় পাণ্ডৱসকলক দেখা পাই উল্লসিত হ'ল। কৃষ্ণ, কুন্তী আৰু দ্ৰৌপদীক লৈ তেওঁলোকে ৰাজপুৰীত প্ৰৱেশ কৰিলে। গুৰুজনসকলক প্ৰণাম কৰি তেওঁলোকৰ আশীৰ্বাদ ল'লে। ক্ষন্তেক বিশ্ৰামৰ পিছত ধৃতৰাষ্ট্ৰ আৰু ভীষ্মই পাণ্ডৱসকলৰ মাতি পঠিয়ালে।

অনুবাদ ঃ **ডাঃ ভবেশ কুমাৰ দাস**

# গুৱাহাটী আশ্ৰমৰ সংবাদ

## জাতীয় যুৱ দিৱস তথা আজাদী কি অমৃত মহোৎসৱ

স্বামী বিবেকানন্দৰ জন্মদিন তথা ৩৮তম্ জাতীয় যুৱ দিৱস পালন কৰা হয় কোভিদ বিধিমতে। অনুষ্ঠানত মিছ মীৰা কুলকাৰ্নি, বিবেকানন্দ কেন্দ্ৰৰ অসম প্ৰান্তৰ সংগঠক আৰু স্বামী কৃপাকৰানন্দ মহাৰাজৰ উপস্থিতিত যুৱক-যুৱতীসকলৰ সংগীত, বক্তৃতা, নৃত্য, যোগা প্ৰদৰ্শন, মৰিগাঁৱৰ সিলচন্দ দলৰ তিৱা লাংখুন নৃত্য আদি পৰিৱেশন কৰা হয়। সন্ধিয়া ৬ বজাৰ পৰা শাস্ত্ৰীয় সংগীতেৰে বিবেকানন্দ বন্দনা কৰে স্বামী কৃপাকৰানন্দজী মহাৰাজে।

বিশেষ উল্লেখযোগ্য যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে ভাৰত চৰকাৰে 'আজাদী কি অমৃত মহোৎসৱ'ৰ যে আঁচনি লৈছে তাৰেই অংগ হিচাপে জাতীয় যুৱ দিৱস উদ্‌যাপন




কৰা হয় আৰু অহা ১৫ আগষ্টলৈকে ৰামকৃষ্ণ মিছনৰ ফালৰ পৰা বিভিন্ন কাৰ্য্যসূচীৰো পৰিকল্পনা আছে।

## ক'ভিদ মহামাৰীত সাহায্যৰ সংবাদ

ক'ভিদ মহামাৰীৰ বিগত লক ডাউন পৰিস্থিতিৰ সময়ত কামৰূপ জিলাৰ প্ৰায় পচিশৰো



অধিক ঠাইত দুখীয়া মানুহ, অনাথ আশ্ৰম প্ৰভৃতিলৈ প্ৰয়োজনীয় বয়-বস্তু, ৰন্ধা খাদ্য আদিৰ যোগান ধৰা হয়। ২৯ মাৰ্চ ২০২০ৰ পৰা ৬ জুন ২০২০ লৈকে ১০,২৩৭ গৰাকী আৰু ১০ মে' ২০২১ৰ পৰা ১৭ জুন ২০২১লৈকে ১,৫৩২ গৰাকী মানুহৰ মাজত সৰ্বমুঠ ৫৮৭০ কেজি চাউল, ১৮০১ কেজি ডালি, ১৩১৫ কেজি চয়াবিন, ১৬৫৮ কেজি নিমখ, ১৮৯৬ কেজি আলু, ৩৯১ কেজি আটা, ৫১১.৬ লিটাৰ তেল, ৩৩২ লিটাৰ গাখীৰ, ৩৬ লিটাৰ ফলৰ ৰস, ১০০৩ পেকেট বিস্কুট, ৫০ পেকেট নুডল্‌চ, ১২৩০ পেকেট টিফিন কেক, ৭৪ কেজি চকোলেট, ২৮৮০ টা মুখাৱৰণ(মাস্ক), ১৮৯১ বতল হেণ্ড চেনিটাইজাৰ, ৩৫ বতল হাত ধোৱা তৰল চাবোন, ৪৩০ কেজি কাপোৰ ধোৱা পাউদাৰ, ১০০৪ টা গা ধোৱা চাবোন, ৫০ টা ছাতি, ৫০ খন লুঙি বিতৰণ কৰা হয়।

## চিকাগো বক্তৃতাৰ ১২৫ বছৰ উদ্‌যাপনৰ সামৰণি অনুষ্ঠান

স্বামী বিবেকানন্দৰ ঐতিহাসিক চিকাগো বক্তৃতাৰ ১২৫ বছৰ উপলক্ষে বছৰ যোৰা উদ্‌যাপনৰ সামৰণি অনুষ্ঠান মহাসমাৰোহেৰে সম্পন্ন হয় ২০২০ চনৰ জানুৱাৰী মাহত।


ৰবীন্দ্ৰ ভৱন সভাগৃহত

১২ জানুৱাৰী, জাতীয় যুৱ দিৱসৰ দিনাখনত আশ্ৰম প্ৰাংগণত সংক্ষিপ্ত বক্তৃতা আৰু বৰ্ণাঢ্য শোভাযাত্ৰাৰ আৰম্ভ সংকেত দিয়ে তেতিয়াৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ মুখ্য সংবাদ উপদেষ্টা শ্ৰীহৃষিকেশ গোস্বামী ডাঙৰীয়াই।

১৯ জানুৱাৰী, ২০২০ ত আবেলি ৪ বজাত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন সভাগৃহত এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হয়। সভাৰ প্ৰধান অতিথি আৰু সন্মানীয় অতিথি আছিল অসমৰ তৎকালীন মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল মহোদয়, স্বামী নিখিলেশ্বৰানন্দজী মহাৰাজ (ৰাজকোট ৰামকৃষ্ণ মঠৰ অধ্যক্ষ) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° মৃদুল হাজৰিকা ডাঙৰীয়া; সভাপতি হিচাপে উপস্থিত আছিল ৰামকৃষ্ণ মঠ আৰু ৰামকৃষ্ণ মিছনৰ সহকাৰী সাধাৰণ সম্পাদক স্বামী বলভদ্ৰানন্দজী মহাৰাজে।

সভাৰ শেষত উত্তৰ-পূৰ সংগীত নাটক একাডেমিৰ সহযোগিতাত আন্তৰ্জাতিক খ্যাতিসম্পন্ন 'Meher The Troupe' ৰ কলাকাৰৰ দ্বাৰা পুতলা নাচৰ প্ৰদৰ্শিত হয়।

২০ আৰু ২১ জানুৱাৰী, ২০২০ ত গুৱাহাটী আই.আই.টি. আৰু পাণ্ডু মহাবিদ্যালয়ত স্বামী বিবেকানন্দ আৰু ব্যক্তিত্ব গঠন বিষয়তে বক্তৃতা আগবঢ়ায় স্বামী নিখিলেশ্বৰানন্দজী মহাৰাজে।

## অগ্নি দুৰ্ঘটনাগ্ৰস্তলৈ সাহায্য

গুৱাহাটীৰ জালুকবাৰীত ভয়াৱহ অগ্নিদুৰ্ঘটনাত বিধ্বস্ত বস্তিৰ মাজত ২২ ডিচেম্বৰ, ২০২০ চনত ৮০ খন পৰিয়াললৈ বাচনৰ যোগান




ধৰা হয়। প্ৰতিটো পৰিয়াললৈ দিয়া হৈছিল— ২ টা গিলাচ, ১ টা ম'গ, ২ টা বাতি, ২ টা থাল, ১ টা কৰাচ, ১ টা খন্তি, ১ টা হেতা, ১ টা চৰিয়া, ১ টা হাণ্ডি, ১ টা কেৰাহী , ১ টা বাল্টি।

### ভ্ৰাম্যমাণ চিকিৎসা ব্যৱস্থা

ৰামকৃষ্ণ মিছন আশ্ৰমৰ ভ্ৰাম্যমাণ চিকিৎসা বাহনে আমাৰ ওচৰ-পাঁজৰৰ গ্ৰামাঞ্চলৰ আৰ্থিকভাৱে পিছপৰা বিশেষকৈ জনজাতীয় আৰু অনুন্নত অধ্যুষিত অঞ্চলৰ জনসাধাৰণৰ মাজত চিকিৎসা সেৱা আগবঢ়াই সকলোৰে দৃষ্টি আকৰ্ষণ

কৰিবলৈ সক্ষম হৈছে। পৰিসংখ্যাৰ হিচাপ অনুসাৰে যোৱা বছৰত অৰ্থাৎ জানুৱাৰী ২০২১ৰ পৰা ডিচেম্বৰ ২০২১লৈকে মুঠ ৮,১০৯ গৰাকীক চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হৈছে।

## গুৱাহাটী ছাত্ৰীবাৰীস্থ ৰোগ নিৰ্ণয় আৰু দাতব্য চিকিৎসালয় কেন্দ্ৰ

গুৱাহাটীৰ বহুতো দাঁতি কাষৰীয়া অঞ্চলৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ মানুহৰ মাজত এই কেন্দ্ৰৰ যোগেদি ন্যূনতম খৰছত উল্লেখনীয় চিকিৎসা সেৱা আগবঢ়াই থকা হৈছে। ঔষধ, স্ত্ৰীৰোগ বিভাগ, দন্ত চিকিৎসা, পেথোল'জী, এক্সেৰে, ফিজিওথেৰাপি, হোমিওপ্যাথি আদি বিভিন্ন বিভাগৰ মানৱহিতৈষী চিকিৎসকসকলে গুৱাহাটী আশ্ৰমৰ এই কেন্দ্ৰত সেৱা আগবঢ়াই মানুহৰ কল্যাণ সাধনত ব্ৰতী হৈছে। পৰিসংখ্যাৰ হিচাপ অনুসাৰে যোৱা বছৰত অৰ্থাৎ জানুৱাৰী ২০২১ৰপৰা ডিচেম্বৰ ২০২১লৈকে মুঠ ১৫,৬৩৮ গৰাকী ৰোগীক চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে সাধ্যানুসাৰে প্ৰয়োজনীয় ঔষধ-পাতিও বিনামূলীয়াকৈ যোগান ধৰা হয়।

## ছাত্ৰাৱাস

গুৱাহাটী ৰামকৃষ্ণ মিছনত ৩২ জন আবাসী ছাত্ৰৰ ছাত্ৰাৱাস ১৯৮৮ চনৰ ১২ জানুৱাৰীৰ পৰা চলি আহিছে। কেন্দ্ৰীয় চৰকাৰৰ আংশিক অনুদান আৰু আশ্ৰমৰ ব্যয় সাপেক্ষে এয়া চলাই থকা হৈছে। পঢ়া-শুনাৰ লগতে ছাত্ৰসকলৰ চৰিত্ৰ গঠনৰ বাবে বিশেষ যত্ন লোৱা হয়। দৈনিক খেল-ধেমালি আৰু পুৱা-সন্ধিয়া মন্দিৰত প্ৰাৰ্থনা কৰাতো ছাত্ৰসকলৰ বাবে বাধ্যতামূলক।

## মাতৃত্ব আৰু শিশু পৰিকল্পনা সংবাদ

গুৱাহাটী ৰামকৃষ্ণ মিছনৰ ব্যৱস্থাপনাত আৰু বৰগাঁও শ্ৰীৰামকৃষ্ণ সেৱা সমিতিৰ সহযোগিতাত বৰগাঁও, পলাগুৰি, কুমাৰবৰি, ভেলুৱাবস্তি, নেলি আদি ঠাইৰ তিৱা জনজাতীয়, চাহ বাগানৰ কৰ্মী আৰু অন্যান্য জনগোষ্ঠী অধ্যুষিত অঞ্চলৰ সন্তান সম্ভৱা মহিলাসকলক নিয়মীয়াভাবে বিনামূলীয়া ডাক্তৰী পৰীক্ষাৰ লগতে প্ৰয়োজনীয় ঔষধ, ভিটামিন, কেলছিয়াম, ফলৰ ৰস. ফলমূল আদি বিতৰণ কৰা হয়। প্ৰতিটো স্বাস্থ্য শিবিৰত প্ৰায় ৪০-৫০ গৰাকীয়ে এই সেৱাত উপকৃত হৈ থাকে।

## গদাধৰ অভ্যুদয় প্ৰকল্প

আশ্ৰমৰ ওচৰ-পাজৰৰ পিছপৰা আৰু আৰ্থিকভাৱে স্বচ্ছল নোহোৱা অঞ্চলৰ প্ৰায় ১০০ জন প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰৰ শিক্ষা, স্বাস্থ্য, পুষ্টি আৰু নৈতিক উন্নয়নৰ দায়িত্ব লোৱা হৈছে আশ্ৰমৰ ফালৰ পৰা। সোমবাৰৰ পৰা শুক্ৰবাৰলৈ ৰাতিপুৱা ৬:৩০ বজাৰ পৰা ৮:০০ বজালৈ তেওঁলোকক বিভিন্ন বিষয়ত পাঠদান কৰা হয় আৰু শনিবাৰ, দেওবাৰে যথাক্ৰমে সংগীত, আবৃত্তি আদি সাংস্কৃতিক শিক্ষাদানৰ লগতে যোগাসনৰ অনুশীলনৰো ব্যৱস্থা আছে। প্ৰতিদিনে পাঠ শেষ হোৱাৰ পাছত পুষ্টিকৰ প্ৰাতৰাশ দিয়া হয়। নিয়মিত স্বাস্থ্য পৰীক্ষা, বেমাৰ-আজাৰৰ চিকিৎসা আদিৰ সকলো সেৱাই বিনামূলীয়াকৈ আগবঢ়োৱাৰ জৰিয়তে ৰামকৃষ্ণ মিছন আশ্ৰম, গুৱাহাটী সমাজৰ উন্নতি সাধনত নিযুক্ত।

একেদৰে 'নিউ ইণ্ডিয়া এচিওৰেঞ্চ কোম্পানী লিমিটেড'ৰ (NIACL) আৰ্থিক সহায়তাত বৰগাঁও

ৰামকৃষ্ণ সেৱা সমিতি প্ৰাঙ্গণত, গুৱাহাটী ৰামকৃষ্ণ মিছনৰ ব্যৱস্থাপনাত সেই অঞ্চলৰ দুখীয়া আৰু পিছপৰা প্ৰায় ৫০-৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষা, স্বাস্থ্য, পুষ্টি আদি সেৱা আগবঢ়োৱা হয়।❍

## ডুমডুমা ৰামকৃষ্ণ সেৱাশ্ৰমত নতুন মন্দিৰৰ দ্বাৰোদ্‌ঘাটন

যোৱা ১১ আৰু ১২ ডিচেম্বৰ, ২০২১ দুদিনীয়া কাৰ্য্যসূচীৰে ডুমডুমাস্থিত ৰামকৃষ্ণ সেৱাশ্ৰমত মহাসমাৰোহেৰে নৱনিৰ্মিত মন্দিৰৰ উদ্বোধন অনুষ্ঠান সম্পন্ন হয়। ১১ ডিচেম্বৰ মহিলা ভক্তবৃন্দৰ দ্বাৰা 'গংগা আনয়ন'ৰ পিছত সন্ধিয়াৰ আৰতি, ধৰ্মালোচনা আৰু ভক্তিমূলক গীতৰ শৰাই আগবঢ়োৱা হয়। ১২ তাৰিখত পুৱা নিশা মংগলাৰতি, ভক্তিসংগীত পৰিৱেশন, গীতাপাঠ, চণ্ডীপাঠ আদি অনুষ্ঠিত হয়। অৰুণাচলৰ নৰোত্তমনগৰ ৰামকৃষ্ণ মিছনৰ সম্পাদক তথা ৰামকৃষ্ণ মঠ আৰু ৰামকৃষ্ণ মিছনৰ ন্যাসৰক্ষক স্বামী অচ্যুতেশানন্দজী মহাৰাজৰ হস্তেৰে' নতুন মন্দিৰৰ দ্বাৰ উন্মোচন হয়, লগতে আছিল ডিগবৈ আৰু ডিব্ৰুগড় ৰামকৃষ্ণ মিছনৰ সম্পাদক স্বামী অৰুণাত্মানন্দজী আৰু স্বামী বেদসাৰানন্দজী মহাৰাজে। দ্বাৰোদ্‌ঘাটনৰ পিছত তিনিগৰাকী মহাৰাজৰ উপস্থিতিত ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছিল। ভক্তসভাত সমবেত সন্ন্যাসীবৃন্দ আৰু বিশিষ্ট ব্যক্তিসকলক সেৱাশ্ৰমৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা জ্ঞাপন, দুখীয়া বহু পৰিয়াললৈ শীতবস্ত্ৰ প্ৰদান, সন্ন্যাসীবৃন্দৰ ভাষণ আদি অনুষ্ঠিত হয়।

১৯৬৬ চনত এখনি ভাড়াতিয়া ঘৰত অস্থায়ীৰূপত যি পূজাৰ সূচনা হৈছিল আৰু ২০১১ চনৰ ২ অক্টোবৰ স্বামী ঈশাত্মানন্দজী মহাৰাজৰ হস্তেৰে নতুন মন্দিৰৰ যি শিলান্যাস হৈছিল তাৰেই পূৰ্ণতা প্ৰাপ্তি হয় যোৱা ১২ ডিচেম্বৰ, ২০১১ চনত। এই বিশাল অনুষ্ঠানৰ স্মাৰক হিচাপে 'বোধন' নামৰ এখন স্মৰণিকাৰো উন্মোচন কৰে শ্ৰীমৎ স্বামী অচ্যুতেশানন্দজী মহাৰাজে।❍

## বেলুড় মঠৰ 'পৰিচালনা মণ্ডলী' (গভৰ্ণিং বডি) ৰ প্ৰতিবেদন ২০১৯-২০

ৰামকৃষ্ণ মিছনৰ ১১১ তম্ বাৰ্ষিক সাধাৰণ সভা, যোৱা ৭ মাৰ্চ, ২০২১, আবেলি ৩.৩০ বজাত বেলুড় মঠত সম্পন্ন হয়। সভাত উল্লেখিত প্ৰতিবেদনৰ এটি চমু বিৱৰণ তলত দিয়া হ'ল।

ৰামকৃষ্ণ মিছনে স্বীকৃতি লাভ কৰা স্থানসমূহ হ'ল — (১) ইউ. জি. চি. (ইউনিভাৰচিটি গ্ৰান্ট কমিচন)ৰ অন্তৰ্গত যিবোৰ প্ৰতিষ্ঠানে উচ্চশিক্ষা প্ৰসাৰৰ কাৰণে 'মেন্টৰ ইনস্টিটিউচনৰ মৰ্যাদা লাভ কৰিলে, সেইবোৰ হ'ল (a) RKMVERI (ডিমড্ ইউনিভাৰচিটি), কলেজ অৱ্ এডুকেচন (কোয়েমবাটোৰ ৰামকৃষ্ণ বিদ্যালয়) আৰু শিক্ষণমন্দিৰ (বেলুড়মঠ হাওড়াৰ সাৰদাপীঠ কেন্দ্ৰৰ)। এইবোৰ প্ৰতিষ্ঠানে আন উচ্চ শিক্ষা প্ৰতিষ্ঠানবোৰৰ গুণগত মানোন্নয়নৰ লগতে NAAC কৃতিত্ব লাভত সহায় কৰিব। (b) চেন্নাই বিদ্যাপীঠৰ বিবেকানন্দ মহাবিদ্যালয়ৰ স্বায়ত্বশাসিত স্থিতি আৰু দহ বছৰলৈ বৃদ্ধি কৰিলে। (২) ৰহৰা, কলিকতা কেন্দ্ৰৰ বিবেকানন্দ শতবাৰ্ষিকী মহাবিদ্যালয়খনক ভাৰত চৰকাৰৰ মিনিষ্ট্ৰী অৱ চায়েঞ্চ এণ্ড টেকনোল'জী (MST) ৰ 'ডিপাৰ্টমেন্ট অৱ চায়ন্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিচাৰ্চ (DSIR) য়ে — 'চায়ন্টিফিক এণ্ড ৰিচাৰ্চ অৰ্গানাইজচন (SIRO) হিচাপে পৰিগণিত কৰিলে।

ৰামকৃষ্ণ মিছনৰ নতুন শাখা কেন্দ্ৰ স্থাপন হোৱা স্থান সমূহ হ'ল ঃ (১) কাচুন্দিয়া হাওড়া, পশ্চিমবংগ (২) ৰাউৰকেল্লা, ওড়িছা (৩) ভিলিপুৰম, তামিলনাডু।

ৰামকৃষ্ণ মঠৰ নতুন শাখাকেন্দ্ৰ স্থাপন হ'ল বিহাৰৰ পূৰ্ণিয়াত। ৰামকৃষ্ণ মঠ, 'কথামৃত ভৱন' যিটো ৰামকৃষ্ণ মঠ, 'শ্যামপুকুৰ বাটি'ৰ উপকেন্দ্ৰ আছিল, সেইটো পূৰ্ণাংগ কেন্দ্ৰলৈ উন্নত কৰা হ'ল। কলিকতাস্থিত স্বামী ত্ৰিগুণাতীতানন্দ মহাৰাজৰ পৈতৃক ঘৰ-মাটি ৰামকৃষ্ণ মঠে হস্তগত কৰি সেইটোৰ নামকৰণ কৰিছে 'ত্ৰিগুণাতীতানন্দ মেমোৰিয়েল।' মেনিলাত অৱস্থিত ৰামকৃষ্ণ বেদান্ত চোচাইটি, ফিলিপিন্‌ছ ৰামকৃষ্ণ মিছনৰ অন্তৰ্ভুক্ত কৰা হ'ল। কানাডাৰ ভেংকুবাৰ আৰু ব্ৰাজিলৰ কুৰিটিবাত অৱস্থিত বেদান্ত চোচাইটি ৰামকৃষ্ণ মঠৰ অন্তৰ্ভুক্ত কৰা হৈছে। আমেৰিকাৰ পাইনন হিল্‌চৰ ৰিট্ৰিট চেন্টাৰটো হলিউড বেদান্ত চোচাইটিৰ উপকেন্দ্ৰ (Sub-centre) হিচাপে পৰিগণিত হ'ল।

শিক্ষাক্ষেত্ৰত নিম্নলিখিত নতুন উন্নয়নবোৰ বিশেষ প্ৰণিধানযোগ্য —

(১) 'চেন্নাই ষ্টুডেন্ট্‌চ হোম'এ এখন 'দক্ষতা বিকাশ কেন্দ্ৰ'ৰ প্ৰাৰম্ভ কৰে যাতে ছাত্ৰ-ছাত্ৰীসকলে মেকানিকেল, অটোমোবাইল আৰু কম্পুটাৰ ইঞ্জিনিয়াৰিংত প্ৰশিক্ষণ লাভ কৰিব পাৰে।

(২) কোয়োমবাটোৰ বিদ্যালয়ে, ক'লা ও বিজ্ঞান মহাবিদ্যালয়ত শিল্প সংক্ৰান্ত কামৰ পৰিৱেশ গঠনৰ বাবে এটি 'ইনকিউবেচন চেন্টাৰৰ আৰম্ভ কৰে।

(৩) ৰাঁচী মোৰাবাদী শাখাটোক ঝাড়খণ্ড চৰকাৰে নেচনেল ইনষ্টিটিউট অৱ অপেন স্কুলিং (NIOS) ফৰ মাইন'ৰিটিজৰ অধীনত, ভেলু বেচ্‌ড মাল্টি স্কিল ডেভেলেপমেন্ট ট্ৰেনিং কোৰ্চৰ বাবে মনোনীত কৰে।




স্বাস্থ্যৰ ক্ষেত্ৰত যি নতুন বিকাশ উল্লেখনীয়, সেইবোৰ হ'ল — (১) কনখল কেন্দ্ৰই এটি অস্ত্ৰপ্ৰচাৰ কক্ষ চৌহদ, আই. চি. ইউ. শল্য চিকিৎসা ৱাৰ্ড, ডাইয়ালাইচিছ ইউনিট, আৰু চি. টি. স্কেনৰ সুবিধা সংযোজন কৰিছে। (২) মনসাদ্বীপ কেন্দ্ৰই এটি নতুন ডিচ্‌পেনচাৰী ঘৰ সাজি উলিয়াইছে।

(৪) বৃন্দাবন কেন্দ্ৰই হস্পিতেল বিল্ডিঙত এখন ষ্টেট-অৱ-দা-আৰ্ট 'সাৰদা ব্লক' সংযোজন কৰিছে। এইটো NABH standard অনুযায়ী তৈয়াৰ কৰা হৈছে য'ত দুটা মডুলাৰ অপাৰেচন থিয়েটাৰ, এটি কৰ্কটৰোগ ৱাৰ্ড, এম. আৰ. আই. আৰু চি.টি. স্কেনৰ সুবিধা আছে।

গ্ৰামোন্নয়নৰ ক্ষেত্ৰত যিবোৰ নতুন প্ৰকল্প গঢ়া হৈছে, তাৰ ভিতৰত উল্লেখনীয় হ'ল —

(১) ৰাঁচী মোৰাবাদী কেন্দ্ৰই ৬৪৪ একৰ পৰিত্যক্ত (fallow) মাটি ক্ৰয় কৰি, তাত খেতিৰ ব্যৱস্থা কৰি ২৫ খন গাৱঁৰ খেতিয়কসকলক Seed Village Programmeৰ অধীনত উন্নতমানৰ বীজ উৎপাদনৰ বাবে প্ৰশিক্ষণ দিছে।

(২) সাৰগাছি কেন্দ্ৰই ৫৫ টা কৃষিক্ষেত্ৰত ৫ টা 'অন ফাৰ্ম ট্ৰাইআল' (OFT) পৰিচালনা কৰি ৪ খন গৱেষণা পত্ৰ প্ৰকাশৰ লগতে ৬৯০ জন ব্যক্তিবিশেষক পশুৰ সৰু-সুৰা অসুখ বা আঘাত চিকিৎসা কৰিবলৈ প্ৰশিক্ষণ দিছে।

স্বচ্ছ ভাৰত অভিযানৰ ক্ষেত্ৰত আমাৰ বহুতো কেন্দ্ৰই পৰিষ্কাৰ পৰিচ্ছন্নতা কৰাৰ ওপৰিও মানুহৰ মাজত সজাগতা আৰু সচেতনতাৰ প্ৰচাৰ চলাইছে। এই ক্ষেত্ৰত আগভাগ লোৱা কেন্দ্ৰ সমূহ হ'ল ঃ

(১) মাঙ্গালুৰু কেন্দ্ৰ (ক) চহৰখনৰ আশে-পাশে ২৬ টা অভিযান সম্পন্ন কৰিছে। (খ) উদুপি জিলাৰ ৯৯ খন বিদ্যালয়ত পৰিচ্ছন্নতাৰ সজাগতাৰ ওপৰত যাদু প্ৰদৰ্শন কৰে। (গ) ২৩৬ খন বিদ্যালয়ৰ ২৩,৭৩৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত সাংস্কৃতিক প্ৰতিযোগিতা আৰু কৰ্মশালাৰ আয়োজন কৰে। এই কেন্দ্ৰই ১৩০ খন বিদ্যালয়ক 'পৰিচ্ছন্নতা দিৱস' উদ্‌যাপন কৰিবলৈ দিহা-পৰামৰ্শ প্ৰদান কৰে আৰু ১৩,০০০ ল'ৰা-ছোৱালীয়ে অংশ গ্ৰহণ কৰে।

(২) চালেম কেন্দ্ৰই চালেম পৌৰ নিগমৰ স্বচ্ছতা কৰ্মীসকলৰ বাবে এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰে।

ৰামকৃষ্ণ মঠৰ অধীনত তলত দিয়া বিকাশসমূহ উল্লেখযোগ্য ঃ

(১) কালাদি মঠে প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত এটি নতুন বিভাগ সংযোজন কৰে।

(২) বৰিশা মঠে এখনি এলোপেথিক ডিচপেন্‌চাৰী আৰম্ভ কৰে।

(৩) চেন্নাই মঠে, 'বিবেকানন্দ হাউচ'ত 'স্বামী বিবেকানন্দৰ ভাৰতবৰ্ষৰ পৰিভ্ৰমণ' শীৰ্ষক বিষয়ত 4 D virtual reality film show (ফৌৰ দি কম্পুটাৰ চিনেমা প্ৰদৰ্শন) ৰ ব্যৱস্থা আৰম্ভ কৰে।

(৪) কয়লাণ্ডি মঠে বহুকামৰ বাবে ব্যৱহাৰ কৰিব পৰা (multipurpose) এটি সভাগৃহ সাজি উলিয়াই।

মঠ আৰু মিছনে কভিড ১৯ সংক্ৰমণৰ কালচোৱাত, কেৰেলা, কৰ্ণাটক, উত্তৰ-পূব ভাৰত আৰু ভাৰতৰ আন অংশৰ বিধ্বংসী বানপানী আৰু ওড়িছা, গুজৰাট, পশ্চিমবংগৰ ফনী, বায়ু, বাবুল নামৰ ঘূৰ্ণিবতাহ আৰু ধুমুহা আদি প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত মানুহৰ বাবে বহুতো ত্ৰাণ আৰু পুনৰ্বাসনৰ ব্যৱস্থা কৰে। এই কাৰ্য্যত ৩৮.২৪ কৌটি টকা খৰচ হয় আৰু ৮.২৪ লাখ মানুহ উপকৃত হয়।

এই বছৰটোত ৰামকৃষ্ণ মিছন আৰু মঠে যিবোৰ বহুতো সাধাৰণ কল্যাণমূলক কাম কৰিছে, তাৰ ভিতৰত আছে, আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰী সকলক বৃত্তিপ্ৰদান ! বৃদ্ধ, অসুস্থ আৰু নিছলা সকলক আৰ্থিক সহায়তা। ইয়াৰ বাবে ব্যয় হৈছে ২৯.৪২ কৌটি টকা।

মিছনে ১০ খন চিকিৎসালয়, ৮৭ খন ডিচপেনচাৰী, ৩৯ খন ভ্ৰাম্যমান চিকিৎসা গাড়ী, ৯৮৫ টা স্বাস্থ্য শিবিৰৰ যোগেদি ৮৩.১১ লাখৰ অধিক মানুহলৈ স্বাস্থ্য সেৱা আগবঢ়াইছে। মুঠ ব্যয় হৈছে ২৭২.৩১ কৌটি টকা।

প্ৰায় ২.৬৬ লাখ ছাত্ৰ-ছাত্ৰীয়ে ৰামকৃষ্ণ মিছনৰ বিভিন্ন শিক্ষানুষ্ঠানত কিন্দাৰ গাৰ্ডেনৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈ আৰু ইয়াৰ ওপৰিও নন্‌ফৰ্মাল এডুকেচনেল চেন্টাৰ, নাইট স্কুল, কোচিং চেন্টাৰ আদিত শিক্ষাগ্ৰহণ কৰিছে। এই উপলক্ষে মুঠ ৩৯৬.১৯ কৌটি টকা খৰচ কৰা হৈছে।

গ্ৰাম্য আৰু জনজাতি উন্নয়নৰ বাবে লোৱা বিভিন্ন প্ৰকল্পৰ বাবে সৰ্বমুঠ ১৩১.৬২ কৌটি টকা

খৰচ হয় আৰু উপকৃত হয় প্ৰায় ৫.৭৩ লাখ মানুহ। আমেৰিকাৰ চিকাগোত বিশ্ব ধৰ্মমহাসভাত স্বামী বিবেকানন্দৰ ঐতিহাসিক ভাষণৰ ১২৫তম বৰ্ষ উপলক্ষে গোটেই বছৰটোত হোৱা বিভিন্ন অনুষ্ঠানৰ পৰিসমাপ্তি ঘটে, মুখ্যকাৰ্যালয় আৰু ইয়াৰ বিভিন্ন শাখাকেন্দ্ৰবোৰত। বেলুড় মঠত ৰামকৃষ্ণ মিছনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰৰ দুদিনীয়া এখনি সৰ্বভাৰতীয় প্ৰাক্তনি সভা অনুষ্ঠিত হয় ২০১৯ চনৰ ডিচেম্বৰ মাহত। আমেৰিকা আৰু বিদেশৰ অন্যান্য কেন্দ্ৰ সমূহতো সাধাৰণ সভা, বক্তৃতামালা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

বিদেশত, যিবোৰ কাম আগবাঢ়িছে তাৰ ভিতৰত বিশেষভাৱে উল্লেখনীয় হ'ল ঃ (১) বেলুড় মঠৰ উদ্যোগত গ্ৰেট টৰিংটন, ইউ. কে.ত থকা ভগিনী নিবেদিতাৰ পাৰিবাৰিক কবৰস্থানত তেওঁৰ এটি ব্ৰোঞ্জৰ মূৰ্তি, পশ্চিমবংগ চৰকাৰৰ আৰ্থিক সাহায্যৰে স্থাপন কৰা হয়।

(২) বাংলাদেশৰ ঢাকা কেন্দ্ৰত নৱনিৰ্মিত 'বিবেকানন্দ ভৱন' খন উদ্বোধন কৰা হয়।

ইয়াৰ দ্বাৰা ৰামকৃষ্ণ মঠ আৰু মিছনৰ সকলো কাৰ্যক্ৰম সুকলমে সমাধা কৰাৰ বাবে সাধাৰণ সম্পাদক স্বামী সুবীৰানন্দজী মহাৰাজে সকলো সভ্য আৰু বন্ধুবৰ্গক তেওঁলোকৰ সহায় আৰু সহযোগিতাৰ কাৰণে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

# শ্ৰীৰামকৃষ্ণ সেৱাশ্ৰম

**গোপী ভিলা, বহৰিহাট, জিলা - বৰপেটা, পিন - ৭৮১৩০২**

**পঞ্জীয়ন সংখ্যা - RS/BAR/237/Z/97 of 2019-2020**

**বিনম্ৰ নিবেদন**

শ্ৰদ্ধাৰ ভ্ৰাতা-ভগ্নী-শুভাৰ্থীগণ,

শ্ৰীশ্ৰীৰামকৃষ্ণ, শ্ৰীশ্ৰীমাৰ লগতে বীৰ সন্যাসী স্বামীজীৰ কৃপাত ২০০৯ চনৰ ১লা নৱেম্বৰ পোন্ধৰ জন মান ভক্তৰ প্ৰচেষ্টাত স্থাপনা হয় শ্ৰীৰামকৃষ্ণ সেৱাশ্ৰম, বহৰিহাট। ঘৰে ঘৰে সাপ্তাহিক উপাসনা, জন্মতিথি, যুৱদিৱস, বৃক্ষৰোপণ, চিকিৎসা শিৱিৰ, ভক্ত সন্মিলন তথা নানা সেৱামূলক কামৰ পৰিণতি তথা ঠাকুৰৰ ইচ্ছাত বৰ্তমানৰ দীক্ষিত সৰ্বমুঠ ৮২ জন। কিছু সংখ্যক অনুৰাগী ভক্তও আছে।

পৰমাৰাধ্যৰ ইচ্ছাত আৰ্থিকভাৱে পিছপৰা এই ক্ষুদ্ৰ গাঁওত শ্ৰীশ্ৰীঠাকুৰৰ ভাৱ জাগ্ৰত কৰাৰ মানসেৰে আমি এটি অল্প পৰিসৰৰ গৃহৰ সৈতে মাটি ক্ৰয় কৰিছোঁ। উল্লেখ্য যে এই গৃহখন ২০১০ চনৰ পৰা ২০১৩ চনলৈ ঠাকুৰৰ মন্দিৰ হিচাবে ব্যৱহাৰ হৈ আছিল।

এই ক্ৰয় বাবদ ১১,৫০,০০০/- (এঘাৰ লাখ পঞ্চাছ হাজাৰ) টকা আৰু সাধাৰণ মন্দিৰ হিচাবে ব্যৱহাৰৰ উপযোগী কৰিবলৈ প্ৰায় ২,০০০০০ (দুই লাখ) টকাৰ প্ৰয়োজন। আমি ইতিপূৰ্বে লকডাউনৰ আগে আগে ১৫-০৩-২০২০ ত ৪,০০০০০ (চাৰি লাখ) টকা বইনা দিছো। বৰ্তমান বাকী দিব লগা টকা স্থানীয় ভাৱে সংগ্ৰহ কৰাটো প্ৰায় অসম্ভৱ।

সেয়েহে, সকলো সহৃদয় উদাৰমনা ভক্ত, অনুৰাগী ব্যক্তিৰ ওচৰত সনিৰ্বন্ধ অনুৰোধ, শ্ৰীশ্ৰীঠাকুৰৰ গৃহঋণ পৰিশোধত আমাক আৰ্থিক সহায়ৰ হাত আগবঢ়াই মন্দিৰ প্ৰতিষ্ঠাৰ প্ৰচেষ্টাক উৎসাহিত কৰে যেন।

**A/c Details :**
Punjab National Bank
A/c No.- 1224000100189914
IFSC Code - PUNBO122400
MS Ramkrishna Sevashram Baharihat (Bahari Hat Branch)

শুভানুধ্যায়ী—
শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ হকে
শ্ৰীৰামকৃষ্ণ সেৱাশ্ৰম, বহৰিহাট সেৱকবৃন্দ
ফোন নং- ৮৬৩১০৬৪৯৯, ৮৭৬১৯৭৭০৫৫, ৭০০২৯১৭৯০৩

WITH BEST COMPLIMENTS

From

PAKYALA BHASKAR RAO
MANAGING DIRECTOR

SVISS LABSS PVT LIMITED
(Manufactures of Bulk Drugs/Drugs Intermediates)
An ISO 9001:2015 Certified Company

No.88-89, Phase – II Sipcot Industrial Complex,
Ranipet – 632 403, Tamil Nadu.
Ph.No.04172-244820 & 244818

Web Site : www.svisslabss.net
E-Mail : rao@svisslabss.net

# স্বামী বিবেকানন্দৰ চিকাগো বক্তৃতাৰ ১২৫ বছৰ উদ্‌যাপনৰ সামৰণি অনুষ্ঠান











